# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ০৮/০২/২০১৯ শুকুৰবাৰ

**আজি ইংৰাজী ০৮-০২-২০১৯ তাৰিখে ৰাতিপুৱা ০৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা বাজেট অধিবেশনৰ কাৰ্য্যবিৱৰণী ঃ**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১১৪, নজৰুল হক, বোধ কৰো Absent. কিন্তু কাৰোবাক দায়িত্ব এটা দি গৈছে নেকি? আমিনুল ইছলাম ডাঙৰীয়া আপোনাক দায়িত্ব দিছিল নেকি?

**শ্ৰী আমিনুল ইছলাম ঃ** হয় চাৰ।

**শ্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমাজ কল্যাণ বিভাগত দেখা গৈছে য'ত বাজেট যিমান টকা ধ্যাৰ্য কৰা হৈছিল যোৱা বিত্তীয় বৰ্ষৰ কাৰণে, তাতে ১৮২২ কোটি টকা ধাৰ্য কৰা হৈছিল আৰু তাৰ ভিতৰত ৯০৬ কোটি টকা ইতিমধ্যে খৰচ কৰা হৈছে। গতিকে বিত্তীয় বৰ্ষৰ শেষ প্ৰান্তত দেখা গৈছে এতিয়ালৈকে ৫০ শতাংশ পইচা খৰচ কৰিব পৰা নাই আৰু মাত্ৰ ডেৰমাহ মান সময় আছে। সেই কাৰণে অধিকাংশ আঁচনি এতিয়ালৈকে আৰম্ভ কৰা নাই। তালিকা কৰা হৈছে, কিন্তু এতিয়ালৈকে এনেকুৱা হৈ আছে। গতিকে যিবিলাক আঁচনি দিব্যাংগজন সাহায্য আঁচনি বা দিব্যাংগজন পেঞ্চন আঁচনি এইবিলাকক যে এতিয়ালৈকে দিব পৰা নাই। এতিয়া সেই বাকী যি বাজেটৰ টকা মোকলাই দিয়া হোৱা নাই, সেই আঁচনিবিলাক এই বিত্তীয় বৰ্ষত পাব নেকি?

**শ্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পেঞ্চন আঁচনিখন দি থকা হৈছে আৰু কিছুমান আঁচনি হয় আৰম্ভ কৰিব পৰা হোৱা নাই, কাৰণ মাননীয় অধ্যক্ষ মহোদয়, আপুনি জ্ঞাত যে সমাজ কল্যাণ বিভাগত আগৰ দায়িত্বৰ জনে বিভাগত খেলিমেলি হৈছে বুলি Vigilanceত দিয়া গৈছিল। Vigilanceত দিয়াৰ পিছত তেখেতে নিজেও একো কাম নকৰি গুচি গ'ল। পিছত আকৌ আমি বেলেগ এগৰাকী দায়িত্বত আনিলো তেতিয়া তেখেতেও Vigilance হোৱাৰ কাৰণে কাম নকৰিলে। আকৌ আমি আজি ২ টা মাহ হ'ব নতুন সঞ্চালক আনিছো তেখেতৰ যোগেদি কামবোৰ লাহে লাহে আৰম্ভ কৰিছো। সেই কাৰণে আমাৰ গোটেই পইচা খৰচ কৰাত আমাৰ অলপ দেৰি লাগিছে। সেই গতিকে যিমান পইচা এতিয়ালৈকে খৰচ হ'ব লাগিছিল, ৫০ শতাংশ খৰচ হৈছে আৰু আমি ৭৫ শতাংশতকৈ বেছি খৰচ কৰিব পাৰিম বুলি আশা ৰাখিছো।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে দিব্যাংগ লোকৰ পুণৰ সংস্থাপনৰ বাবে এককালীন সাহাৰ্য্য আঁচনি ৩ নম্বৰত যিটো আছে, ইয়াত এটা কথা কোৱা হৈছে প্ৰতিখন বিধান সভা সমষ্টিত ১১ গৰকীকৈ হিতাধিকাৰীৰ বিপৰীতে ২০ হাজাৰ টকাকৈ অনুদান দিয়াৰ বাবে ধাৰ্য কৰা হৈছিল। মই ভাৱো যে দিব্যাংগ লোক খুব বেছি নাথাকে, এটা সমষ্টিত। হয়তো প্ৰায়বিলাক সমষ্টিত ৫০ ৰ তলত হ'ব বা ১০০ জনৰ ভিতৰত হ'ব। গতিকে এটা সমষ্টিত ১১ জন ধাৰ্য কৰাটো, মোৰ মতে এইটো Common কৰিব লাগে যে এটা সমষ্টিত যিকেইজনে ওলাই ৫০ জন, ৪০ জন সকলোকে, কাৰণ যিহেতু দিব্যাংগ, তেওঁলোক শাৰিৰীকভাৱে বাধাগ্ৰস্ত। গতিকে

মই ভাৱো চৰকাৰে যদি এই ক্ষেত্ৰত সকলোকে সামৰি লয়, এটা সমষ্টিত ২০, ৩০, ৫০ জনৰ ১১ জন কৰি দিলে আৰু যদি ১০ বা ১২ জন বাকী থাকি যায় কোনোবা সমষ্টিত, তেওঁলোকক দিব্যাংগ হিচাপে আমি ভাৱো Deprive কৰাতো উচিত নহয়। গতিকে নীতিটো যদি এনেকৈ লৈ আমি ভাৱো এইটো ভাল হ'ব।

**শ্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এক মত, এনেকৈ প্ৰতিটো সমষ্টিত বা মাননীয় বিধায়ক-বিধায়িকা সকলক ১১ জনকৈ দিব্যাংগ সকলক বাচনি কৰিবলৈ দিছে। তাত মই সহমত হ'ব পৰা নাই। মই কৈছো আমাৰ বিভাগক, বিভাগৰ বিষয়া সকলক যে সকলোকে দিয়া হওঁক। কিছুমান সমষ্টিত ১১ জন নাথাকিবও পাৰে আৰু কিছুমান সমষ্টিত বেছি থাকিব পাৰে গতিকে সকলোকে সমান অধিকাৰ দিয়াৰ প্ৰয়োজন আছে বুলি মই কৈছো। ইয়াৰ ওপৰত মই বিহীত ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই দিব্যাংগ সকলক সহায়ৰ যিটো আঁচনি মোৰ সমষ্টিত চাৰ ১৮ জন মানুহ এটা পৰিয়ালৰে, পৰ্য্যায়ক্ৰমে তেওঁলোকৰ ১৮ জন অন্ধ মানুহ। আমাৰ সমাজ কল্যাণ বিভাগৰ মাননীয়া মন্ত্ৰী মহোদয়াই নিজে গৈ তাত থকা এই সকলক লগ কৰি আহিছে, চাই আহিছে। এনেকুৱা দুৰৱস্থাত আছে যে এইসকলক এতিয়ালৈ কোনো ধৰণৰ সহায় আঁচনি দিয়া হোৱা নাই। গতিকে মাননীয়া মন্ত্ৰী মহোদয়াই নিজেই গৈ চাই আহিছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি নাম কেইটা দি দিব। কাৰণ কলেই নহয়।

**শ্ৰী নুৰুল হুদা ঃ** বাইদেউৱে নিজে জানে, তেখেতে চাই আহিছে। গতিকে এই ক্ষেত্ৰত Specially এইটোৰ কাৰণে এটা ব্যৱস্থা ল'লে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি লিষ্টখন দিব। এইটো হ'ব। এতিয়া পৰৱৰ্তী প্ৰশ্ন নং ১১৫, খালেক Absent. কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** চাৰ, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, 'গ', 'ঘ' ত যিটো পালো যে ২০১৮-১৯ বছৰত ওচৰত উন্নয়নৰ প্ৰশিক্ষনৰ ব্যৱস্থা নাছিল। ঠিক আছে অধ্যক্ষ মহোদয়, প্ৰশ্ন নুঠে, প্ৰশ্ন নুঠে এইটো ঠিক আছে। কিন্তু 'ক' নং প্ৰশ্নৰ উত্তৰত পালো সংখ্যালঘু বো'ৰ্ডৰ চৰকাৰৰ পৰিকল্পনা শিতানৰ ধনেৰে এ.এন.এম., জি.এন.এম., বি.এছ.ছি. (নাৰ্ছিং), ফাৰ্মাচিষ্ট ৰ বাবে সংখ্যালঘু ছাত্ৰ-ছাত্ৰী সকলক প্ৰশিক্ষণ দিয়া কথাটো সঁচা। যদি সঁচা তেনেহ'লে ২০১৭-১৮ ৰ কাৰণে ঠিক আছে। কিন্তু আগৰ বছৰৰ যিটো এই এ.এন.এম., জি.এন.এম., বি.এছ.ছি. (নাৰ্ছিং), ফাৰ্মাচিষ্ট ৰ লিষ্টখন ক'ত? Marksheet বিলাক ক'ত? যোৱা Assembly ৰ জৰিয়তে প্ৰশ্ন হৈছিল আপোনাক কৈছিল যে Marksheet খিনি লাগে। অধ্যক্ষ মহোদয়, কিবা এটা খেলিমেলি হৈছে চাগে, নহ'লে সদায় আমি প্ৰশ্নটো সুধি থাকো কিন্তু এই যে তথ্যটো দিব লাগে এইটো নিদিয়ে। কাৰণটো কি অধ্যক্ষ মহোদয়? মই ভাৱো যে ভালকৈ এটা enquiry হ'ব লাগে আৰু চৰকাৰে যিটো transparency ৰ কথা কয় মই ভাৱো যে transparency টো maintain কৰা নাই। সেইটো কাৰণে নিশ্চয় খেলি মেলি হৈছে, কম Marks ৰ ল'ৰা-ছোৱালীকেইটাই সুবিধা পাইছে, বেছি Marks ৰ লৰা-ছোৱালীকেইটাই সুবিধা পোৱা নাই, নিশ্চয় খেলি মেলি হৈছে। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এইটো ক্ষেত্ৰত ভাল পদক্ষেপ লওঁক, ল'লে ভিতৰৰ পৰা বস্তুখিনি ওলাই আহিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ যিটো 'খ' প্ৰশ্ন আছে সেইটো বিগত বৰ্ষত, বিগত বৰ্ষ মানে ২০১৭-১৮ বৰ্ষৰ কথা কৈছো। ২০১৭-১৮ বৰ্ষত আমি কোনো প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হোৱা নাছিল। কিন্তু ২০১৮ আৰু ২০১৯ বৰ্ষত আমাৰ যিটো বৰ্তমান বৰ্ষ চলি আছে তাত আমি এ.এন.এম., জি.এন.এম., বি.এছ.ছি. (নাৰ্ছিং), ফাৰ্মাচিষ্ট এইখিনি পদৰ আমি সংখ্যালঘু ছাত্ৰ-ছাত্ৰী সকলক প্ৰশিক্ষন দিয়াতো সত্য। তেখেতে এটা কথা কৈছে যে দূৰ্নীতি হৈছে বুলি, আপোনাৰ প্ৰশ্নটোত বিগত বৰ্ষ বুলি কৈছে, ২০১৮-১৯ বৰ্ষৰ যদি আপুনি গোটেই লিষ্টখন বিচাৰিলে হৈ তেতিয়া গোটেই লিষ্টখন সদনৰ টেবুলত নিশ্চয় দিয়াৰ ব্যৱস্থা কৰিবলোহেতেন। কিন্তু আপুনি প্ৰশ্নটো কৰিছে বিগত বৰ্ষৰ। বিগত ২০১৭-১৮ বৰ্ষত আমাৰ কোনো আঁচনিয়ে লোৱা নাই আৰু তেখেতে যিটো কৈছে যে ইয়াত নিশ্চয় খেলিমেলি হৈছে enquary হ'ব লাগে, মাননীয় অধ্যক্ষ মহোদয়, আমি ২০১৮-১৯ বৰ্ষত এ.এন.এম., জি.এন.এম., বি.এছ.ছি. (নাৰ্ছিং), ফাৰ্মাচিষ্ট এইখিনিৰ ব্যৱস্থা আমি কৰিছো, ইয়াত কোনো ধৰণৰ দূৰ্নীতি হোৱা নাই। ইয়াত আমি Counseling ৰ কাৰণে যিসকল মেধাবী ছাত্ৰী আছিল তেখেত সকলক মতা হৈছে আৰু সেই মেধাবী ছাত্ৰী সকলক আমি তেওঁলোকক মাতি Counselingৰ দ্বাৰা তেওঁলোকক selection কৰিছো আৰু ইয়াত আমি caiteria ঠিক কৰিছিলো। আমাৰ সংখ্যালঘু উন্নয়ন বোৰ্ডে এটা caiteria ঠিক কৰিছিল আমাৰ ইয়াত যে 50% unreserved, তাৰপিছত ST যিখিনি আমাৰ plan ত যিখিনি আছে বা আমাৰ hillsত যিখিনি আছে, যিখিনি ধৰোক বড়ো জনগোষ্ঠীৰ লোক আছে, তাত সংখ্যালঘু খ্ৰীষ্টান বা ডিমাহাচাও বা কাৰ্বি আংলং বা মাজুলী বা বিভিন্ন আমাৰ চাহ-বাগান অঞ্চলৰ বহুতো খ্ৰীষ্টান ছাত্ৰ-ছাত্ৰী আছে, বুদ্ধিছ আছে এই লোক সকলক আমি এইবাৰ আপোনালোকে জানি সুখী হ'ব ডিমাহাচাও, কাৰ্বি আংলং আৰু বিভিন্ন চাহ-বাগিছা অঞ্চলত থকা খ্ৰীষ্টান ছাত্ৰ-ছাত্ৰী সকলকো, মাজুলী অঞ্চলৰ খ্ৰীষ্টান ছাত্ৰ-ছাত্ৰী সকলকো আমি এ.এন.এম., জি.এন.এম. ত নাম ভৰ্তিৰ সুবিধা কৰি দিছো। সম্পূৰ্ণ আমি তেওঁলোকক যোগ্যতাৰ ভিত্তিত দিছো ইয়াত কোনো ধৰণৰ খেলিমেলি হোৱা নাই, আমি percentage wise দিছো আৰু তেওঁলোকক আমি ইয়াত সুবিধা কৰি দিছো। বিগত চৰকাৰৰ দিনত এই বোৰ্ডটোত এক বিশেষ শ্ৰেণীৰ লোকৰ বাহিৰে কোনেও পোৱা নাছিল। কিন্তু এইবাৰ আমি খ্ৰীষ্টান বা বৌদ্ধ লোক সকলক ইয়াত আমি সুবিধা কৰি দিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে, সেইটো একেবাৰে অশুদ্ধ কথা কৈছে। কাৰণ আপোনালোকে বিগত ৫ বা ১০ বছৰৰ তালিকা সমূহ পৰীক্ষা কৰি চালে দেখিব যে তাত খ্ৰীষ্টান, বুদ্ধিষ্ট এই লোক সকলকো এই ক্ষেত্ৰত আগ্ৰধিকাৰ দিয়া হৈছিল। মন্ত্ৰী মহোদয়ে সদনত একেবাৰে নাই দিয়া বুলি ক'লে সেইটো অসত্য কথা হ'ব। এইটো কথা হয় যে আমাৰ দিয়া সংখ্যাটো হয়তো কম হ'ব পাৰে।

**ডাঃ মতিউৰ ৰহমান মণ্ডল, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কোৱা কথাটো সত্য নহয়। মই নিজেই এই ব'ৰ্ডৰ সদস্য আছিলো । সেই সময়ত খ্ৰীষ্টান, বুদ্ধিষ্টকে আদি কৰি সকলো লোককে এই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হৈছিল।

**মাননীয় অধ্যক্ষ ঃ-** আপোনাৰ এই কথাটো অৱশ্যে আগৰ বক্তাজনে কৈছেই। এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই চৰকাৰ খনে Minorirty Development Board খন কেতিয়া গঠন কৰিব আৰু কেতিয়া ইয়াৰ বাবে Fund মুকলি কৰি দিব? আজিৰ No. 228, Unstarred Question ৰ জড়িয়তে মোৰ এটা প্ৰশ্ন আছিল যে এই চৰকাৰ গঠনৰ প্ৰথম বৰ্ষৰ পৰা পুঁজি মোকলাই দিছে নেকি? কাৰণ বিগত দুটা বৰ্ষত অৰ্থাৎ 2016-17 আৰু 2017-18 বৰ্ষৰ পুঁজি আৱন্টনৰ ক্ষেত্ৰত No amount has been earmarked in the Budget provision বুলি লিখা আছে। এইবাৰ আকৌ under process for sanction বুলি লিখিছে। সেইকাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট ভাৱে জানিবলৈ বিচাৰিছো যে - (1) Minorirty Development Board খন কেতিয়া গঠন কৰিব আৰু কেতিয়া ইয়াৰ বাবে Fund মুকলি কৰি দিব? মাননীয় মন্ত্ৰী মহোদয়ে দিম, দিব, বিবেচনাধীন হৈ আছে এই ধৰণে উত্তৰ দিলে নহ'ব, স্পষ্টকৈ ক'ব লাগিব। (2) মাননীয় মন্ত্ৰী মহোদয়ে অলপ আগতে এটা কথা কলে যে পূৰ্বৰ চৰকাৰৰ সময়ত এটা বিশেষ শ্ৰেণীৰ লোকে ছিট পাইছিল ANM, GNM ত। এজন মন্ত্ৰী হৈ পৱিত্ৰ বিধান সভাত এনে ধৰণৰ অসত্য কথাখিনি ক'ব নালাগিছিল।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে, দুই পক্ষই কি কৈছে ইয়াত ৰেকৰ্ড হৈ আছে । মই মন্ত্ৰীৰ পৰা প্ৰথম প্ৰশ্নৰ উত্তৰ বিচাৰিছো।

**শ্ৰী ৰঞ্জীত দত্ত, মন্ত্ৰী, ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী আৰু ডাঃ মতিউৰ ৰহমান মণ্ডল ডাঙৰীয়াই পূৰ্বৰ চৰকাৰৰ সময়ত এটা বিশেষ শ্ৰেণীক অগ্ৰাধিকাৰ দিয়া নাই বুলি কৈছে, কিন্তু এইটো কথাও সত্য যে সেই সময়ত কাৰ্বি-আংলং, ডিমাহাচাও বা মাজুলীৰ আদি অঞ্চলৰ পৰা কেতিয়াও খ্ৰীষ্টান, বুদ্ধিষ্ট বা মুছলিম সম্প্ৰদায়ৰ কোনোৱেই ANM, GNM ত ছিট পোৱা নাছিল।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী আপুনি বিগত বৰ্ষৰ কথালৈ নাহিব। আগৰ চৰকাৰৰ দিনত কি হল কৈ অযথা বিতৰ্কৰ সৃষ্টি কৰি সময় নষ্ট নকৰিব।

**শ্ৰী ৰঞ্জীত দত্ত, মন্ত্ৰী, ঃ-**মাননীয় অধ্যক্ষ মহোদয়, কাৰ্বি-আংলং, ডিমাহাচাও বা মাজুলীৰ আদি অঞ্চলৰ লোক সকল কিয় বঞ্চিত হৈ থাকিব! আমাৰ কথাটো হ'ল সকলো জিলাৰ পৰাই পাব লাগে।

**(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)**

**Hon'ble Speaker ঃ-** Quite please.This is question Houre. So don't waste your valuable time. Minister Please, you address to me and continue your speech.

**শ্ৰী ৰঞ্জীত দত্ত, মন্ত্ৰী, ঃ-** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ Minorirty Development Board গঠনৰ সম্পৰ্কত জনাব বিচাৰো যে State Level ত ইতিমধ্যে সংখ্যালঘু উন্নয়ণ বৰ্ড গঠন কৰা হৈছে District Level আৰু Sub-divisional Level টো সংখ্যালঘু উন্নয়ণ বৰ্ড গঠনৰ কাম আমি অতি সোনকালে আৰম্ভ কৰিম। দ্বিতীয়তে, এইবাৰ আমি ২০১৮-১৯ বৰ্ষত ANM, GNM ত পুঁজি দিছিলো, কিন্তু কিছু খেলি-মেলিৰ বাবে সময়মতে এইবোৰ ব্যৱস্থা কৰিব নোৱাৰাৰ বাবে পইছাটো আমি খৰছ কৰিব পৰা নাছিলো। কিন্তু এইবাৰ আমি গোটেইখিনি পুঁজি মোকলাই দিবলৈ সক্ষম হ'ম।

**মাননীয় অধ্যক্ষ ঃ-** এইবাৰ হাফিজ বছিৰ আহমেদ।

**হাফিজ বছিৰ আহমেদ, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহাশয়, অসমৰ বিভিন্ন অঞ্চলৰ পৰা সংখ্যালঘু সম্প্ৰদায়ৰ বহুতো ছোৱালী গুৱাহাটী মহানগৰীত কেৱল ANM, GNM বা BSc Nursing ই নহয়, আন্যান্য শিক্ষানুষ্ঠানতো অধ্যয়ণৰ বাবে আহে, সেইবাবে আপোনাৰ যোগেদি মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে সংখ্যালঘু উন্নয়ণ পুঁজিৰ পৰা এই মহানগৰীত সংখ্যালঘু ছোৱালীৰ বাবে হোষ্টেলৰ ব্যৱস্থা কৰিব নেকি ?

**শ্ৰী ৰঞ্জীত দত্ত, মন্ত্ৰী, ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যি অ'ডি গাড়ী কিনাৰ কথা কৈছে - - - -

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী ডাঙৰীয়া আপুনি আগতে তেখেতৰ প্ৰশ্নটোৰ উত্তৰটো দি লওঁক, মই আপোনাক এই সংক্ৰান্তত পাচত কবলৈ সময় দিম। - - - **(সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)** - - - - Please Mr. Kurmi, keep quite please.

**শ্ৰী ৰঞ্জীত দত্ত, মন্ত্ৰী ঃ-** মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই ক'বলৈ বিচাৰিছো যে - গুৱাহাটী মহানগৰীত সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰীৰ হোষ্টেল নিৰ্মানৰ বাবে যি পৰামৰ্শ আগবঢ়াইছে, সেইটো সঁচাকৈয়ে খুউব ভাল পৰামৰ্শ, মই এই সংক্ৰান্তত পৰৱৰ্তী পৰ্যায়ত কথাটো বিবেচনা কৰি চাম।

দ্বিতীয়তে, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কাক অ'ডি গাড়ী কিনাৰ কথা কৈছে - - - **(সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)** - - - - আমাৰ চৰকাৰৰ দিনত কিন্তু অ'ডি গাড়ীও কিনা নাই আৰু মাৰুতি গাড়ীও কিনা নাই। আমাৰ চৰকাৰৰ দিনত কোনো ধৰণৰ দুৰ্নীতি হোৱা নাই।

**Hon'ble Speaker ঃ-** Are you interested to put the question ? Why do you sitting so ?

**মাননীয় অধ্যক্ষ ঃ-** এইবাৰ বিধায়ক শ্ৰীপবিন্দ্ৰ ডেকা।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্য খনত প্ৰায় ৬ টা কয়লা খনি আছে, কিন্তু ইয়াৰ উৎপাদনটো লক্ষণীয় ভাৱে কম হোৱা দেখা যায়। মই মাত্ৰ এটা কয়লা খনিৰ উদাহৰণ দিব বিচাৰিছো, সেইটো হল "**খটাৰদাৰ**"। এই খনিটোত ২০১৫ -১৬ চনত ১২,৩০০ মেট্ৰিক টন উৎপাদন হৈছিল। ২০১৬-১৭ চনত কমি ৮,৯১৩ মেট্ৰিক টন উৎপাদন হল। আকৌ ২০১৭-১৮ চনত একেবাৰে কমি গৈ মাত্ৰ ২৭৮৬ মেট্ৰিক টন উৎপাদন হল। ২০১৮-১৯ চনত অলপ বাঢ়ি ১৯৫৫ মেট্ৰিক টন উৎপাদন হল। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে (১) এই উৎপাদনৰ হ্ৰাস-বৃদ্ধিৰ কাৰণ আমি সচৰাচৰ বাতৰি কাকত, টি ভি আদিত পাই থকা কয়লা চিণ্ডিকেট ৰ বাবে হৈছে নেকি ?

(২) আজি কেইবা বছৰ ধৰি বিধান সভাতেই নহয়, টি ভি, বাতৰি কাকত আদিত এই বিষয়টো প্ৰকাশিত হৈ আহিছে আৰু তদন্তও দিছে। আনকি Chief Zoologist এ 02-12-2018 তাৰিখে FIR ও দিলে, এতিয়া মই সুধিব খুজিছো যে- FIR দিয়াৰ দুমাহ পাৰ হৈ গ'ল। এই দুমাহত ৰাজনৈতিক, প্ৰশাসনিক. শীৰ্ষ পুলিচ বিষয়া বা চিণ্ডিকেট কৰি থকা ব্যক্তিয়েই হওঁক, কাৰোবাক গ্ৰেপ্তাৰ কৰিলে নেকি ? এই প্ৰশ্নদুটাৰ উত্তৰ মই মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীৰ পৰা বিচাৰিছো

**Hon'ble Speaker** : I think Shri Naba Kumer Doley will give the answer.

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে আমাৰ কয়লা খনিৰ উৎপাদনৰ পৰিমাণৰ পাৰ্থক্যৰ কথা কৈছে। যিহেতু Mines and Minerals ত কয়লাৰ খাদত বিভিন্ন ধৰণৰ লেয়াৰ কিছুমান থাকে, এই লেয়াৰ কেইটাত কেতিয়াবা মাটি ওলায় আৰু এই লেয়াৰ বিলাকত বিভিন্ন ধৰণৰ বস্তু থকাৰ কাৰণে কয়লা উৎপাদনৰ ক্ষেত্ৰত কেতিয়াবা পাৰ্থক্য হয়। দ্বিতীয়তে, কয়লা চিণ্ডিকেট সম্পৰ্কে যিটো বিষয় আছে এই বিষয়খিনি ইতিমধ্যে বিভাগে চি আই ডি ক তদন্ত কৰিবলৈ দিয়াৰ কাৰণে ব্যৱস্থা লৈছে আৰু চি আই ডি য়ে ইতিমধ্যে ১১ খন বে-আইনী কয়লা ভৰ্ত্তি ট্ৰাক জব্দ কৰিবলৈ সক্ষম হৈছে আৰু বিভিন্ন মাধ্যমৰ জৰিয়তে কয়লা খনিত চিণ্ডিকেট চলি থকাৰ বিষয়ে বিভাগৰ দৃষ্টিগোচৰ হৈছে যদিও বিভাগৰ হাতত specific তথ্য নাই। এই বিষয়টোৰ মই মহামান্য উচ্চতম ন্যায়ালয়েও নিজাকৈ এখন পি আই এল দাখিল কৰিছে। এইক্ষেত্ৰত Mines and Minerals ৰ সঞ্চালক, অসম এ লেখাপানী আৰু মাৰ্ঘেৰিটা আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১১ খন ট্ৰাক জব্দ কৰিছে। সেই ট্ৰাকৰ ড্ৰাইভাৰ বিলাকক সোধপোচ কৰিলে সেই ট্ৰাক বিলাক অবৈধ খনন কাৰ্য্য কৰি কোনে চোৰ কৰি আনিছে অন্ততঃ ধৰা পৰিব। আজি দুমাহ আগতSenior Geologist এ ২ ডিচেম্বৰত এফ আই আৰ দিছে। এতিয়ালৈকে কোনো এজনকে গ্ৰেপ্তাৰ কৰিব নোৱাৰটো ৰহস্যপূৰ্ণ। এই কথাবিলাকত চৰকাৰে অলপ গুৰুত্ব দিব লাগে কাৰণ ভাৰতবৰ্ষৰ ভিতৰত কয়লা উৎপাদনত অসমৰ স্থান আজিৰ পৰা ১০--১৫ বছৰ আগতে এক নম্বৰত আছিল। য'ত আমি ১০০ কোটি টকা বছৰি পাব লাগে ২০১৫-১৬ পাইছো মাত্ৰ ৩২.২৭ কোটি টকা, ২০১৬-১৭ পাইছো মাত্ৰ ৩৪.৬২ কোটি টকা, ২০১৭-১৮ পাইছো মাত্ৰ ৪৫.৮৯ কোটি টকা, ২০১৮-১৯ জানুৱাৰীলৈকে পাইছো মাত্ৰ ৩৫.১৩ কোটি টকা। আমাৰ এই কয়লা খনিৰ পৰা কয়লাৰ উৎপাদন অনুসৰি বছৰি ১০০ কোটি নহ'লৈও ৮০ কোটি ৰাজহ অহাটো প্ৰয়োজন বা আহিব লাগে। গতিকে এই বিষয়টো অলপমান গুৰুত্ব সহকাৰে চাব লাগে। অকল চি আই ডি ক দায়িত্ব দিলেই নহয়। এটা উচ্চ পৰ্য্যায়ৰ তদন্তৰ মই দাবী কৰিছো কাৰণ যদি ৰাজ্যখনৰ চাৰিওফালে এনেকৈ চিণ্ডিকেট হৈ থাকে, যদি ব্যৱসায় বিলাক এনেদৰে বন্ধ হৈ যায় আৰু ৰাজহ যদি এনেকৈ বাঢ়ি নাথাকে বা বন্ধ হৈ যায় তেনেহ'লে ৰাজ্যখন চলিব কেনেকৈ? গতিকে এই বিষয়ত চৰকাৰে বিশেষ গুৰুত্ব দিব লাগে আৰু উচ্চ পৰ্য্যায়ৰ তদন্ত এটা কৰিব লাগে।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ ইতিমধ্যে চি আই ডি ৰ তদন্ত চলি আছে। মাননীয় সদস্য গৰাকীয়ে যিটো বিষয়ে কৈছে আশা ৰাখিছো নিশ্চয় তদন্তৰ আওঁতাত এই কথাবিলাক সময়ত ওলাই পৰিব আৰু ৰাজহৰ বিষয়টো ২০১৫-১৬ ত ৩২ কোটি, ২০১৬-১৭ ত ৩৪ কোটি, ২০১৭-১৮ ত ৪৫ কোটি আৰু এইবাৰ ২০১৮-১৯ ত ৩৫ কোটি টকাৰ ৰাজহ ইতিমধ্যে সংগ্ৰহ হৈছে। যিহেতু কয়লাখনিত খৰালি মাহতে কাম বিলাক হয় আৰু এই সময়লৈকে যিহেতু তিনিমাহ বাকী আছে গতিকে আশা ৰাখিছো যোৱা বিত্তীয় বৰ্ষতকৈ নিশ্চয় ৰাজহ বৃদ্ধি হ'ব আৰু ৰাজহ বৃদ্ধিৰ কাৰণে আমি যিমানখিনি পাৰো চৰকাৰৰ ফালৰ পৰা প্ৰয়াস ৰাখিম, বিভিন্ন সময়ত কয়লা সমূহৰ গুণগত মানদণ্ডৰ কাৰণে ৰেটটো বঢ়া টুটা হৈ থাকিব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। কাৰণ এইকাৰণেই কৈছো যে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ এই পি আই এল কেচ কৰিব লগীয়া হৈছে আৰু ভালদৰে জানো ইতিমধ্যে Coal India ৰ CGM য়েও এটা অভিযোগ

দিছিল যে যদি এনেধৰণে অবাধ গতিত অবৈধ কয়লা খনন কাৰ্য্য যদি চলে তেতিয়াহ'লে আৰু কেইবছৰ মানৰ ভিতৰতে ইয়াত এই সম্পদটো আৰু নাথাকিব। মই জানো যে প্ৰত্যেকদিনাই ১৫০-২০০ খন ট্ৰাকে অবৈধ ভাৱে খনন কৰি আছে যাৰফলত প্ৰত্যেকদিনাই দুই কোটিকৈ টকাৰ ৰাজহ আজি হেৰুৱাব লগীয়া হৈছে। সেয়ে অধ্যক্ষ মহোদয়, মই গোটেই বিষয়টো চি আই ডি নহয় চি বি আই ৰ দ্বাৰা তদন্ত কৰিব লাগে বুলি মই আজি ইয়াত দাবী জনাইছো। গতিকে মই আপোনাৰ জৰিয়তে আৰু ৰাজ্য চৰকাৰেও এগ্ৰি হ'ব কাৰণ শূন্য সহনশীলতাৰ কথা তেওঁলোকে কৈছে। যিহেতু শূন্য সহনশীলতাৰ কথা কৈছে গতিকে চি বি আই ৰ তদন্ত দিয়াত ৰাজ্য চৰকাৰেও নিশ্চয় সন্মতি প্ৰকাশ কৰিব।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে আমি চি আই ডি ৰ লগত যোগাযোগ কৰি যাতে উচিত ভাৱে তদন্ত প্ৰক্ৰিয়াৰ ব্যৱস্থা কৰিম,সেই কথা মই অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অতুল বৰা ।

**শ্ৰী অতুল বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো মাননীয় সদস্য পবিন্দ্ৰ ডেকাই কওঁতে তেখেতে তথ্য নাই বুলি কৈছে। বাতৰি কাকতত যিবিলাক বাতৰি ওলাইছে তাত চৰকাৰে কোনোধৰণৰ গুৰুত্ব নিদিয়ে নেকি? দ্বিতীয়তে, যদি গুৰুত্ব দিয়ে চিণ্ডিকেট বিলাকৰ মানুহৰ নাম পৰ্য্যন্ত কাকতত ওলাইছে, কি ব্যৱস্থা লৈছে? এই বিষয়ে থানাত বেলেগকৈ কিবা আবেদন কৰিব লাগিব নেকি? বাতৰি কাকত বিলাকৰ যদি মূল্যই নাই তেন্তে কোটি কোটি টকাৰ বিজ্ঞাপন বাতৰি কাকত বিলাকত কিয় দিয়ে? এই মূল্য থকা বাতৰি বিলাক চৰকাৰে নেদেখে নেকি? কিমান ধৰণৰ চিণ্ডিকেটৰ কথা, কয়লা চিণ্ডিকেটৰ কথা বাতৰি কাকতত ওলাই আছে, সেই মানুহ বিলাকৰ আঁৰত কোন আছে চৰকাৰে সেই বিলাকক ধৰিব নালাগে নেকি? ৰাজনৈতিক ভাৱে যদি সহায় কৰা হয় তেনেহ'লে এনেধৰণৰ অনীতি, অনিয়ম চলি থাকিব। মই পবিন্দ্ৰ ডেকা আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ সুৰতেই ক'ব বিচাৰিছো যে চিণ্ডিকেট বন্ধ কৰিব লাগে আৰু এইবিলাকৰ তথ্য নাই বুলি মন্ত্ৰীয়ে ক'ব নালাগে। এইখিনিয়েই মোৰ ক'বলগীয়া।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এই বিষয়টো বিভিন্ন মাধ্যমৰ জৰিয়তে আমাৰ দৃষ্টি গোচৰ হৈছে, সেই বাবে CID ক তদন্ত কৰিবৰ বাবে দায়িত্ব অৰ্পণ কৰিছো। ইতিমধ্যে ৫ খন জিলাৰ উপায়ুক্ত আৰু আৰক্ষী বিষয়াক ইয়াৰ তদন্তৰ ভাৰ আমি ইতিমধ্যে দায়িত্ব অৰ্পণ কৰিছো। আমাৰ চৰকাৰৰ দিনত এনেধৰণৰ কোনো ছিণ্ডিকেটৰ ব্যৱস্থা নাই আৰু যদি প্ৰমাণ হয় আমি উচিত ব্যৱস্থা গ্ৰহণ কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰাজদীপ গোৱালা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰাজদীপ গোৱালা, বিধায়ক (লক্ষীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ব্যাপারে আমরা সবসময় সংবাদ মাধ্যমে পেয়ে থাকি যে বরাকে কয়লা সিণ্ডিকেট চলছে। এমনকি রুলিং পার্টির বিধায়করাও বলছেন কয়লা সিণ্ডিকেট চলছে। আমাদের শিলচরেও রুলিং পার্টির বিধায়ক বলছেন একটি ট্রাক থেকে ৬০ থেকে ৭০ হাজার টাকা সিণ্ডিকেটের মাধ্যমে সংগ্রহ করা হচ্ছে । সংবাদ মাধ্যমে এক প্রকাশিত খবরের কাগজে লিখা ছিল কাছাড়ের এসপি সরাসবি ভাবে এ বিষয়ে জড়িত। কিন্তু এখন পর্যন্ত ওনার ওপর কোন তদন্ত করা হয়েছে কি না? বিশেষ করে এই বিষয়ে আমি মন্ত্রী মহোদয়কে অনুরোধ করব সিআইডি, সিভিআই দিয়ে তদন্ত না করে যদি একজন অবসর প্রাপ্ত চিফ জাস্টিস হাইকোর্টের আণ্ডারে একটি কমিটি গঠন করে যদি তদন্ত করা হয়।

আমাৰ মনে হয় এটি একটি নিৰপেক্ষ তদন্ত হবে। এটাই আমাৰ পৰামৰ্শ থাকবে।

**माननीय অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বিষয় উত্থাপন কৰিছে, যদি কিবা স্পেচিফিক গোচৰ থাকে তেনেহ'লে নিশ্চয় আমি ব্যৱস্থা গ্ৰহণ কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য ড° নোমল মোমিন ডাঙৰীয়াই কওঁক।

**ড° নোমল মোমিন, বিধায়ক (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কয়লা ক'লা এই কথাটো সত্য। কিন্তু কয়লাৰ লগত জড়িত সকলোবোৰ কথাই এশ শতাংশ সত্য নহয়। কয়লা দেখাৰ লগে লগে আমি কওঁ যে এইটো ছিণ্ডিকেটৰ কয়লা। আমাৰ উদ্যোগ হ'বৰ বাবে কয়লাৰ প্ৰয়োজন আছে। কিন্তু বহুত সময়ত বৈধভাৱে অহা কয়লাসমূহ আমি ছিণ্ডিকেটৰ কয়লা বুলি সন্দেহ কৰো। আমাৰ অসমত কিছু কিছু স্থানত গোপন ভাৱে কয়লাৰ খনন চলি আছে। মই ভাৱো যে এইটো বৈধ কৰিব লাগে আৰু তেতিয়া  বৈধভাৱে খনন কৰা হ'ব, তেতিয়া কয়লাৰ নামত হৈ থকা পৰিৱেশ প্ৰদূষণ, Health Hazard, কয়লাৰ ছিণ্ডিকেটৰ নামত  আনক বদনাম দি থকা এই সকলোবোৰ কথা বন্ধ হৈ যাব। সেয়েহে মাননীয় অধ্যক্ষ মহোদয় যিমানখিনি কয়লা আছে, সেইটো বৈধ কৰাৰ ব্যৱস্থা ল'বৰ বাবে অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় দেৱব্ৰত শইকীয়াদেৰে কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিধায়ক, বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে, ইয়াৰ আগতে যোৱা বিধান সভাৰ আলোচনাত মই এটা CBI তদন্তৰ দাবী কৰিছিলো। তেতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে তাৰ উত্তৰত CID  তদন্তৰ ঘোষণা কৰিছিল। সেইসময়ত মই কৈছিলো যে অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয়কে আদি কৰি ৰাজ্যৰ পৰা এনেধৰণে কয়লা আৰু অন্য ছিণ্ডিকেট চলি আছে। যিহেতু এই বিধান সভাত তেখেতে তদন্তৰ ঘোষণা কৰিছিল। গতিকে ইয়াত এই তদন্তৰ প্ৰতিবেদন অতি সোনকালে দাখিল কৰিব লাগে যাতে আমি অতি সোনকালে ইয়াত আলোচনা কৰিব পাৰো।

**শ্ৰী দিলীপ পাল, বিধায়ক, (শিলচৰ) ঃ** মাননীয় অধ্যক্ষ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমরা ছোটবেলা রামায়ণে পড়েছিলাম একটি বাক্যবন্ধ— "এ কি কথা শুনি আজ মন্থরার মুখে।" যারা ৫৫ বছর ধরে দেশকে লুটেপুটে খেয়েছে তাদের কোনও অধিকার নেই সিণ্ডিকেট নিয়ে কথা বলার। করাপশনের বিরুদ্ধে কথা বলার তাদের কোন নৈতিক অধিকার নেই। আমাদের সরকার, আমাদের মুখ্যমন্ত্রী সিআইডি তদন্ত  ঘোষণা করেছেন এবং ব্যবস্থাও নিয়েছেন। এসপি-কে ট্র্যান্সফার করা হয়েছে। দুর্নীতি নিয়ে কথা বলার অধিকার তাদের নেই। আর এ বিষয়ে চিন্তার কোনও কারণ নেই। আমাদের সরকার ব্যবস্থা নেবে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-১১৭। আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই কওঁক।

**শ্ৰী আবুল কালাম ৰছিদ আলম, বিধায়ক (গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্ন কৰিছিলো যে আমাৰ অসমত কিমান অঙ্গনবাড়ী কেন্দ্ৰ আছে আৰু ইয়াত কিমানটা পদ খালী হৈ আছে? এই পদসমূহ কেতিয়া পূৰণ কৰিব? অঙ্গনবাড়ী কেন্দ্ৰসমূহ ভাড়া ঘৰত চলি আছে, ইয়াৰে কিমানটা ভাড়া দিবলৈ বাকী আছে? এই খালী পদসমূহ পূৰণ কৰাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ায়ে এখন চিঠি দিছে, তাৰ বাবে মন্ত্ৰী মহোদয়াক ধন্যবাদ জ্ঞাপন কৰিছো। এই খালী পদসমূহ পূৰণ কৰাৰ বাবে এখন কমিটী গঠন কৰি দিয়া হৈছিল। কিন্তু দেখা গৈছে যে কমিটীত গোটেইখিনি

আমাৰ চৰকাৰী বিষয়াহে আছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিব বিচাৰিছো যে ইয়াত আমাৰ বিধায়কৰ নমিনীয়ে হওঁক বা প্ৰতিনিধিয়ে হওঁক বা সমাজ কৰ্ম্মীক অন্তৰ্ভুক্ত কৰিব নেকি ? ইয়াৰ উপৰিও যি সমূহ অঙ্গনবাড়ী কেন্দ্ৰ ভাড়া ঘৰত আছে, তাৰে প্ৰায় ৪ কোটিতকৈও অধিক ভাড়া এতিয়ালৈ দিয়া হৈছে। কিন্তু দুই কোটিতকৈও অধিক ভাড়া দিবলৈ বাকী আছে,সেইখিনি অতি সোনকালে দিব লাগে আৰু কিমান দিনৰ ভিতৰত দিব ? লগতে ক'ব বিচৰিছো যে ভাড়া ঘৰত যিবোৰ অঙ্গনবাড়ী কেন্দ্ৰ চলি আছে, সেইবোৰ স্থায়ীভাৱে ক'ৰবাত চলাৰ ব্যৱস্থা কৰিব নেকি ? **মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে উত্তৰ দিয়ক।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজ কল্যাণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি সমূহ অঙ্গনবাড়ী কেন্দ্ৰৰ নিজাববীয়া ঘৰ নাই, তাত ঘৰ বনোৱাৰ বাবে আমাৰ স্কীম আছে। কিন্তু তেওঁলোকৰ হাতত মাটি থাকিব লাগিব। যদি তেওঁলোকৰ মাটি আছে, তেনেহ'লে তেওঁলোকে নতুন ঘৰ পোৱাৰ সুবিধা পাব। যিসকল ভাড়া ঘৰত আছে, তেওঁলোকে যদি আমাক প্ৰস্তাৱটো পঠিয়াই দিয়ে, তেনেহ'লে তেওঁলোকক ভাড়া দিয়াৰ বাবে আমাৰ যথেষ্ট পুঁজি আছে। কিন্তু প্ৰস্তাৱটো আমি সময়মতে পাব লাগিব আৰু সময়মতে পালে বছৰৰ ভাড়াটো দিয়াত চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা আছে তাত কোনো সন্দেহ নাই। অঙ্গনবাড়ীৰ ঘৰসমূহ মেৰামতিৰ বাবে আমাৰ হাতত পইচা আছে। ইয়াৰ ওপৰত যোৱা সদনত মই এখন চিঠি দিছিলো যে যিসমূহ অঙ্গনবাড়ী কেন্দ্ৰ জৰাজীৰ্ণ অৱস্থাত আছে সেইবোৰ মেৰামতিৰ কাৰণে প্ৰত্যেকটো সমষ্টিতে 18 লাখ টকাকৈ দিছো। কিন্তু প্ৰস্তাৱটো সকলোৱে দিয়া নাই। যাৰ ঘৰ নাই মাটি আছে, তেওঁলোকৰ ঘৰটো ভালকৈ নিৰ্ম্মাণ কৰিবলৈ আমি ব্যৱস্থা কৰিম যদি আপোনালোকে প্ৰস্তাৱবোৰ পঠিয়ায়।

**শ্ৰী আবুল কালাম ৰছিদ আলম, বিধায়ক (পূব গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰাৰ পিছত আমি যেতিয়া চাপ্লিমেণ্টৰী কৰো, তাৰে ৪টা কৰিলে এটাৰ উত্তৰ দিয়ে।ইয়াৰ আগতেও মই কেইবাবাৰো প্ৰশ্ন কৰিছো। কিন্তু এজনো মন্ত্ৰীৰ পৰা সম্পূৰ্ণ উত্তৰ আজিলৈকে পোৱা নাই। মই সুধিছিলো যে যিকেইটা খালী পদ আছে, সেইবোৰ পূৰণৰ এই খালী পদসমূহ পূৰণ কৰাৰ বাবে এখন কমিটি গঠন কৰি দিয়া হৈছিল।. মই জানিব বিচাৰিছো যে ইয়াত আমাৰ বিধায়কৰ নমিনীয়ে হওঁক বা প্ৰতিনিধিয়ে হওঁক বা সমাজ কৰ্ম্মীক অন্তৰ্ভুক্ত কৰিব পাৰিব নেকি? ইয়াৰ উত্তৰটো নিদিলে। মই মন্ত্ৰী মহোদয়াক ধন্যবাদ দিছো যে আমাক মেৰামতিৰ বাবে প্ৰত্যেক সমষ্টিত ১৮ লাখ কৈ টকা দিছে। মোৰ সমষ্টিত দুটা প্ৰজেক্ট আছে। প্ৰায় ৪০০ অঙ্গনবাড়ী কেন্দ্ৰ আছে। এতিয়া যদি আমি এটা কেন্দ্ৰ ৫০ হাজাৰকৈ ধৰো আমি কেইটা কেন্দ্ৰক পইচা দিব পাৰিম। যাৰ ফলত কাজিয়াৰ সৃষ্টি হৈছে। এটাও অঙ্গনবাড়ী কেন্দ্ৰ সম্পূৰ্ণভাৱে ভাল অৱস্থাত নাই। মই বাইদেউক টকা দিয়াৰ বাবে ধন্যবাদ জনাইছো । কিন্তু আমাৰ আৰু টকাৰ প্ৰয়োজন আছে। তাৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী, সমাজ কল্যাণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমাৰ বাজেটত মেৰামতিৰ বাবে ২৪ কোটি টকা আছে, সেয়েহে সকলোৱে পোৱাকৈ ১৮ লাখ টকা দিয়া হৈছিল। পৰ্যায়ক্ৰমে, অহা বছৰ মেৰামতিৰ বাবে আৰু টকা দিব পাৰিম। সেই কাৰণেই মই কৈছো আপোনালোকে মাটি দিয়ক আৰু মাটি দিলে আমি নতুন ঘৰ বান্ধিব পাৰিম। তাৰোপৰি, আপুনি Selection Committee ত Public body ৰ পৰা social worker হিচাপে কোনোবা ব্যক্তিক অন্তৰ্ভূক্ত কৰিব পাৰি নেকি সুধিছিল, কিন্তু এইটো সমীচিন বুলি ভৰা নাই। কাৰণ, এই ক্ষেত্ৰত নিযুক্তিৰ ক্ষেত্ৰত বিভাগীয় প্ৰক্ৰিয়া মতে লোৱা হয়। গতিকে তাত যদি

Publicৰ ফালৰ পৰা কোনো ব্যক্তিক লোৱা হয় তেন্তে, দুর্নীতি হোৱাৰ সম্ভাৱনা থাকে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া, আজিজ আহমেদ খাঁন।

**মাননীয় সদস্য শ্রী আজিজ আহমেদ খাঁন, (দক্ষিণ কৰিমগঞ্জ):-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়া বললেন যে বিষয়া থাকিলে ভালো। জনসাধারণ না থাকিলে ভালো। আমার করিমগঞ্জ জেলাতে এই সরকার আসার ১ বছর আগে থেকে D.S.W. নেই। President, Chairman যদি না থাকে তাহলে কমিটি কিভাবে হবে? আর আমার একটি প্রশ্ন ছিল, ১২৮ নং। এখানে দেওয়া হয়েছে Worker and Helper আমার সমষ্টিতে কত জন বাকি আছে? উত্তর দেওয়া হয়েছে জেলাতে ৬ জন বাকি আছে। C.D.P.O । আমার প্রশ্নের উত্তরও ঠিক করে পাইনি। করিমগঞ্জ জেলায় ৩ বছর থেকে D.S.W. নেই। Chairman যদি না থাকে, C.D.P.O হল Member & Secretary । Chairman যদি Member & Secretaryর কাজ সব করে থাকে তাহলে কিভাবে চলবে? আরোও একটা কথা যে আমরা সব সদস্যই জানি যে আমার করিমগঞ্জ জেলার কথা বলছি। ভাড়া ঘরে অঙ্গনওয়াড়ি কেন্দ্র চলার কথা বলা হয়েছে। আমার মনে হয় না, আমাদের মন্ত্রী মহোদয়া যাবেন ১৩ তারিখে আমাদের জেলায়। কিন্তু একটা ঘরও ভাড়া আছে বলে আমার মনে হয় না। আমিও এই মিটিংএ থাকি। আমি আজ এই সদনে বলছি এই কথাটা সত্য নয়। আমাদের জেলায় একটি ঘরও ভাড়া নেই। কাগজপত্রে ভাড়া দেখানো হচ্ছে। আমার সমষ্টিতে ৪১৩ টি সেন্টার আছে তার মধ্যে একটাও ভাড়া নেই। গ্রামের মানুষ বলেন এখানে কেন্দ্র থাকলে ভালো, সেখানে থাকলে ভালো। এরকম কিছু sympathy দেখানো হয় বলে আমি জানি। অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়া এটির উত্তর দিলে আমি খুশি হব।

**শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম, মাননীয় মন্ত্রী, সমাজ কল্যাণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অহা ১২ তাৰিখে বৰাক উপত্যকালৈ যাম আৰু আজিজ আহমেদ ডাঙৰীয়া, আপুনি লগত থাকি তাৰ অসুবিধাসমূহ দেখুৱাই দিব তেতিয়া সেইবোৰ দূৰ কৰাৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিম।

আনহাতে, আপুনি তাত D.S.W নথকাৰ কথা কৈছে। হয়, তাত D.S.W নাই। কিন্তু, A.D.C. সকলৰ মাজৰ পৰাই এজনক in-charge পাতি দিয়া হয়। কিছুমান জিলাত D.S.W আৰু C.D.P.O নথকাও মই দেখিবলৈ পাইছো। আপোনালোকক Superviser, C.D.P.O. দিয়াৰ বাবে ব্যৱস্থা হাতত লৈছিলো। কিন্তু, তেওঁলোকে তালৈ যাব নিবিচাৰে। তাত তেওঁলোকক transfer দি posting দিয়াৰ ব্যৱস্থা কৰিলেও তেঁলোকে সেই সময়ত ঘৰৰ কোনোবা সদস্যৰ বেমাৰৰ অজুহাত দি যাব নিবিচাৰে। সেয়েহে বৰাক উপত্যকাত regular District Officer, C.D.P.O. দিয়াৰ বাবে এতিয়ালৈকে আমি সক্ষম হোৱা নাই। এইবোৰ কাৰণতে বৰাক উপত্যকাত যি ধৰণে কাম হ'ব লাগিছিল সেই ধৰণে হোৱা নাই।

**মাননীয় অধ্যক্ষঃ** এতিয়া অমৰ চান্দ জৈন।

**শ্রী অমরচাঁদ জৈন :-** মাননীয় অধ্যক্ষ মহোদয়, আমি প্রায় ছয় মাস আগে মন্ত্রী মহোদয়কে প্রশ্ন করেছিলাম আমার সমষ্টিতে প্রায় ৬০০টি অঙ্গনওয়াড়ি কেন্দ্র আছে। তাব মধ্যে ২০০টি কেন্দ্রে এখনও ঘর বানানো হয় নি। ৩০০টি কেন্দ্র তুফানে ভেঙে গিয়েছে। সেই সব ঘরে কীভাবে অঙ্গনওয়াড়ি ক্লাশ করা যাবে? মন্ত্রী মহোদয়া বলেছেন, আপনার সমষ্টিতে বিশেষ করে একটা প্যাকেজ দেব। কিন্তু আজ পর্যন্ত আমি আমার সমষ্টিতে কোনও টাকা পাইনি। অধ্যক্ষ মহোদয়, খুবই দুঃখের বিষয় এক বছর, তিন বছর, পাঁচ বছরের বাচ্চারা এই অঙ্গনওয়াড়ি কেন্দ্রে কোথায়

বসবে, কোথায় খাবে, কোনও ধরনের ব্যবস্থা নেই আমার সমষ্টির ৩০০টি অঙ্গনওয়াড়ি কেন্দ্রে। আমি মন্ত্রী মহোদয়াকে বলব যদি উনি একবার আমার সমষ্টিতে যান।সেখানে গিয়ে পরিদর্শন করলে বুঝতে পারবেন অঙ্গনওয়াড়ির আসল অবস্থা কি?

**মাননীয় অধ্যক্ষঃ** এতিয়া দেৱানন্দ হাজৰিকা।

**মাননীয় সদস্য শ্ৰী দেৱানন্দ হাজৰিকা, ( বিহপুৰীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা প্ৰশ্ন আহিছে- 'Inclusion of representative from M.L.A or M.P. in the Interview Board.' I request not to do that.

**মাননীয় অধ্যক্ষঃ** এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়ানীয়ে ইতিমধ্যে উত্তৰ দিছে।

**মাননীয় সদস্য শ্ৰী দেৱানন্দ হাজৰিকা, ( বিহপুৰিয়া)ঃ** হয় মাননীয় অধ্যক্ষ মহোদয়। কিন্তু মই মোৰ ফালৰ পৰা অনুৰোধ কৰিছো যাতে কোনো বিভাগতে poiltical interference নাথাকে, নহ'লে ই স্বচ্ছ হৈ নাথাকিব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। This is your purview, you should not impose here.

এতিয়া আমাৰ last supplementary.

**মাননীয় সদস্য শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক ক'ব বিচাৰিছো যে, মোৰ হাইলাকান্দি সমষ্টিত এজনো C.D.P.O, District Officer নাই। যাৰ ফলত অফিচখন থকা নথকা সমান হৈছে কাৰণ তাত কোনো কাম-কাজেই নাই।

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ জিলালৈ কোনোবা Officer যাব নেকি সেইটো খবৰ কৰক। কাৰণ মন্ত্ৰী মহোদয়াই ইতিমধ্যে কৈছে যে তাত কোনো Officer যাব নিবিচাৰে।

**মাননীয় সদস্য শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি)ঃ** অধ্যক্ষ মহোদয়, চৰকাৰে নিৰ্দেশ দিলেতো যাবই লাগিব।

**মাননীয় অধ্যক্ষঃ** মই আপোনাৰ কথাটো বুজি পাইছো। সেয়েহে মই আপোনাক কৈছো যে তাত যাব পৰা কোনোবা Officer যদি আছে, আপুনি নামটো মন্ত্ৰী মহোদয়াক দি দিয়ক যাতে তেওঁ immediately place কৰিব পাৰে। মন্ত্ৰী মহোদয়াই ইতিমধ্যে place কৰিছে যাদিও কোনো যোৱা নাই। Govt. should be strict. কিন্তু, চৰকাৰে strict হৈ যদি Officer জনক suspend কৰাৰ পিছতো নাযায় তেন্তে আপোনাৰ কাম হ'ব নেকি? সেইকাৰণে, আপোনাৰ চিনাকি কোনোবা Officer আছে যদি নাম দিয়ক।

**মাননীয় সদস্য শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি)ঃ** মোৰ ব্যক্তিগত ভাৱে চিনাকী কোনো Officer নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, হস্ততাঁত ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**মাননীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ)ঃ** অধ্যক্ষ মহোদয়, মোৰ দুটা সৰু প্ৰশ্ন আছিল। তাৰ এটা প্ৰশ্ন আছিল, অসমত কিমান খাদী আৰু গ্ৰামোদ্যোগ প্ৰতিষ্ঠান আছে আৰু ক'ত ক'ত আছে? মন্ত্ৰী মহোদয়ে তাৰ উত্তৰত দিছে যে, অসমত ৩০ টা খাদী গ্ৰামোদ্যোগ ভাণ্ডাৰ, ১৭ টা তেল ঘানি, ১৭ টা মৌ-পালন আৰু ১০ টা গ্ৰামোদ্যোগ আছে। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ

জ্ঞাতার্থে জনাব বিচাৰিছো যে, অসম এখন বৃহৎ ৰাজ্য। শদিয়াৰ পৰা ধুবুৰীলৈকে বহুখিনি ঠাই আছে। গতিকে মন্ত্ৰী মহোদয়ে, মোৰ উত্তৰত যিখিনি সংখ্যা উল্লেখ কৰিছে, এই সংখ্যাটোৰে সমগ্ৰ অসমখনক আমি সামৰিব পাৰিম জানো? আমাৰ খাদীবোৰ্ড প্ৰতিষ্ঠা হৈছিল মহামানৱ মহাত্মা গান্ধীজীৰ আদৰ্শৰে আৰু তেওঁৰ আদৰ্শৰে খাদী বোৰ্ডে অসমৰ বিভিন্ন প্ৰান্তত, বিভিন্ন অনুষ্ঠান সামৰিবলৈ প্ৰচেষ্টা হাতত লৈছে। 'খ' নং উত্তৰ মতে তেখেতে যিদৰে ৭৫০ জনী বোৱনী , ৬৫৪ জনী শিপিনী আৰু বিভিন্ন অনুষ্ঠানৰ জৰিয়তে যেনে বয়ন শিল্প, কপাহী সুতা, এড়ী সূতা, ধুপকাঠি, মমবাতি, মৌ পালন এই প্ৰতিষ্ঠানবোৰ ইয়াৰ দ্বাৰা পৰিচালিত হৈ আছে। অধ্যক্ষ মহোদয়, এইটো এটা খুব দুখৰ বিষয় যে, খাদী গ্ৰামোদ্যোগ বোৰ্ডটো অত্যন্ত গুৰুত্বপূৰ্ণ আৰু সন্মানৰ অনুষ্ঠান। এই অনুষ্ঠানটোৱে যিসমূহ বস্তু প্ৰস্তুত কৰি আছে, যিসমূহ গ্ৰাম্য জগতৰ মানুহ ইয়াৰ লগত সামৰি লোৱা হয়, সেই হিচাপে আমি যিবোৰ বস্তু উৎপাদন কৰি আছো সেইবোৰ গ্ৰাম্য জগতত কিমান উপগ্ৰাহী হৈছে? productivity হিচাপে আমি তেওঁলোকক কিমান উপকৃত কৰিব পাৰিছো?

অধ্যক্ষ মহোদয়, আজি যিদৰে মই এটা সৰু উদাহৰণ দিছো ছাতাবাৰী আৰু জামবাৰীত এক বৃহৎ Industrial Estate গঢ়ি উঠিছে আৰু গান্ধীজিৰ আদৰ্শৰে এই খাদী বোৰ্ডেও সৰু সৰু বিভিন্ন Industry ৰে অসমৰ যুবক -যুৱতীক সামৰিবলৈ বিচাৰিছে। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই এইটো জানিব বিচাৰিছো আমি সেই অনুপাতে অসমৰ ধুবুৰীৰ পৰা শদিয়ালৈকে যুৱ প্ৰজন্মক সমানে ইয়াৰ প্ৰতি আকৰ্ষিত কৰিব পাৰিছোনে? নতুন প্ৰজন্মৰ উপযুক্তকৈ আমি যিবিলাক চাবোন প্ৰস্তুত কৰিছো সেইবোৰ কোনোবা ডাঙৰ Company ৰ লগত ৰজিতা খুৱাব পাৰিছোনে? আৰু এটা কথা শুধিব বিচাৰিছো, আজি পতঞ্জলিয়ে গোটেই অসমত ডাঙৰ ডাঙৰ মাটিৰে বহুখিনি লোকক সামৰিছে। কিন্তু খাদী গ্ৰামোদ্যোগ বোৰ্ডৰ জৰিয়তে আমি কিদৰে আৰু ভাল-ভাল বস্তু উৎপাদন কৰিব পাৰো তাৰ উত্তৰ মই বিচাৰিছো। ইয়াৰ উপৰিও মোৰ এটা supplementry আছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নকৰ্তা ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই এই বিভাগটোৰ ওপৰত বহুখিনি কথা ক'লে। তেখেতৰ পৰামৰ্শক আমি আদৰণি জনাইছো। তেখেতে ভাল পৰামৰ্শ দিছে। মাননীয় অধ্যক্ষ মহোদয়, তেখেতে প্ৰশ্ন কৰিছে যে গ্ৰামোদ্যোগ প্ৰতিষ্ঠান ক'ত ক'ত আছে? আমি তালিকামুক্তভাৱে গোটেইখিনি কথা ইয়াত জনাইছো। আগতে খাদী বোৰ্ড বুলি ক'লে ১৫ আগষ্ট আৰু ২৬ জানুৱাৰীকে বুজায়।১৫ আগষ্ট আৰু ২৬ জানুৱাৰীত যিবিলাক ৰাষ্ট্ৰীয় পতাকা লাগে সেইউবিলাক আমি এই বোৰ্ডৰ যোগেদিয়েই গোটেই অসমত supply দিওঁ। এই বোৰ্ডৰ under ত আমাৰ কিছুমন সৰু সৰু industry আছে যেনে, বয়ন শিল্প, কপাহী সুতা, এড়ী সুতা, চাবোন ইত্যাদি। তাৰ ভিতৰত কেইটামান উদ্যোগে খুব ভাল কাম কৰি আছে। যেনে কপাহী সুতা কটা, যিটো মই ইয়াত উল্লেখ কৰিছো, আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিছত আমি ২০১৭-১৮ বৰ্ষত কপাহী খাদী কাপোৰ ৬৪৩১.৬৫ বৰ্গ মিটাৰ production কৰিছো আৰু আমাৰ earning হৈছে ৫৩, ৬৩,০০০ টকা। আমি শিপিনীক মজুৰি দিছো ১,৭৩,০০০ টকা। তেনেদৰে ৰেচম খাদী উদ্যোগতো আমি ২৬৪৯.৯৬ বৰ্গমিটাৰ production কৰিছো আৰু মূল্য হৈছে ২৭.৭০ লাখ টকা আৰু মজুৰি দিছো ২,২৩,০০০ টকা। ঘানিৰ যিটো মিঠাতেল, এইটো অতি পুষ্টিকৰ। যোৱা ২০১৭-১৮ বৰ্ষত ৭২৬৭.১০০ লিটাৰ আমি উৎপাদন কৰিছিলো আৰু ১০,১০,০০০ টকা আমি earning কৰিছিলো। খাদীৰ আন এটা

ডাঙৰ Centre হ'ল মৌ -জোল। এই মৌ-জোল ১৩.৮৬ কুইন্টল production কৰিছিলো ২০১৭-১৮ বৰ্ষত। মূল্য পাইছিলো ২,৭৮,০০০ টকা। ঠিক তেনেকৈ ২০১৮-১৯ ত ৬,৭৪৪ বৰ্গমিটাৰ কপাহী কাপোৰ, ৰেচমত ১,৭৮৮ বৰ্গমিটাৰ, মিঠাতেল উৎপাদন কৰিছিলো ১৩,৭১৭ লিটাৰ আৰু মৌ-জোল আমি এতিয়ালৈকে ৩৭.৬৫ কুইন্টল উৎপাদন কৰিছো।

ইতিমধ্যে আমি আমাৰ চৰকাৰৰ পুঁজিৰ পৰা লাভ কৰা ধনেৰে শোনিতপুৰ জিলাৰ জামুগুৰি হাটত বহু মাটি লৈছো। খাদী কাপোৰ আৰু সুতা উৎপাদনৰ কাৰণে ইতিমধ্যে জামুগুৰি হাটত খাদী প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈছে আৰু তাত থকা বোৰ্ডৰ প্ৰায় ১৩০ বিঘা মাটিত আমি এড়ী সূতা আৰু মুগা লেটা উৎপাদনৰ কাৰণে plantation ৰ কাম আৰম্ভ কৰাৰ কাৰণে আচঁনি লৈছো। শিৱসাগৰৰ বকতাত, লক্ষীমপুৰ জিলাৰ ঢকুৰাখানাত মুগা সুতা উৎপাদনৰ কাৰণে দুটা spinning কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছে। বৰপেটা জিলাৰ আম্মাটাৰী গাওঁখন আমি আদৰ্শ খাদী গাওঁ হিচাপে বনাম। হস্ততাত শিল্পৰ কাৰণে দুখন মডেল খাদী গাওঁ নিৰ্মাণৰ সিদ্ধান্ত আমি লৈছো। ৰেচম শিল্পটো আমি তেনেকৈ লৈছো। এই বছৰ আমি খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ পৰা বৰপেটা জিলাৰ আম্মাটাৰী গাওঁখন আমি আদৰ্শ খাদী গাওঁ হিচাপে গঢ়িবলৈ কাম হাতত লৈছো। তাত কিছুমান স্কিম থাকিব যেনে মৌ-পালন, কপাহী সুতাৰ লগতে বিভিন্ন ধৰণৰ সুতা উৎপাদনৰ আচঁনি থাকিব। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেটত যিটো কনকলতা আত্মসহায়ক গোটৰ মহিলা সৱলীকৰণৰ যিটো আচঁনি আছিলে, সেই আচঁনিত তেখেতে উল্লেখ কৰিছে বোকাখাতৰ কোনোবা আত্ম সহায়ক গোটে ২৫ হাজাৰ টকাৰ fund পাই তেওঁলোকে তাত মৌ -পালনৰ কাম আৰম্ভ কৰিছে। তেনেদৰে আমি মৌ-পালনৰ ব্যৱস্থাটো যদি অসমৰ বিভিন্ন ঠাইলৈ লৈ যাব পাৰো, নিশ্চয় খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ড লাভৱান হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ ) ঃ** অধ্যক্ষ মহোদয়, তেখেতৰ উত্তৰটো খুব ভাল পাইছো। লগতে মোৰ এটা পৰামৰ্শ আছে। আজিৰ এই মুহূৰ্তত খাদীৰ যিটো প্ৰতিযোগিতা হৈছে গোটেই পৃথিৱীত, সেই হিচাপে খাদী বোৰ্ডে আৰু ভাল উপযুক্ত ব্যৱস্থা ল'ব লাগিব। তাৰ লগতে আমাৰ পশ্চিম গুৱাহাটীৰ পৰা আৰম্ভ কৰি গুৱাহাটী আৰু দক্ষিণ কামৰূপত ৫০০-১০০০ বিঘা মাটিত খাদী বোৰ্ডে এটা বৃহৎ মডেল অনুষ্ঠান ল'ব পাৰে। এই খাদী বোৰ্ডটো এটা মহান অনুষ্ঠান। মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শ থকা এই বোৰ্ডটোত ৮ জন PSO ৰ সৈতে দুখন escort pilot থকা এজন chairman আছে। গান্ধীৰ এই আদৰ্শ থকা বোৰ্ডটোত ৮ জন PSO ৰ সৈতে দুখন escort pilot থকা এজন chairman লাগিবনে নে এজন গান্ধীৰ দৰে মানুহ লাগিব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াৰ আচঁল প্ৰশ্নটো এতিয়াহে আহিছে। এইখিনিতে মই ৰেকিবুদ্দিন ডাঙৰীয়াক এটা ভাল খবৰ দিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰেকিবুদ্দিন ডাঙৰীয়াৰ সমষ্টিত এটা ডাঙৰ ভাল project চলি আছে খাদী আৰু গ্ৰমোদ্যোগ বোৰ্ডৰ পৰা। Khadi Production Centre. তাত ৩৫০ গৰাকী মহিলাই এড়ী চাদৰ Production কৰিছে। ইতিমধ্যে ১৪২ খন হাতে কটা এড়ী চাদৰ প্ৰস্তুত কৰিছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ ) ঃ** অধ্যক্ষ মহোদয়, escort pilot প্ৰশ্নটোৰ উত্তৰ দিয়ক।এই অনুষ্ঠানটোত ইমান ডাঙৰ এজন chairman লাগিবনে? ----------হুলস্থুল--------

---------

**শ্ৰী ৰঞ্জিৎ দত্ত, মন্ত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয় যেতিয়া চৰকাৰী ভাৱে এজন Chairman দিয়া হয় তেওঁক Security ৰ কাৰণে Escort Pilot দিয়াৰ ব্যৱস্থা চৰকাৰৰ আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা, সদস্য ঃ-** ছাৰ, Point of Order ডাঃ কমলাকান্ত কলিতা অকল Chairman য়েই নহয় Cabinet Rank দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ-** তেখেতৰ নামটো কোৱা নাই যেতিয়া নুলিউৰা ভাল আপুনি।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, সদস্য ঃ-** মই নামটো কোৱা নাই ছাৰ। ইমান ডাঙৰ এটা অনুষ্ঠানত গান্ধীবাদী মানুহ দিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ**Please, because of Security concern,this has been provided. This is alright. ৰেকিবুদ্দিন আহমেদ Please, Please এতিয়া শূণ্যকালীন ঘণ্টা।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, এটা কথা , যি কোনো এজন ব্যক্তি, যি আমাৰ সদনৰ মজিয়াত নাই, তেওঁৰ নাম আহিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ-** মই নামটো Widraw কৰিছো। নামটো নালাগে বুলি কৈছো। মই আজি এটা request কৰিম আমাৰ ১১ঃ৩০ লৈকেহে সময়। পিছবেলা বাজেট ডিৱেটৰ ওপৰত আছে। যিমান পাৰো অলপ সোনকালে Zero hour টো শেষ কৰিব বিচাৰিম। সকলোৰে সহযোগিতা কামনা কৰিছো। Point of Order

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আজি এটা Starred Question যিহেতু সময়ৰ অভাৱত আহি নাপালে, Starred Question No-119 দেখা গৈছে যে প্ৰশ্ন আৰু উত্তৰ বিলাক ঠিক খাপ নোখোৱা ধৰণৰ। প্ৰশ্ন কৰা হৈছিল Budgeted Amount Sanction, Reply ত অকল আহিল যিটো Annexure -A প্ৰথম Question টো আছিল Budgeted Amount for Assam, Answer ত অকল আমি ৫ বছৰৰ Sanction Amount , টোহে পালো। Budgeted Amount টো নাপালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Budgeted Amount টো পোৱা নাই।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয় হয়, Next দেখা গ'ল প্ৰশ্ন আছিল আমি কিমান টকা Sanction কৰিলো কিমান Utilize কৰিলো, ইয়াতে ১৭-১৮ ত দেখা গ'ল যে আমাৰ কোনো ধৰণৰ Sanction নাই Utilize ও নাই। ইয়াতAnnexure -II ৰ দেখা গ'ল যে ১৭-১৮ Block Wise যিটো Sanction আৰু Utilize.

**মাননীয় অধ্যক্ষ ঃ** আপুনি এটা কাম কৰিলে ভাল পাম। time ৰ Constant ৰ কাৰণে, আপুনি মোক গোটেই কেইটা কথা in written দি দিব।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, সদস্য ঃ** sure দিম আৰু এটা কথা, আমাৰ যিহেতু Minority Affairs Minister ও আছে, last এটা আছে যে, অসমত কিছুমান ITI হৈ আছে। কিন্তু paymant ৰ অভাৱত বা আন কিবা কাৰণত কামবিলাক এতিয়াও নোহোৱা হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি details ত দিব। I will call the Minister, therafter I take action এতিয়া Zero Hour ত প্ৰথমটো

**শ্ৰীকমলাক্ষ্য দেই পুৰকায়স্থ্য, সদস্য ঃ-** অধ্যক্ষ মহোদয় এটা কথা ধৰিব পৰা নাই। দিলীপ পাল ডাঙৰীয়াৰ অৱস্থানটো কিয় change কৰিলে? আগতে তেওঁ কৈছিলে যে 50/60 thousand

কৈ লাগে এটা ট্ৰাকৰ পৰা।

**মাননীয় অধ্যক্ষ ঃ-** কমলাক্ষ্য এইবোৰ কথা পিছত পাত্মি। Cooperate with me today এতিয়া গুণীন্দ্ৰ নাথ দাস।

**শ্ৰীগুণীন্দ্ৰ নাথ দাস, বৰপেটা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি আপুনি শূণ্যকালীন ঘণ্টাত এটা গুৰুত্বপুৰ্ণ বিষয় 'নিয়মীয়া বাৰ্তা''ত যোৱা ৪ ফেব্ৰুৱাৰীত প্ৰকাশিত হৈছিল " কৃষকৰ মূৰত মাধমাৰ সোধাই ৰাজ সাহাৰ্য্যযুক্ত সাৰৰ চোৰাং বেহা- বৰপেটা বঙাইগাৱৰ ইউৰিয়া ম্যানমাৰলৈ"। অধ্যক্ষ মহোদয়, আজি আমি আমাৰ চৰকাৰে কৃষক সকলৰ উন্নয়নৰ কাৰণে বিভিন্ন সামগ্ৰী ৰাজসাহাৰ্য্য যোগে যোগান ধৰি আহিছে। আমি সকলোৱে জানো যোৱা বছৰ বৰ্তমান tractor আঁচনি চলি আহিছে। পাৱাৰ টিলাৰ দি আহিছে। বিনামুলীয়া বীজ যোগান ধৰি আহিছে। কিন্তু অতি দুখ আৰু পৰিতাপৰ বিষয় মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰো যে বৰপেটা জিলাৰ, বঙাইগাৱ জিলাৰ ১২ জালুকবাৰীত এখন ৫১০ বেগ ইউৰীয়া সহ এখন ট্ৰাক জালুকবাৰীত কৰায়ত্ব কৰিছিল জানুৱাৰী থানাই। ট্ৰাকখনৰ নম্বৰ আছিল HR 58B, 8705 আৰু ট্ৰাকখনত মাননীয় অধ্যক্ষ মহোদয়, ৫১০ বেগ ৰাজসাহাৰ্য্যযুক্ত ইউৰীয়া আছিল আৰু এই ইউৰীয়াখিনি বৰপেটাৰ পৰা কাছাৰলৈ নিয়া হৈছিল আৰু তাৰ পৰা ম্যানমাৰলৈ নিয়া বুলি বাতৰি কাকতত উল্লেখ হৈছে। গতিকে অধ্যক্ষ মহোদয়, আমি এই দুখীয়া কৃষক সকলৰ ৰাজসাহাৰ্য্যযুক্ত সাৰ, এনেকৈ যদি পুলিচৰ আগেৰেই বা কৃষি বিষয়া সকলৰ আগেৰেই যদি চোৰাং ভাৱে বিক্ৰী হ'বলৈ ওলাই যায় তেতিয়া আমাৰ এই কৃষক সকলৰ কেনেকুৱা অৱস্থা হ'ব আপুনি নিশ্চয় জানে। আজি আমাৰ বৰপেটা জিলাৰ এখন কৃষি প্ৰধান জিলা। এই জিলাই যথেষ্ট পৰিমাণে আজি আমাৰ কৃষিজাত সামগ্ৰী উৎপাদল কৰে আৰু বৰপেটা যিহেতু বান গড়াখহনীয়াই জোকাৰি যোৱা এখন জিলা, যদি কৃষক সকলে ৰাজসাহাৰ্য্যযুক্ত সাৰখিনি নাপায়, তেতিয়া নিশ্চয় ভালদৰে খেতি নহ'ব। গতিকে মই ভাবো যে যি সকল ব্যক্তি এই বিষয়টোৰ লগত জড়িত আছে। আমাৰ বাতৰি কাকতত উল্লেখ আছে যে পুলিচে গাড়ীখন ধৰাৰ পাচটো কোনো দোষীক কৰায়ত্ব নকৰিলে। আজি বৰপেটা জিলাত অকল যে সাৰেয়েই নহয়, আজি তাত বিভিন্ন কাঁঠ জাতীয় সামগ্ৰী, পশু ধন আৰু বিভিন্ন সামগ্ৰীৰ আজি চোৰাং ব্যৱসায় হৈ আছে। গতিকে মই ভাবো যে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে এই আমাৰ ৰাজসাহায্য যুক্ত সাৰ এই যোৱা ১২ জানুৱাৰীত, জালুকবাৰীত যিটো কৰায়ত্ব কৰিলে এই ক্ষেত্ৰত উচ্চ পদস্থ এখন কমিটি গঠন কৰিব লাগে আৰু যি সকল দোষী সেই দোষী সকলক কৰায়ত্ব কৰি যাতে উচিত শাস্তি দিয়াৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ অনুৰোধ কৰিলো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-**Thank you মোক cooperate কৰাৰ কাৰণে , মন্ত্ৰী।

**শ্ৰী তপন কুমাৰ গগৈ, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনৰ শূণ্যকালীন ঘণ্টাত মাননীয় বিধায়ক গুণিন দাস ডাঙৰীয়াই ০৪-০২-২০১৯ তাৰিখৰ নিয়মীয়া বাৰ্তা কাকতত প্ৰকাশিত " কৃষকৰ মূৰত মাধমাৰ সোধাই ৰাজ সাহাৰ্য্যযুক্ত সাৰ চোৰাং বেহা- বৰপেটা বঙাইগাৱৰ ইউৰিয়া ম্যানমাৰলৈ" শীৰ্ষক বাতৰিটোৰ সৰ্ন্দভত আজি দৃষ্টিগোচৰ কৰিছে আৰু এই কথাখিনি আমাৰ বিভাগৰ তৰফৰ পৰা আমি গোটেই বিষয়টো অনুসন্ধান কৰিছো। আপোনালোকে প্ৰত্যেকেই জানে যে প্ৰতিখন জিলাৰ কৃষি বিষয়াৰ পৰা আমি এই গোটেই কথাখিনিৰ ওপৰত আমি তেওঁলোকৰ পৰা প্ৰতিবেদন লৈছিলো আৰু প্ৰয়োজনীয় সাৰৰ পৰিমানৰ ওপৰত ভিত্তি কৰি প্ৰতি বছৰে কৃষি বিভাগে ৰাজ্যখনৰ বাবে প্ৰয়োজনীয় সাৰৰ পৰিমান নিৰ্দ্ধৰণ কৰে। এই ক্ষেত্ৰত এপ্ৰিলৰ পৰা ছেপ্তেম্বৰ

বতৰৰ বাবে ডিছেম্বৰ জানুৱাৰী মাহত আৰু ৰবি শস্যৰ বাবে অক্টোবৰৰ পৰা মাৰ্চ বতৰৰ বাবে আগষ্ট, ছেপ্তেম্বৰ মাহত প্ৰয়োজনীয় সাৰৰ পৰিমান নিৰ্ণয় কৰা হয়। ইয়াৰ পাছত কৃষি বিভাগে ভাৰত চৰকাৰৰ Department of Fertilizer লৈ ৰাজ্যখনৰ বাবে প্ৰয়োজনীয় সাৰৰ বিষয়ে অৱগত কৰে আৰু তাৰ ভিত্তিত ভাৰত চৰকাৰৰ বিভাগটোৱে ৰাজ্যলৈ সাৰৰ আৱন্টন দিয়ে। ৰাজ্যখনলৈ আৱন্টিত সাৰ ভাৰত চৰকাৰৰ Department of Fertilizer এ উৎপাদন কোম্পানী যেনে- BVFCL, IFFCO, IPL ইত্যাদিৰ জৰিয়তে ৰাজ্যখনলৈ যোগান ধৰিবলৈ পুনৰ আৱন্টন দিয়ে। এই আৱন্টনৰ ওপৰত ভিত্তি কৰি উৎপাদক কোম্পানী সমুহে বিভিন্ন ৰেক পইন্টত বিভিন্ন জিলাৰ বাবে সাৰৰ যোগান ধৰে। ৰেক পইন্টত যোগান ধৰা সাৰ খিনি ওৱেৰ হাউচত জমা কৰা হয় আৰু ইয়াৰ পৰা লাইসেঞ্চধাৰী পাইকাৰী বিক্ৰেতা সকললৈ যোগান ধৰা হয়। পাইকাৰী বিক্ৰেতাৰ পৰা লাইসেঞ্চধাৰী খুচুৰা বিক্ৰেতা সকললৈ যোগান ধৰা হয় আৰু খুচুৰা বিক্ৰেতা সকলে Point of Sale(POS) মেচিনৰ সহায়ত কৃষকলৈ বিক্ৰী কৰে। কতৃত্বশীল খুচুৰা বিক্ৰেতাৰ পৰা ক্ৰয় কৰোতে কৃষকজনে EPIC অৰ্থাৎ (Electronic Photo Identity Card) দেখুৱাব লাগে আৰু বিক্ৰেতাজনে EPIC Details নাম, কাৰ্ড নং ইত্যাদি সন্নিবিষ্ট কৰে আৰু MFMS(Mobile Fertilizer Monitoring System ব্যৱস্থাত আৱদ্ধ হয়। এইখিনি কাম সম্পাদন কৰাৰ পাছতহে বিক্ৰেতাজনে প্ৰকৃত বিক্ৰী সম্পাদন কৰিব পাৰে। POS মেচিনে এখন ৰচিদ উলিয়াই দিয়ে য'ত সাৰৰ নাম, পৰিমান, ৰাজসাহাৰ্য্যৰ পৰিমাণ, কোম্পানীয়ে পোৱা ধনৰ পৰিমান আদি স্পষ্টভাবে লিখা থাকে। POS মেচিনে কেতিয়াও নিৰ্দ্ধাৰিত দামতকৈ বেছি দাম লোৱাটো হ'ব নিদিয়ে। সাৰ যোগানৰ ব্যৱস্থাটোত স্বচ্চতা আনিবলৈ POS মেচিনৰ প্ৰৱৰ্তন কৰা হৈছে আৰু এই সমস্ত যোগান

ব্যৱস্থাটো Mobile Fertilizer Monitoring System (MFMS) ৰ দ্বাৰা নিৰীক্ষণ কৰা হয়। বাতৰিটোত প্ৰকাশ কৰাৰ দৰে ইউৰিয়া পৰিবাহী ট্ৰাক এখন ৫১০ বেগ ইউৰীয়াৰ সৈতে পুলিচে জব্দ কৰি ৬৪/১৯ ইউ/এচ - ৩৭৯/৪১১ আই, পি,চি নং ৰ এক গোচৰ পঞ্জীয়ণ কৰে আৰু পুলিচৰ তৰফৰ পৰা আমাৰ বিভাগলৈ এই গোটেই বিষয়খিনি অৱগত কৰে। এই গোচৰৰ পুলিচৰ তদন্ত চলি আছে আৰু বিভাগীয় তদন্তৰ ফলাফলৰ ওপৰত ভিত্তি কৰি আমি যিসকল দোষী, সেইসকলৰ ওপৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে আমি লৈছো আৰু এই বিভাগীয় তদন্তৰ প্ৰতিবেদন আমি এমাহৰ ভিতৰত সম্পূৰ্ণ কৰিম আৰু এই প্ৰতিবেদন আমি ৰাজহুৱা কৰিম। তাৰ লগে লগে আপোনালোকে জানে যে, বাতৰিটোৰ শেষ অংশত নগাওঁ জিলাত অধিক হাৰত সাৰ বিক্ৰি কৰা কথা কোৱা হৈছে যদিও, আমি জিলা কৃষি বিষয়া প্ৰতিবেদন মতে এই কথা সত্য নহয় আৰু তেনে অনৈতিক কামত কোনো কৃষি বিষয়া জড়িত নহয়। কিয়নো বিক্ৰী প্ৰক্ৰিয়া, Post machine ৰ যোগেদি হৈ আছে আৰু প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে কৃষকে নিৰ্ধাৰিত দামত ৰাজসাহাৰ্যযুক্ত সাৰ ক্ৰয় কৰি আছে। সমগ্ৰ ৰাজ্যত মুঠ ১ হাজাৰ ১ শ ২৮ টা পোষ্ট বৈধ লাইচেঞ্চ থকা খুচুৰা বিক্ৰেতাসমূহত কাৰ্য্যক্ষম হৈ আছে। অৱশ্যে বিভাগৰ তৰফৰ পৰা অধিক Post machine ৰ বাবে, ৰাজ্যখনৰ বাবে নিৰ্ধাৰিত lit fartilizer supplier. যিটো BVFCL ক যোগাযোগ কৰা হৈছে, যাতে ৰাজ্যখনৰ সকলো বৈধ লাইচেঞ্চধাৰী খুচুৰা বিক্ৰেতাৰ ক্ষেত্ৰত Post machine ৰ ব্যৱহাৰ কৰিব পাৰি। ইতিমধ্যে বিভাগৰ তৰফৰ পৰা এশ শতাংশ প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাত সামৰি ল'বলৈ কেৱল Post machine ৰ যোগেদিহে সাৰ খুচুৰা বিক্ৰী কৰিব পাৰি বুলি নিৰ্দেশনা জাৰি কৰা হৈছে। ইয়াৰ উপৰিও সাৰৰ বিক্ৰী আৰু সৰবৰাহ বিশেষভাৱে

নিৰীক্ষণ কৰিবলৈ জিলা কৃষি বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে। পৰিকল্পিত এনে ব্যৱস্থাসমূহ সম্পূৰ্ণ হ'লে ৰাজসাহাৰ্যযুক্ত সাৰৰ যোগানৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বচ্চতা আশা কৰিব পাৰি। অৱশ্যে এই ক্ষেত্ৰত আমি সকলোৱে সজাগ হ'ব লাগিব। এইক্ষেত্ৰত মই ,শ্ৰী গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়াক জনাব বিচাৰিছো যে এমাহৰ ভিতৰত আমাৰ প্ৰতিবেদন ওলাব আৰু সেই প্ৰতিবেদনত যদি কোনোবা দোষী সাব্যস্ত হয়, সেই সকলৰ ওপৰত আমি বিহীত ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইংৰাজী ২০-১২-২০১৮ তাৰিখৰ "আমাৰ অসম" বাতৰি কাকতত প্ৰকাশিতঃ-"সমাজ কল্যাণত বৃহৎ নিযুক্তি কেলেংকাৰী- ৩,৫০০ খন উত্তৰ বহী জব্দ।" এই বিষয়টোৰ সম্পৰ্কত শূণ্যকালীন ঘণ্টাত মই আপোনাৰ জৰিয়তে মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসম লোক সেৱা আয়োগৰ বৃহৎ নিযুক্তি কেলেংকাৰীৰ পিছতেই সমাজ কল্যাণ বিভাগতো এটা বৃহৎ নিযুক্তিৰ কেলেংকাৰী ইতিমধ্যে পোহৰলৈ আহিছে আৰু ইতিমধ্যে ২০১৫-১৬ চনত সমাজ কল্যাণ বিভাগৰ কনিষ্ঠ সহায়ক পদ আৰু চুপাৰভাইজাৰ পদৰ বাবে ১৪৪ টা পদৰ বাবে সাক্ষাৎকাৰ অনুষ্ঠিত কৰিছিল লিখিত আৰু মৌখিকআৰু ইতিমধ্যে সেই সময়ৰ সমাজ কল্যাণ বিভাগৰ সঞ্চালক শ্ৰী মিনাক্ষী সুন্দৰম ডাঙৰীয়াই, তেখেতে এই যিটো বক্ৰ পথেৰে যি অনিয়ম কৰি, নিযুক্তি লাভ কৰিলে, এই তথ্যটো পোহৰলৈ আনে আৰু তাৰ পিছতে সেই সময়ৰ শ্ৰী মিনাক্ষী সুন্দৰম ডাঙৰীয়া সঞ্চালক আছিল। তেখেতে ইতিমধ্যে তদাৰকি আৰু দুৰ্নীতি নিবাৰক বিভাগত তেওঁ এই সম্পৰ্কত এটা গোচৰ ৰুজু কৰে আৰু সেই গোচৰটো ইতিমধ্যে ভাৰতীয় দণ্ডবিধি ১২০ B ৪৬৮, ৪২০, ৪০৯ ধাৰাৰ লগতে অতিৰিক্ত ভাৱে ১৩১ D 13-2 PI Act ৰ অধীনত ১৯/২০১৬ নম্বৰত এটা গোচৰ ৰুজু কৰে আৰু গোচৰ ৰুজু কৰাৰ পিছতেই তদাৰকী আৰু দুৰ্নীতি নিবাৰক বিভাগে প্ৰাথমিক তদন্ত আৰম্ভ কৰে আৰু ইতিমধ্যে প্ৰাথমিক তদন্তত এই যিকেইটা পদৰ বাবে যি নিযুক্তি প্ৰদান কৰিলে, সেই নিযুক্তি যে বক্ৰ পথেৰে অনিয়মৰ মাধ্যমেৰে এই নিযুক্তি যে কৰিছিল, এই প্ৰাথমিক পৰ্য্যায়ত কিছু তথ্য পোৱা গৈছে আৰু ইয়াৰ বাবে প্ৰায় ৩ হাজাৰ ৫ শ উত্তৰবহী তদাৰকী আৰু দুৰ্নীতি নিবাৰক বিভাগে জব্দ কৰে আৰু তাতে বিশেষভাৱে উত্তৰবহীত ইতিমধ্যে ভূল হোৱা প্ৰশ্নৰো নম্বৰ দি আৰু যি নম্বৰ আছিল, মুঠ নম্বৰতকৈ অধিক নম্বৰ দি তেনে ধৰণে নিযুক্তি দিয়া বুলি ইতিমধ্যে প্ৰাথমিক যি অনুসন্ধান, এই অনুসন্ধানত এইখিনি তথ্য ওলাইছে। ইতিমধ্যে চাৰ, তদাৰকী আৰু দুৰ্নীতি নিবাৰক বিভাগে ১৪৪ জনৰে তেওঁলোকক সোধ-পোচৰ কাৰণে ব্যৱস্থা কৰা হৈছিল আৰু ইতিমধ্যে, মই জনামতে প্ৰায় ১২ জনৰ তেওঁলোকক প্ৰাথমিক সোধা-পোচা কৰিছে আৰু তাৰ পৰাও বিভিন্ন তথ্য লাভ কৰিবৰ কাৰণে সক্ষম হৈছে। এতিয়া বিশেষভাৱে আজি অসম লোক সেৱা আয়োগত যিটো বৃহৎ নিযুক্তি কেলেংকাৰী হ'ল, মই ভাৱো যে, সমাজ কল্যাণ বিভাগত যিহেতু প্ৰাথমিক তদন্ততে এই তথ্য পোহৰলৈ আহিছে, গতিকে মই আপোনাৰ জৰিয়তে মাননীয়া মন্ত্ৰী মহোদয়াক এই সম্পৰ্কত বৰ্তমান কি অৱস্থাত আছে আৰু এই ক্ষেত্ৰত যিসকলে এই অনিয়ম কৰিলে, সেই সকলৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰিলে আৰু এই বিষয়ত যিসকল বিষয়া জড়িত আছিল সেইসকলৰ ক্ষেত্ৰতো কি ব্যৱস্থা গ্ৰহণ কৰিলে, এই সম্পৰ্কত মই এটা উত্তৰ বিচাৰিছো আৰু তাৰ লগে লগে ২ হাজাৰ কোটি টকীয়া কেলেংকাৰীৰো বৰ্তমান কি অৱস্থাত আছে সেই সম্পৰ্কতো আপোনাৰ জৰিয়তে মই মাননীয়া মন্ত্ৰী মহোদয়াৰ দৃষ্টি আকৰ্ষণ কৰি ইয়াৰ এটা সদ উত্তৰ দিবৰ কাৰণে মই অনুৰোধ জনাইছো।

**माননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া সমাজ কল্যাণ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা দেৱে যিটো বিষয় আজি শূণ্যকালীন ঘণ্টাত বিষয়টো উত্থাপন কৰিছে, সেই বিষয়টো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ যিটো ভাষণ, সেই ভাষণৰ ওপৰত মই উত্তৰ দিব বিচাৰিছো। এই উত্তৰ মই এনেদৰে ক'ব বিচাৰিছো যে, অসম চৰকাৰৰ সমাজ কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা ২৪-০২-২০১৪ ইং তাৰিখে ডি.এচ.ডব্লিউ.(আই.চি.ডি.এচ) জি/৫৭/২০১২/৮৮ আৰু ডি.এচ.ডব্লিউ.(আই.চি.ডি.এচ) জি/৫৭/২০১২/৮৯ নং স্মাৰক যোগে ১৫৩ টা তৃতীয় শ্ৰেণীৰ পদ পূৰণৰ বাবে অসমৰ বিভিন্ন বাতৰি কাকতত বিজ্ঞাপন কৰা হৈছিল।

.উক্ত বিজ্ঞাপন অনুসৰি মুঠ ৪৭,১৫৯ খন আবদন পত্ৰ লাভ কৰা হৈছিল। উল্লেখ্য যে, ১৭/৭/২০১৪ ইং তাৰিখৰ ডি.এচ.ডব্লিউ.(আই.চি.ডি.এচ) জি/৫৭/২০১২/৯২ নং পত্ৰ যোগে উক্ত নিযুক্তিৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ কোনো প্ৰতিষ্ঠানক দায়িত্ব দিয়াৰ সিদ্ধান্ত লোৱাৰ বিষয়ে জনোৱা হয়।

.AMTRON ৰ অন্তৰ্গত E-Gramin Services Pvt. Ltd. নামৰ প্ৰতিষ্ঠানক উক্ত নিযুক্তিৰ সন্দৰ্ভত লিখিত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ দায়িত্ব প্ৰদান কৰা হয়। সেই মৰ্মে, উক্ত প্ৰতিষ্ঠানে ১২/১২/২০১৫ তাৰিখে গুৱাহাটীৰ বিভিন্ন কেন্দ্ৰত লিখিত পৰীক্ষা সম্পাদন কৰে।

.উক্ত লিখিত পৰীক্ষাৰ ফলাফল ৮/১/২০১৬ ইং তাৰিখে ডি.এচ.ডব্লিউ.(আই.চি.ডি.এচ) ই/১২৮/২০১৪/৬৬ নং পত্ৰ যোগে প্ৰকাশ কৰা হয়। তাৰোপৰি, মৌখিক পৰীক্ষাসমূহ ১৮/১/২০১৬ ইং তাৰিখৰ পৰা ২০/১/২০১৬ ইং তাৰিখৰ ভিতৰত অনুস্থিত কৰা হয়।

.উক্ত পৰীক্ষাৰ চূড়ান্ত ফলাফল সমূহ নং ডি.এচ.ডব্লিউ.(আই.চি.ডি.এচ) ই/১২৪/২০১৪/৮৫, তাং ১৭/২/২০১৬ যোগে প্ৰকাশ কৰা হৈছিল। বিজ্ঞাপন অনুসৰি ১৫৩ টা পদৰ বাবে আবেদন জনোৱা হৈছিল কিন্তু ১৪৪ টা পদহে পূৰণ কৰা হয়।

.উক্ত নিযুক্তিৰ জৰিয়তে পদসমূহ পূৰণ কৰাৰ সময়ত নিযুক্তি সম্পৰ্কীয় সকলো যথোচিত নিয়মাৱলী পালন কৰা হৈছিল।

.নিম্ন লিখিত পদসমূহত কৰ্মচাৰী সকলে ২০/২/২০১৬ ইং তাৰিখে যোগদান কৰেঃ

একেদিনাখনেই ১৪৪ গৰাকী প্ৰাৰ্থী সকলে তেওঁলোকৰ কাৰ্য্যলয়ত যোগদান কৰে। তেওঁলোকৰ ভিতৰত আছিল,

(১) কনিষ্ঠ সহায়ক - ৬ টা (স্থায়ী)

(২) স্নাতক শিক্ষক- ৩ টা (স্থায়ী)

(৩)Under Graduate Teacher ১ টা (স্থায়ী)

(৪) প্ৰশিক্ষক (চাৰু কলা)- ১ টা (স্থায়ী)

(৫) প্ৰশিক্ষক (Wood & Craft) ১ টা (স্থায়ী)

(৬) প্ৰশিক্ষক (Cutting & Knitting) ১ টা (স্থায়ী)

(৭) পৰিচালক (পুতলা নিৰ্মাণ) ১ টা (স্থায়ী)

(৮) পৰিসংখ্যা সহায়ক ২৪ টা (স্থায়ী)

(৯) পৰিসংখ্যা সহায়ক ৮ টা (অস্থায়ী)

(১০) মুখ্য সেৱিকা ২০টা (স্থায়ী)

(১১) মুখ্য সেৰিকা ৭১ টা (অস্থায়ী)
(১২) নিম্ন বৰ্গৰ সহায়ক ৫ টা (অস্থায়ী) আৰু
(১৩) ক্ষেত্ৰ পৰিদৰ্শক ২ টা (স্থায়ী)

উক্ত পদসমূহ পূৰণৰ বাবে যাৱতীয় পৰীক্ষা অনুষ্ঠিত কৰিবৰ বাবে চৰকাৰে ৯ ফেব্ৰুৱাৰী ২০১৬ ইং তাৰিখত এচ ডব্লিউ ডি ৫৭৯ /২০১৫/৩২ নং পত্ৰ যোগে ৫৫ লাখ ২৮ হাজাৰ ২৮২ টকা মোকলাই দিয়ে। সমাজ কল্যাণ সঞ্চালকালয়ৰ প্ৰাক্তন সঞ্চালক এচ এচ মীনাক্ষী সুন্দৰমে ১০-১১-২০১৬ তাৰিখৰ চিঠি যোগে তদাৰকী আৰু দূনীৰ্তি নিবাৰক সঞ্চালকৰ অন্যান্য বিষয়ৰ লগতে উক্ত নিযুক্তি প্ৰক্ৰিয়াত অনিয়ম হোৱা বুলি ধাৰণা কৰি সেই সম্বন্ধীয় তদন্ত বিচাৰি এজাহাৰ দাখিল কৰে। উক্ত বিষয়টো তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে ১৯ / ২০১৬ নং গোচৰ ৰুজু কৰি বৰ্ত্তমানেও তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে । উক্ত নিযুক্তি সম্পৰ্কীয় তদন্তৰ সন্দৰ্ভত তদাৰকী আৰু দুনীতি নিবাৰক সঞ্চালকালয়ে নিযুক্তি পত্ৰ সমাজ কল্যাণৰ ১৪৪ জন কৰ্মচাৰীক সংস্থাটোৰে হাজিৰ হ'বলৈ নিৰ্দ্দেশ জাৰি কৰে। উক্ত নিযুক্তিৰ সংক্ৰান্তত এতিয়ালৈকে কোনো গ্ৰেপ্তাৰ হোৱা নাই। কিন্তু প্ৰাক্তন সমাজ কল্যাণ বিভাগৰ সঞ্চালক এচ এচ মিনাক্ষী সুন্দৰমৰ এজাহাৰত উল্লেখিত অন্য বিষয়সমূহৰ তদন্তৰ সন্দৰ্ভত ১০ জন বিষয়া, কৰ্মচাৰীক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোক বৰ্ত্তমান জামিনত মুক্ত হৈ আছিল। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া- ৫৪, ৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (বিধায়ক, মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান স ভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলী ৫৪ নং নিয়মৰ অধীনত ২০১৮ চনৰ ৬ অক্টোবৰৰ তাৰিখে 'নিয়মীয়া বাৰ্ত্তা ' কাকতত প্ৰকাশিত "প্ৰতিবন্ধীক চোচৰাই, লঠিয়াই, লাঠিৰে কোৱাই আৰক্ষীৰ বৰ্ব্বৰতা , আহত ডেৰ শতাধিক " শীৰ্ষক বাতৰিটোৰ প্ৰতি গৃহ বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰাৰ এই সুবিধা দিয়া বাবে মাননীয় অধ্যক্ষ মহোদয় আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অসমৰ প্ৰত্যেকটো বাতৰি কাকতত এই খবৰ ওলাইছে। মই কেইখনমান বাতৰি কাকত আনিছো। ইয়াত যি দৃশ্য আমি দেখা পালো কোনোবাই পেং লৈ আছে, কাৰোবাৰ ভৰি নাই, কাৰোবাৰ হাত নাই, তেওঁলোকৰ ওপৰত অসম আৰক্ষীয়ে লাঠি চালনা কৰিলে , টনা আজোৰা কৰিলে গুৰিয়ালে এই দৃশ্য আমি দেখা পালো। প্ৰত্যেকখন বাতৰি কাকতত প্ৰকাশ পাইছিল। প্ৰত্যেকটো সংবাদমাধ্যমত শিৰোনামা দাখিল কৰিছিল। এই লজ্জাজনক দৃশ্য আমি দেখিবলৈ পাইছো । এই বাতৰিটোত এটা বুজা যাব যে এটা Inhuman এটা কিবা মানুহৰ প্ৰতি অসম চৰকাৰ, অসম আৰক্ষী প্ৰশাসনে এটা আকোঁৰগোজ মনোভাৱ লৈ কিবা চৰকাৰ পৰিচালনা কৰিবলৈ প্ৰয়াস কৰিছে। চৰকাৰৰ প্ৰতি যিটো আমাৰ Right to Equality, Right to Voice আছিল, কোৱাৰ অধিকাৰ আছিল, সেই সকলোবোৰ খৰ্ব কৰাৰ এক ষড়যন্ত্ৰ নামি পৰিছে, তেনে এটা ভাব হৈছে। আমি দেখা পালো ৰহাত AIIMS হ'ব বুলি চৰকাৰী পক্ষৰ পৰা কোৱা হোৱা বাবে তাৰ ৰাইজে ৰাজপথলৈ ওলাই আহিছিল, নহ'ব বুলি যেতিয়া গম পালে তেওলোকে গণতান্ত্ৰিক আন্দোলন কৰিছে। কিন্তু তেওলোকৰ ওপৰত ৰাটাৰ কেনন, ৰাবাৰ বুলেট নচলাই সিধাই গুলি চালনা কৰিলে। ইয়াৰ ফলত মিন্টু দেউৰী নামৰ এজন যুৱক মৃত্যুক আকোঁৱালি ল'ব লগা হ'ল। পিচত আমি দেখা পালো যে, গণতান্ত্ৰিকভাৱে প্ৰতিবাদ কৰিবলৈ অহা, কোনো লাখুটি পাথৰ, শিলগুটি হাতত নোলোৱা, গণতান্ত্ৰিকভাবে প্ৰতিবাদ কৰাসকলক গোৱালপাৰাত গুলীচালনা কৰা হ'ল। গুলীত ১জন -দুজনৰ মৃত্যুও হ'ল। শেহতীয়াভাবে আমি দেখা পালো ডিমা হাচাওত কেন্দ্ৰীয় চৰকাৰৰ বৰ্ত্তমান প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ

মোদী ডাঙৰীয়াই ঘোষণা কৰিলে যে Greater Nagaland দিব। ডিমা হাচাওৰ লোকসকলে Nagalandত যাব বিচৰা নাই। মাটি অন্তৰ্ভূক্ত হ'ব বুলি গণতান্ত্ৰিকভাবে প্ৰতিবাদ কৰিবলৈ অহা লোকৰ ওপৰত পোনপোটীয়াভাবে গুলীচালনা কৰা হ'ল। তাৰ ফলত ২-৩জন ব্যক্তিৰ মৃত্যু হ'ল। শেষতীয়াভাবে আমি দেখা পালো যে, কোনো এজন কৃষক নেতাক...........

Hon'ble Speaker - Kurmi .. Come to your notice... cannot elaborate like this.

**শ্ৰীৰূপজ্যোতি কুৰ্মী, সদস্য ঃ** ঠিক আছে অধ্যক্ষ মহোদয়। মূল পইন্টত আহিব খুজিছো। কোনো এজন কৃষক নেতাক ৰাষ্ট্ৰদ্ৰোহী গোচৰত জেইলত ভৰাই দিয়া হ'ল। পিচত মুক্তি দিব লগা হ'ল- হীৰনে গোঁহাইৰ দৰে ব্যক্তি.............।

**মাননীয় অধ্যক্ষ ঃ** Rupjyoti Kurmi, please... This is 54, Specific Answer দিব লাগে। গভৰ্ণৰ স্পীচৰ ডিবেটত আপুনি ক'ব পাৰে। এতিয়া নোৱাৰে।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, সদস্য ঃ** ঠিক আছে অধ্যক্ষ মহোদয়...। প্ৰতিবন্ধী সুৰক্ষা সমিতি যিখন। এই সমিতিয়ে ০২-৮-২০১৮ তাৰিখে সেই সময়ৰ চীফ চেক্ৰেটেৰী টি ৰাই দাস ৰ উপস্থিতিত মাননীয় মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীৰ নেতৃত্বত ৪৪১৯ টা বেকলগ পোষ্টৰ ভেকেন্সী ফিল আপৰ কাৰণে মিলিত হৈ এখন সভা অনুষ্ঠিত কৰিছিল। এই সভা হোৱাৰ পিচত ৩০ চেপ্টেম্বৰ তাৰিখৰ ভিতৰত চৰকাৰৰ ফালৰ পৰা কথা দিয়া হৈছিল Advertise Call কৰা হ'ব ।¯ আপোনালোকে আবেদন কৰিব ।¯ আমি আপোনালোকক নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিম। প্ৰতিবন্ধী সুৰক্ষা সমিতিৰ ৩০ চেপ্টেম্বৰ ২০১৮ তাৰিখে বৈঠক হ'ল। Then Secretary , T Y Dasৰ উপৰ্স্থিতিত আৰু মাননীয় মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম ডাহৰীয়ানীৰ উপস্থিতিত তেওলোকক কথা দিয়া হ'ল। পিচলৈ অক্টোৱৰত Advertise Call কৰা হ'ল। তে ওঁলোকে সেই সময়ত অৰ্থাৎ ০১-১০-২০১৮ তাৰিখে তেওঁলোকে আৱেদন জনালে যে ধৰ্ণা কাৰ্য্যসুচী লব। ০৩-১০-২০১৮ তাৰিখে তেওঁলোকে চৰকাৰৰ ফালৰ পৰা Deputy Commissioner of Police, Intellegent Guwahati য়ে তেওঁলোকক অনুমতি দিলে। ৫ তাৰিখে তেওঁলোক ধৰ্ণাত বহিল। ধৰ্ণাত বহা সময়ত আমি সকলোৱে দেখা পাইছিলো TV video ভিজুৱেল আছে মাননীয় অধ্যক্ষ মহোদয় আপোনাক দিব বিচাৰিছো আৰু লগতে আহ্বান জনাব বিচাৰিছো যে এই ক্ষেত্ৰত যদি আপুনি এটা enquiry ঘোষণা কৰে আমি খুব ভাল পাম। আজি ইয়াৰ পিছত আমি যদি চাওঁ Constitutional Right - Article 15, Article 14, Article 15 (2), Article 25, Article 27, Article 29 আকৌ পিছলৈ গৈ পেলাই Person with Disabilities Act. 1995। Human Right তে কি কৈছে - United Nation ৰ দেশ সমুহে মিলিত হৈ ২০১৪ চনতে বিশেষভাৱে Human Right ৰ অধীনত disabilities সকলৰ কাৰণে বিশেষ এটা সিদ্ধান্ত গ্ৰহণ কৰিছে। (সময়ৰ প্ৰতি লক্ষ্যৰাখি দীঘলীয়াকৈ কবলৈ বিচৰা নাই)

ইয়াৰ পিছত যেতিয়া ৫ তাৰিখে চৰকাৰৰ ফালৰ পৰা বৰ্বৰতা দেখুৱা হ'ল, অসম আৰক্ষী প্ৰশাসনৰ পৰা দেখুৱা হ'ল। আমি এইখেনিতে অলপ সন্দেহ কৰিছো যে আৰক্ষীয়ে কৰোবাৰ নিৰ্দেশৰ কাৰণে বৈ থাকে নেকি? আজি গুৱাহাটীৰ মন্দিৰবোৰত চোৰ হৈ আছে, অসমৰ বিভিন্ন প্ৰান্তৰ কথা কবলৈ নাযাওঁ, গুৱাহাটী স্মাৰ্ট পুলিচ বা অসম পুলিচ, গুৱাহাটীত ইমান চোৰ হৈ আছে । তৎস্বতেও মেকানিজিম বনাব পৰা নাই নেকি। আমি প্ৰত্যেক বাৰে বাজেটত পুলিচক টকা দি আছো। CCTV, কেমেৰা কিবা কিবি training programme ইত্যাদি, হাঠিয়াৰ কিনিবৰ কাৰণে বিভিন্ন ধৰণৰ

আধুনীকৰণ কৰিবৰ কাৰণে তাৰ পিছতো তেওঁলোকে চোৰ ধৰিব কাৰণে চৰকাৰৰ পক্ষৰ পৰা নিৰ্দেশনাৰ কাৰণে ৰৈ আছে নে নিৰ্দেশ পোৱাৰ লগে লগে যে কৰবাত প্ৰতিবাদ হৈ আছে , কি কৰো চাৰ, যে গুলিয়াই দে, মাৰি দে, এইটো হৈ আছে নেকি ? আজি ত্ৰই প্ৰতিবাদৰ ফলত পুলিচৰ লাঠি চালনা কৰা হ'ল, মেডিকেললৈ যোৱা হ'ল। পুলিচৰ এটা দায়িত্ব আছিলে যে মেডিকেলত যাব লাগে, খবৰ এটা লব লাগে, আঘাত প্ৰাপ্ত লোকসকলক দেখা দিবলৈ কিন্তু নগ'ল। ইয়াৰ ফলত এতিয়া বৰ্তমান শাৰিৰীক ভাবে অসুস্থ হৈ আছে।

ইয়াৰ পিছতে চৰকাৰৰ ফালৰ পৰা আশা কৰিছিল, চৰকাৰক বিশ্বাস ৰাখিছিল, সংবিধানক শপত খাই এই চৰকাৰখনে তেনেকুৱা দায়িত্ব লৈছিল। ৫ তাৰিখে ঘটনা হ'ল, ৮ তাৰিখে বৰ্তমানৰ Chief Secretary তেখেতে প্ৰতিবন্ধী সুৰক্ষা সমিতিক তেখেতৰ কাৰ্য্যালয়লৈ মাতি আনিলে আৰু এখন সভা হ'ল তাৰে এটা minutes ইতিমধ্যে আমাৰ হাতত আছে। দৰকাৰ হ'লে আপোনাক গতাই দিম। এই minutes ৰ শিতানত Cabinate memorundum দিয়াৰ কথা কলে। Next discussion will be held with " Pratibandhi Suraksha Samittee" on 16th Novermber, 2018, the meeting ended with the vote of thanks from the Chair.

কিন্তু এই সভাখনো নাপাতিলে, মানে Chief Secretary, police য়ে কৰোবাৰ নিৰ্দেশৰ, চৰকাৰৰ নিৰ্দেশৰ কাৰণে ৰৈ আছে নেকি ?

তেওঁলোকে পুনৰ গৈ পেলাই Commissioner, Assam State Human Right Commission তেওঁলোকক দিলে যে ইয়াৰ বিচাৰ কৰিব লাগে। ইয়াত স্পষ্টভাৱে উল্লেখ কৰিলে যে DCP - Amandip Kour লগতে ADCP -Amitab Basumatary, SI - Nipu Kalita , Constable -Nirmali Kalita আৰু অন্যান্যৰ লগত আমাক শাৰিৰীক ভাৱে আক্ৰমণ কৰিলে, অত্যাচাৰ আৰু আঘাট প্ৰাপ্ত কৰিলে বুলি লিখিত Commissioner, Assam State Human Right Commission ক দিয়া হ'ল তাৰ পিছতো কোনো পদক্ষেপ নললে। Chief Secretary ক দিয়াৰ পিছতো কোনো পদক্ষেপ নললে। এতিয়া আমি এটাই আহ্বান জনাম যে গোটেই বিষয়টো সকলোৰে জানো service to mankind is service to God. কিন্তু বিষ্ণু ভগবানে কৈছিল যে দুষ্টক দমন, শান্তক পালন। কিন্তু এই যে হাত ভৰি নথকা চকুৰে নেদেখা কাণেৰে নুশুনা মুখেৰে কব নোৱাৰা এই সকলৰ ওপৰত পুলিচে চোৰ ধৰিব পৰা নাই, এটা এটাকৈ মন্দিৰত চোৰ হৈ গৈ আছে, লাজ লাগিছে মহোদয়, এই প্ৰতি বন্ধী সকলক মাৰিছে। আৰু ৰজাৰ দিনত এটা নিয়ম আছিল যে কোনোবাই যদি খালি হাতে আহে তেতিয়া হ'লে খালি হাতৰে যুদ্ধ কৰে। বন্দুক, হাঠিয়াৰ আদি লৈ প্ৰতিবাদ কাৰী সকলক মাৰিছে আৰু পুলিচক আমি স্মাৰ্ট পুলিচ কম । এই ঘটনাটোত এটাই অনুৰোধ জনাইছো মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তেদি যে চৰকাৰৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে নিযুক্তি কেতিয়া হ'ব, এই অত্যাচাৰ এনেকৈ চলি গৈ থাকিব নেকি ? বা এই ঘটনাটোৰ enquiry চৰকাৰে দিব নেকি ? আৰু দোষী বিষয়া পুলিচ সকলক শাস্তি প্ৰদান কৰিব নেকি ? আমি জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় মন্ত্ৰী ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই Rule 54 ত যিটো বিষয় উত্থাপন কৰিছে । বিষয়টো এনেকুৱা ধৰণৰ যে ইংৰাজী ০৫-১০-২০১৮ তাৰিখে ৰাতিপুৱা ১১ বজাত গুৱাহাটী মহানগৰৰ আৰক্ষী আয়ুক্তৰ কাৰ্য্যালয়ৰ চিঠি নং

চি.পি/গুৱাহাটী/ আই.এন.টি / পাৰ / ২০১৮ / ৯০২/ চি তাং ০৩/ ১০/ ২০১৮ মৰ্মে পোৱা অনুমতি অনুসৰি অসমৰ প্ৰতিবন্ধী সুৰক্ষা সংস্থাৰ সদস্য সকলে দিশপুৰ চুপাৰমাৰ্কেটৰ নিৰ্ধাৰিত স্থানত সিঁহৰত বহুদিনীয়া দাবী সৰ্মথন কৰি সমবেত হৈছিল আৰু ধৰ্ণা কাৰ্য্যসুচী সাব্যস্ত কৰিছিল। উক্ত ধৰ্ণা কাৰ্য্যসুচী শান্তি শৃংখল ভাৱে প্ৰতিস্থাপন কৰিবলৈ তলত দিয়া নিয়মাৱলী আৰু চৰ্ত সমূহ পৰিপূৰ্ণ কৰিবলৈ নিৰ্দেশ দি অনুমতি প্ৰদান কৰা হৈছিল।

১. আহ্বায়ক সকলক অংশগ্ৰহণকাৰীৰ সংখ্যা সৰ্বোচ্চ পঞ্চাছ জনহে দিয়া হৈছিল।
২. উক্ত কাৰ্যসূচী ৰাতিপূৱা ১০.৩০ বজাত আৰম্ভ কৰিবলৈ আৰু দুপৰীয়া ১ বজাত সমাপ্ত কৰিবলৈ দিয়া হৈছিল।
৩. কোনোধৰণৰ শোভাযাত্ৰাৰ অনুমতি দিয়া হোৱা নাছিল।
৪. উক্ত কাৰ্য্যসূচী প্ৰতিবাদকাৰী সকলক চৰকাৰী কৰ্তব্যত থকা কৰ্মচাৰী সকলক আক্ৰমণ, অপৰাধ জনিত বাধা, ভীৰ্তি প্ৰদৰ্শন আৰু অন্য ধৰণৰ বাধা দিবলৈ মানা কৰা হৈছিল।
৫. উক্ত কাৰ্য্যসূচী সাব্যস্ত কৰি থকা সময়ত প্ৰতিবাদ স্থলিৰ পৰা বাহিৰত ওলায় আহিবলৈ আহ্বায়ক সকলক মানা কৰা হৈছিল।
৬. আহ্বায়কসকলক ৰাস্তা -ঘাটত প্ৰতিবাদ সাব্যস্ত কৰি যানজঁটৰ সৃষ্টি নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল।
৭. উক্ত কাৰ্য্যসূচীত লাউড স্পীকাৰ ব্যৱহাৰ কৰিবলৈ আহ্বায়ক সকলক অনুমতি দিয়া হোৱা নাছিল।
৮. আহ্বায়ক সকলক আইন উলঙ্ঘা নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল।
৯. আহ্বায়ক সকলক উক্ত প্ৰতিবাদী কাৰ্য্যসূচী সাব্যস্ত কৰাৰ সময়ত জনসাধাৰণৰ যাতায়তৰ পথ চৰকাৰী ৰাস্তা -ঘাট আৰু চৰকাৰী সম্পত্তি নষ্ট নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল।
১০. ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নং ১৯ (১) (খ) প্ৰতিপালিত কৰিবলৈ দিয়া হৈছিল।
১১. উক্ত কাৰ্য্যসূচীত সাম্প্ৰদায়িক আৰু সামাজিক সংঘৰ্ষজনিত, আইন-শৃংখলা জনিত, ভাৰতীয় সংবিধানৰ বিপক্ষে জনসাধাৰণৰ মাজত আৰু জাতীয় সততাত ব্যাঘাত জন্মোৱা ভাষণ/ প্ৰতীক উপস্থাপন নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল।
১২. উক্ত কাৰ্য্যসূচীত প্ৰতিবাদকাৰী সকলে কোনো ধৰণৰ বে-আইনী কাৰ্য্যত লিপ্ত হলে আহ্বায়ক সকলক জগৰীয়া কৰা হব।
১৩. আহ্বায়ক সকলে যদি কোনোধৰণৰ বে -আইনী কাৰ্য্যত প্ৰৰোচনা কৰে নাইবা অনুমতিৰ চৰ্তাৱলী সমূহ উলঙ্ঘন কৰে, তেন্তে এই ক্ষেত্ৰত প্ৰদান কৰা অনুমতি যিকোনো মূহুৰ্তত কোনো ধৰণৰ কাৰণ নজনোৱাকৈ প্ৰত্যাহৰ কৰা হব আৰু উক্ত উলঙ্ঘনৰ বাবে আইনগত ভাৱে বিহিত ব্যৱস্থা লোৱা হব।
১৪. উক্ত প্ৰতিবাদী কাৰ্য্যসূচীৰ বাবে দিয়া হোৱা অনুমতি সদায় আইন -শৃংখলা জড়িত হয় আৰু সেয়েহে স্থানীয় আৰক্ষীৰ প্ৰতিবেদন মৰ্মে যদি কোনো ধৰণৰ আইন-শৃংখলা জনিত অসুবিধাৰ পৰিলক্ষিত হয়, তেন্তে উক্ত অনুমতি জনসাধাৰণৰ শান্তিৰ বাবে অবিলম্বভাৱে প্ৰত্যাহাৰ কৰা হব।
১৫. আবেদনকাৰীয়ে উক্ত চৰ্তাৱলী সমূহ পালন কৰিম বুলি ভাৰতবৰ্ষৰ মহামান্য উচচতম ন্যায়ালয়ৰ গাইড লাইন অনুসৰি এখন প্ৰতিশ্ৰুতি দিব লাগিব।
১৬. উক্ত কাৰ্য্যসূচী সাব্যস্ত কৰাৰ বাবে স্থানীয় আৰক্ষীৰ অনুসন্ধানত যদি কোনো ধৰণৰ জনসাধাৰণৰ অসুবিধা দেখা যায়, তেন্তে উক্ত অনুমতি প্ৰত্যাহাৰ কৰা হব।

প্ৰতিবাদ কাৰ্য্যসুচীৰ দিনা ১১.৩০ মান বজাত প্ৰায় ৩২-৩৫ গৰাকী মহিলা প্ৰতিবাদকাৰীৰ লগতে সৰ্বমুঠ ৪৫০ জন প্ৰতিবাদকাৰীৰ সমাবেশ হৈছিল। আৰম্ভনিতে, শান্তি-শৃংখল ভাৱে শ্লোগান চিঞৰিছিল। উক্ত প্ৰতিবাদ মৰ্মে সমাজ কল্যাণ বিভাগৰ যুটীয়া সচিব শ্ৰীযুত মন-জুৰ হুছেইন, এ.চি.এচ, দেৱে প্ৰতিবাদ কাৰী সকলৰ লগত আলোচনা কৰাৰ উদ্দেশ্যে প্ৰতিবাদস্থলীত প্ৰায় দুপৰীয়া ১২.১৫ বজাত হাজিৰ হৈছিল। এই ক্ষেত্ৰত উত্থাপন কৰিছিল যে, অসমৰ প্ৰতিবন্ধী সুৰক্ষা সংস্থাৰ সদস্য সকলে প্ৰধান সচিবৰ লগত পিছদিনা (০৬-১০-২০১৮) ৰাতিপুৱা ৯ বজাত এখন সভা অনুস্থিত কৰিব পাৰে। কিন্তু প্ৰতিবাদকাৰী সকলৰ নেতা শ্ৰী নৃপেন মালাকাৰে উক্ত প্ৰস্তাৱ সমৰ্থন কৰা নাছিল আৰু দাবী জনাইছিল যে, অসমৰ প্ৰধান সচিব, মুখ্যসচিব নাইবা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উক্ত প্ৰতিবাদী স্থলিত হাজিৰ হৈ তেখেত সকলে স্মাৰক পত্ৰ গ্ৰহণ কৰিব লাগে। এই দাবীত বিভাগীয় কৰ্তৃপক্ষই বাৰম্বাৰ আস্বাস দিয়াৰ পিছতো প্ৰতিবাদকাৰী দলৰ শ্ৰী নৃপেন মালাকাৰৰ নেতৃত্বত উক্ত আশ্বাস গ্ৰহণ কৰা নাছিল আৰু তাৎক্ষণিক ভাৱে উগ্ৰ হৈ সংঘৰ্ষৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰী সকলে আৰক্ষী / মহিলা আৰক্ষীৰ গালৈ শিল দলিয়াই আৰু আৰক্ষী বেষ্টনী ভাঙি পেলায়। প্ৰতিবাদকাৰী সকলে কৰ্তব্যৰত আৰক্ষীৰ লগত ইচ্ছাকৃত ভাৱে থেলা-হেছাত লিপ্ত হয়।

ইয়াৰ উপৰিও প্ৰতিবাদকাৰী সকলে বেষ্টনীত ব্যৱহাৰ কৰা বাঁহেৰে আৰক্ষীক আক্ৰমণ কৰে আৰু উক্ত আক্ৰমণত কেইজনমান আৰক্ষী আঘাট প্ৰাপ্ত হয়। তদুপৰি উক্ত ঘটনাত প্ৰতিবাদকাৰী সকলৰ ৫ জন লোকো আহত হয়। উক্ত আহত প্ৰতিবাদকাৰী সকলৰ লগতে ৮ জন আৰক্ষীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ স্বাস্থ্য পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। অন্যহাতে ৯ জন আহত আৰক্ষীক স্বাস্থ্য পৰীক্ষাৰ বাবে ওডালবাক্ৰাস্থিত হায়ট মেডিকেললৈ প্ৰেৰণ কৰা হয়। আহত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ নাম সমূহ ইয়াত মই উল্লেখ নকৰো, মোৰ লগত আছে। ইয়াৰ পিছত আৱেলি প্ৰায় ২.৪৫ বজাত সহকাৰী আৰক্ষী আয়ুক্ত (পূৱ মণ্ডল) গুৱাহাটীৰ নিৰ্দেশ মৰ্মে প্ৰতিবাদকাৰী সকলে প্ৰতিবাদী কাৰ্য্যসূচীৰ অনুমতি সন্দৰ্ভত দিয়া চৰ্তাৱলী সমূহ উলঙ্ঘন কৰাৰ বাবে উক্ত প্ৰতিবাদী বে-আইনী ঘোষনা কৰি প্ৰতিবাদকাৰী সকলক গ্ৰেপ্তাৰ কৰে আৰু প্ৰতিবাদকাৰী সকলক আৰক্ষীয়ে বাছত উঠিবলৈ নিৰ্দেশ দিয়ে। কিন্তু আৰক্ষীৰ নিৰ্দ্দেশ প্ৰতিবাদকাৰী সকলে অমান্য কৰি পুনৰ আৰক্ষীৰ লগত থেলা-হেছা কৰিবলৈ লয় আৰু আৰক্ষী দললৈ পুনৰ শিল-বালি দলিয়াই। কিছুমান প্ৰতিবাদকাৰীয়ে আৰক্ষীৰ বেষ্টনী ভাঙি ৰাস্তালৈ ওলাই আহিবলৈ চেষ্টা চলায়। উক্ত পৰিস্থিতি ৰোধ কৰিবলৈ আৰু প্ৰতিবাদকাৰীসকলক গ্ৰেপ্তাৰ কৰিবলৈ বৰুণ (Water Cannon) ও ব্যৱহাৰ কৰা হৈছিল। উক্ত প্ৰতিবাদী ঘটনাত কিছুমান প্ৰতিবাদীক বাছৰ ভিতৰত নিবলৈ টনা-আজোৰা কৰা হৈছিল আৰু কিছুমানক বাছৰ ভিতৰলৈ নিবৰবাবে ঠেলা-ঠেলিও কৰা হৈছিল। অৱশেষত প্ৰতিবাদকাৰী সকলক আৱেলি প্ৰায় ৪.৫০ বজাত ৪ৰ্থ অসম আৰক্ষী বাহিনী, কাহিলীপাৰাস্থিত অস্থায়ী কাৰগাৰলৈ লৈ যোৱা হয়।

অস্থায়ী কাৰগাৰত ৪ৰ্থ অসম আৰক্ষী বাহিনীৰ আৰু জিলা কৰ্তৃপক্ষৰ পৰা প্ৰেৰণ কৰা চিকিৎসা কৰ্মীৰ দ্বাৰা কৰা পৰীক্ষাত গম পোৱা যায় যে, ২২ জন প্ৰতিবাদকাৰী আহত হৈছিল। সেইসকলৰ ভিতৰত ২ জন আহত প্ৰতিবাদকাৰীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। চিকিৎসা সমাপ্ত হোৱাৰ পিছত উক্ত দিনাই আহত প্ৰতিবাদকাৰী সকলক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা যাব দিয়া হয়।

এই ক্ষেত্ৰত উল্লেখ কৰিবলগীয়া এয়ে যে, গ্ৰেপ্তাৰী প্ৰতিবাদকাৰী সকলক অস্থায়ী কাৰাগাৰৰ পৰা মুক্তি দিয়াৰ পিছতো প্ৰতিবাদকাৰী সকলে দাবী সমূহ সাব্যস্ত কৰি ওলায় আহিবলৈ অমান্তি

হয়। সমাজ কল্যাণ বিভাগৰ সঞ্চালক শ্ৰীযুত দেৱেশ্বৰ মালাকাৰে ০৮-১০-২০১৮ তাৰিখে দিনৰ ৩ বজাত অসমৰ সচিব প্ৰধানৰ লগত উক্ত বিষয়ৰ সন্দৰ্ভত এখন সভা অনুষ্ঠিত কৰি দিম বুলি আশ্বাস দিয়াত প্ৰতিবাদকাৰী সকলে ৰাতি প্ৰায় ১১ বজাত অস্থায়ী কাৰাগাৰ ত্যাগ কৰে।

এইখিনিতে উল্লেখ কৰিব পাৰি যোৱা ইংৰাজী ০৭-০৯-২০১৮ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশ কৰা মতে কোনো প্ৰতিবাদকাৰীৰ ওপৰত লাথিচালনা কৰা হোৱা নাছিল। অতিৰিক্ত সহকাৰী আৰক্ষী আয়ুক্ত (পূৰ মণ্ডল) শ্ৰী অমিতাভ বসুমতাৰীয়ে প্ৰতিবাদকাৰী সকলৰ ওপৰত লাঠীচালনা কৰিবলৈ কোনো আৰক্ষী লোকক নিৰ্দ্দেশ দিয়া নাছিল। শ্ৰীনৃপেন মালাকাৰে তেখেতৰ বিৰুদ্ধে অনা অভিযোগ সম্পূৰ্ণ ভিত্তিহীন। উক্ত পুলিচ বিষয়া জনৰ মৰ্য্যদা হানী।

**মাননীয় অধ্যক্ষ ঃ** এইটো আৰু দীঘল আছে নেকি, বহুত হ'ব নেকি, এইটো layকৰিব পাৰে। Statement টো layকৰি দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** আৰু অলপ আছে। তেওঁ নিজে কৰা বে আইনী কাৰ্য্যকলাপৰ পৰা পৰিত্ৰান পাবলৈহে তেওঁ এনে ভিত্তিহীন অভিযোগ আনিছিল। এই সন্দৰ্ভত কৰ্তব্যৰত আৰক্ষীক শিল দলিওৱা, আৰক্ষী বেষ্টনী ভাঙি পেলোৱা আৰু ধৰ্ণা কাৰ্যসূচীৰ চৰ্তাৱলী উলঙঘন কৰাৰ বাবে দিশপুৰ থানাৰ উপ-পৰিদৰ্শক ভৱেশ চৌধুৰীয়ে দাখিল কৰা এজাহাৰ মৰ্মে দিশপুৰ থানাৰ গোচৰ নং ২৯৯৫/২০১৮ ভাঃ দঃ বিঃ আইনৰ ১৪৭/১৪৮/৩২৫/৩৫৩/৩৩৬/৪২৭/৫০৬ ধাৰাত মোং এটা ৰুজু কৰা হয় আৰু তদন্ত কৰা হয়।

উপৰোক্ত ঘটনা সন্দৰ্ভত ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগে (SPAC) নিজাবৰীয়াকৈ গোচৰ নং ৩৫৬/২০১৮ মৰ্মে এটা মোং ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। তদুপৰি, সেই একেটা বিষয়বস্তু সন্দৰ্ভত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগত গোচৰ নং ২৬৩/৩/৯/২০১৮ আৰু ৰাজ্যিক মানৱ অধিকাৰ আয়োগত গোচৰ নং ২৪৩৮/২০১৮-১৯(৯) ৰুজু হৈছে আৰু উক্ত গোচৰ দুটাৰ সংক্ৰান্তত গুৱাহাটী মহানগৰৰ যুটীয় আৰক্ষী আয়ুক্তক অনুসন্ধান কৰিব দিয়া হৈছে আৰু এই অনুসন্ধান বৰ্তমান অব্যাহত আছে।

ইংৰাজী ২৭-০৭-২০১৮ তাৰিখে প্ৰতিবাদী সুৰক্ষা সন্থাৰ ৫০ জনমান সদস্যই শ্ৰী নৃপেন মালাকাৰৰ নেতৃত্বত দিশপুৰ চুপাৰ মাৰ্কেট বাছ আস্থানৰ ওচৰত সমবেত হয়। তেওঁলোকে তেওঁলোকৰ দাবিসমূহ পূৰণ নকৰাৰ বাবে শ্ল'গান দি জনতা ভৱনৰ অভিমুখে ৰাওনা হয়। পুলিচ প্ৰশাসনে তেওঁলোকক জনতা ভৱন পোৱাৰ আগতে বাধা দিয়ে। যিহেতু তেওঁলোকে সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা অনুমতি নোলোৱাকৈ সমৱেত হৈ প্ৰতিবাদ সাব্যস্ত কৰিছিল, সেয়েহে তেওঁলোকক বে-আইনি জনতা বুলি ঘোষণা কৰি কৰায়ত্ব কৰা হয় আৰু সোনাপুৰ পথাৰৰ অস্থায়ী কাৰাগাৰলৈ লৈ যোৱা হয়। পিছত আৱেলি সমাজ কল্যাণ বিভাগৰ সঞ্চালক শ্ৰীযুত এছ. এছ. মিনাক্ষী সুনন্দৰম, আই এ এছ।

**মাননীয় অধ্যক্ষ ঃ** I think, there are detailed, why are you not lay this statement, everybody will get the thing.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Last one para.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, বহুত দীঘল statement, this is not allowed. মই আজি সকলোকে request কৰিছো, আপুনি মন্ত্ৰী, সেইকাৰণে মই কৈছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** পিছত আৱেলি সমাজ কল্যাণ বিভাগৰ সঞ্চালক শ্ৰীযুত এছ. এছ. মিনাক্ষী সুনন্দৰম, আই এ এছ অস্থায়ী কাৰাগাৰলৈ আহি প্ৰতিবাদী সুৰক্ষা সংস্থাৰ সদস্যসকলৰ

লগত তেওঁলোকৰ দাবিসমূহক লৈ আলোচনা কৰে। পিছত প্ৰতিবাদী সকলক আইন সংগত ভাৱে যাবলৈ দিয়া হয়। অধ্যক্ষ ডাঙৰীয়া, এই যিখিনি কথা কৈছে এইখিনি Fax, এই Fax খিনি আমি দিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো দিলে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মই আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়াক সুধিছিলো যে তেওঁলোকৰ নিযুক্তিৰ কথাটো কি হৈছে তেতিয়া তেখেতে কৈছে যে advertised দিছে ইতিমধ্যে। গতিকে advertised দিছে যিহেতুকে গতিকে তেওঁলোকৰ নিযুক্তিখিনি advertised ৰ পিছত হৈ যাব। কিন্তু কথাটো হ'ল কি পুলিচে যিখিনি কথা।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এনেকুৱা আন্দোলনত এইবিলাক হৈ থাকে, খালী তেওঁলোক যিহেতু প্ৰতিবন্ধি কাৰণে, অলপমান sensitive কাৰণে মই দিছিলো। ইয়াৰ পিছৰ কাৰ্য্যসূচী কমলাক্ষ দে পুৰকায়স্থ, তেখেত নাই, ৩০১ ত তেওঁ থাকিব লাগিব, গতিকে মই এতিয়া Debate লৈ যাব বিচাৰিছো, আমাৰ বাজেট discussionৰ। মই ভৰেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াক প্ৰথমতে কবলৈ অনুৰোধ কৰিছো। আমিনুল ইছলাম তেওঁ নাই।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** চাৰ।

**মাননীয় অধ্যক্ষ ঃ** ৩০১ ত নাপায়, মই চাইছো। ৩০১ ত নিজৰ এজন সদস্যক তেওঁক raise কৰিবলৈ দিয়ে, সেই কাৰণে দিয়া নাই। নাই কৰিব নোৱাৰে, In his absent তেওঁ কৰিব নোৱাৰে। ৩০১ টো অকল এজন সদস্যৰ specially তেওঁৰ বিষয়। পঢ়ি চাব, মই চালো, ৩০১ টো চাই ললে হ'ল। কালি মই তেওঁক কৈছিলো কথাটো, সেইকাৰণে কলো। আমাৰ আমিনুল ইছলামে নক'ব চাগে, মই নাই বুলি কলে, তাৰ পিছত আৰু continue কৰিবলৈ দিব নোৱাৰি। শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়া, আপুনি কওঁক।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে দাখিল কৰা বাজেটৰ বাজেট খনত সঁচা অৰ্থত ভাষা আৰু লালিত্য আছে আৰু লগে লগে নিৰ্বাচন কেন্দ্ৰীক, নিৰ্বাচন মূখী বাজেট। নিৰ্বাচন মূখী বাজেট হ'বই অৱশ্যে কাৰণ লোকসভাৰ নিৰ্বাচন সমাগত, এমাহৰ পিছতে। যি দলৰ চৰকাৰ নহওঁক নিৰ্বাচন মূখী বাজেট খন থাকিব। কিন্তু দূৰ্ভাগ্য এইটোৱে সমগ্ৰ বাজেট খনেই নিৰ্বাচন মূখী বাজেট হিচাপে দাখিল কৰিলে। ইয়াত সামহিক উন্নয়নৰ কথাহে থাকিল সামগ্ৰীক উন্নয়নৰ কথা আচলতে নাথাকিল। যি নহওক এটা কথা স্পষ্ট ২০১৮-১৯ ৰ বাজেটত যোৱাবাৰৰ বাজেটতকৈ ৮.৪ শতাংশ Budget Estimate টো কমি গৈছে। Deficit হৈছে আৰু এই Deficit টো বিশেষভাৱে এইবাৰৰ বাজেটত PWD, Public Health, Irrigation, Flood Control, Welfare of Plain Tribe and Scheduled Caste ত এই deficit টো আমি Budget ত দেখিবলৈ পাইছো আৰু এই বাজেটৰ জৰিয়তে এটা কথা স্পষ্টভাৱে আমি দেখিছো Welfare of Plain Tribe and Other Backward Class য'ত নেকি অনুসূচিত জাতি আৰু জনজাতিৰ উন্নয়নৰ কথা থাকে সেই বাজেটত ২০ শতাংশ Deficit হৈছে যোৱাবাৰৰ Revise Estimateতকৈ। যিটো বাজেটখনত এটা কথা স্পষ্টভাৱে কিছু বি পি এল ৰ তলৰ লোক, চাহজনগোষ্ঠীৰ লোকক লক্ষ্য কৰি লোৱা হৈছে, টাৰ্গেত কৰি লোৱা হৈছে উন্নয়নৰ সম্পৰ্কত। Individual Benifit Scheme ৰ জৰিয়তে সৰহ সংখ্যক লোকক সামৰি ল'ব পৰাকৈ উন্নয়নৰ দিশত ধনৰ আৱন্টন দিছে। যোৱাবাৰ বাজেটত আমাৰ যিখিনি ধন অনুসুচিত জাতিৰ মানুহ খিনিৰ বাবে ধৰা হৈছিল, এইবাৰ বাজেটত মাত্ৰ .১ শতাংশ

বৃদ্ধি কৰা হৈছে। মানুহ খিনিৰ উন্নয়ণৰ স্বাৰ্থৰ ক্ষেত্ৰত অবহেলা কৰা দেখা গৈছে। এইক্ষেত্ৰত ১৯৭৮ চনৰ ৰিজাৰ্ভেচন আইন মতে বাজেটৰ টোটেল  পুঁজিৰ পৰা অনুসুচিত জনজাতিৰ বাবে (ভৈয়াম) ১০ শতাংশ, পাহাৰীয়া জনজাতিৰ বাবে ৫ শতাংশ আৰু এছ, চিৰ বাবে ৭.৫ শতাংশ বাজেট এল'কৈচন থাকিব লাগে। কিন্তু দুৰ্ভাগ্য যে অনুসূচিত জাতিৰ উন্নয়ণৰ বাজেটত মাত্ৰ .২ শতাংশ ধাৰ্য কৰা হৈছে যিটো উন্নয়ণৰ পৰিপন্থী সেয়ে মই ইয়াৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক পুনৰ এই বিষয়টো বিবেচনা কৰাৰ বাবে অনুৰোধ জনাইছো। দ্বিতীয় কথাটো হল, সাধাৰণতে অনুসূচিত জাতি-জনজাতিৰ মানুহখিনিৰ উন্নয়ণৰ বাবে ৰাজ্যিক ভিত্তিত এখন উপদেষ্টা পৰিষদ থাকে অনুসূচিত জনজাতি উপদেষ্টা পৰিষদ আৰু অনুসূচিত জাতি উপদেষ্টা পৰিষদ। কিন্তু আজি ডেৰবছৰ ধৰি এই উপদেষ্টা পৰিষদৰ এখনো সভা হোৱা নাই। পৰিষদে এই মানুহ খিনিক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত, বিভিন্ন আঁচনিৰ ক্ষেত্ৰত, বিভিন্ন ধৰণৰ পৰামৰ্শ চৰকাৰক আগবঢ়াব  লগে কিন্তু চৰকাৰৰ সদিচ্ছা নথকাৰ কাৰণে হয়তো এই পৰিষদ গঠন হোৱা এক বছৰ আঠ মাহ হল কিন্তু এবাৰো এই পৰিষদৰ বৈঠক আজিলৈকে অনুস্থিত হোৱা দেখা নগল। যিখন পৰিষদৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় সভাপতি, WPT & BC বিভগৰ মন্ত্ৰী তাত উপ-সভাপতি সেই পৰিষদৰ পৰামৰ্শ লবৰ বাবে এখনো সভা অনুস্থিত কৰিৰ পৰা নাই। সাধাৰণতে বাজেট দাখিল কৰাৰ আগতে এই কমিটিৰ পৰা পৰামৰ্শ লোৱা হয়। সেই একেদৰে বাজেট দিয়াৰ পাচত কেনেকৈ ধনখিনি খৰচ কৰিব বিভাগীয় বিষয়া সকলক লগত লৈ এই পৰিষদে আলোচনা কৰে কিন্তু এই চৰকাৰৰ সদিচ্ছা নথকাৰ বাবে বোধকৰো এতিয়ালৈকে উপদেষ্টা পৰিষদৰ বৈঠক অনুস্থিত হোৱা নাই। ইয়াৰ উপৰিও এই বাজেটত আমি দেখিবলৈ পাইছো Individual Benifit Scheme সমূহ নিৰ্বাচনমুখী বাজেট হোৱা বাবেই বিশেষ ভাবে চাহ জনগোষ্ঠীৰ লোক সকলক বিশেষ ভাবে সুবিধা দিয়া আমি দেখিছো। বাকী সকল মানুহক একেলগে আগবঢ়াই লৈ যোৱাৰ যিটো পৰিকল্পনা হব লাগিছিল সেইটো আমি বাজেটত দেখিবলৈ পোৱা নাই। যাৰ ফলত সমাজৰ যি সামাজিক বৈষম্য, এই বৈষম্য প্ৰকট হোৱাৰ সম্ভাৱনা আমি দেখা পাইছো। এই বাজেট খনত কেইটামান বস্তু আমি দেখা নাই, এটা হল বানপানী, গড়াখহনীয়াৰ কবলত পৰি মথাউৰিত বাস কৰি থকা মানুহ খিনি, নৈ পৰীয়া মানুহ খিনিৰ সম্পৰ্কত বাজেটত কোনো ধৰণৰ উল্লেখ নাই। মোৰ সমষ্টিতে এতিয়াও বহুত মানুহ মথাউৰিত বাস কৰি আছে বা কাষতে জুপুৰি ঘৰ কৰি থাকিব লগীয়া হৈছে। এই মানুহখিনিক ভূমি আবন্টন দি সংস্থাপন কৰাৰ যিটো ব্যৱস্থা থাকিব লাগিছিল সেই ব্যৱস্থাটো হোৱা নাই। তাৰ পৰিবৰ্তে Citizenship ৰ জড়িয়তে হিন্দু বাংলাদেশী মানুহখিনিক ইয়াত সংস্থাপনৰ ব্যৱস্থা কৰাৰ কথা কৈছে। অথচ এই থলুৱা মানুহ খিনিক সংস্থাপনৰ ব্যৱস্থা কৰিব পৰা নাই। এইক্ষেত্ৰত মই ভাবো দীৰ্ঘম্যাদী কিছু আঁচনি চৰকাৰে লোৱা ভাল। অসমৰ সামগ্ৰীক উন্নয়ণৰ বাবে ৰাস্তা নিৰ্মাণ, ঐতিহাসিক স্থান সম্পৰ্কত কিছু আঁচনি আছে আমি ভাল পাইছো। কিন্তু ইয়াৰ লগে লগে সামগ্ৰীক উন্নয়ণৰ যিখিনি কথা ইয়াত পৰিলক্ষিত হব লাগিছিল সেইটো নহল। এটা কথা আমি স্পষ্ট ভাবে কব বিচাৰিছো যে এটকীয়া চাউল দিয়াত আমাৰ আপত্তি নাই। কিন্তু এই বিনামূলীয়াকৈ দিয়াৰ কৃষ্টিটোৱে মানুহক কৰ্মবিমুখ কৰিব নেকি ! ঠিক আছে চাবচিডি দিব লাগে আমি মানো, কিন্তু সেই চাবচিডি চাউলত নিদি কঠিয়াত দিলে ভাল আছিল। অন্ততঃ মানুহখিনি কৰ্মমুখী হঁলহেতেন। নিৰ্বাচন মুখী বাজেট হোৱাৰ বাবে এইটো হৈছে। অৱশ্যে যি চৰকাৰেই নহওক, নিৰ্বাচন আগত থাকিলে এনেধৰণৰ কথা বিলাক কয়। কিন্তু ইয়াত মাত্ৰাটো অধিক দেখা গৈছে। আৰু এটা কথা কব বিচাৰিছো Private Company বিলাকত আমাৰ নিবনুৱা যুৱক যুৱতী সকলক নিযুক্তি দিলে

১০,০০০ কৈ  টকা চৰকাৰে দিব, এই পলিচিটো কিমান সমিচিন হৈছে! অধ্যক্ষ মহোদয়, এই কোম্পানীক যদি কলেহেতেন শতকৰা ১০০ ভাগ খিলঞ্জীয়া থলুৱা মানুহক নিযুক্তি দিব লাগিব, আমি তোমালোকক Incentive দিম, এইটো বেছি কাৰ্য্যক্ষম হলঁহেতেন। ই বনিক গোষ্ঠীকহে লাভবান কৰিব কিয়নো এক বছৰ চাকৰি কৰাব পাচত Skill নহয় বুলি পঠাই দিব। তাতকৈ যদি এশ শতাংশ নিবনুৱাক নিযুক্তি দিয়া কোম্পানীক আমি লাখত Incentive দিও. তেতিয়া হয়তো নিশ্চিতভাৱে আমাৰ নিবনুৱা খিনিয়ে কিছু কৰ্ম সংস্থাপন পালেহেঁতেন আৰু কোম্পানী সমুহো দায়বদ্ধ হৈ থাকিল হেঁতেন। কিন্তু বৰ্তমানৰ পদ্ধতিটোত আমি অলপ আসোঁৱাহ দেখিছো। এই কথাখিনি জাতিটোৰ স্বাৰ্থত নিবনুৱাখিনিৰ স্বাৰ্থত আমি বাজেটত নেদেখিলো আৰু এটা কথা কব বিচাৰিছো, Advantage Assam ত নুমলিগড় ৰিফাইনাৰীত বাৰাউনিৰ পৰা তেল আনি ৰিফাইন কৰিব। এইটো খুউব ভাল কথা, আমি ভাল পাইছো। কিন্তু এটা কথা, বাহিৰৰ পৰা তেল আনি ৰিফাইনাৰীত সেই তেল শোধন কৰি আমাৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিব। কিন্তু অসমৰ মাটিত এতিয়াও যথেষ্ট সংখ্যক তেল আছে। বহিৰাগত বিষয়াই সেই তেলৰ খনিৰ তেল বিলাক চক্ৰান্ত কৰি বিক্ৰি কৰিব খুজিছে। Oil India Limited ৰ কেইবাজনো বিষয়াই এই সম্পৰ্কত মোক লগ ধৰি কৈছে যে অসমৰ মাটিৰ ভূগৰ্ভত এতিয়াও যথেষ্ট পৰিমানৰ খাৰুৱা তেল আছে আৰু সেইখিনি সদব্যৱহাৰ নকৰি এই বিষয়া সকলে তেল থকা স্বত্তেও তেল নথকা বুলি কৈ বিক্ৰি কৰি আছে।  গতিকে অধ্যক্ষ মহোদয় এই ভুগৰ্ভত থকা তেল খিনি সদব্যৱহাৰ হোৱাকৈ এটা পলিচি চৰকাৰে লোৱাটো অতি প্ৰয়োজন । এটা পলিচী অসম চৰকাৰে লোৱাটো প্ৰয়োজন। এই কাৰণে ক'লো যে অইল ইণ্ডিয়া লিমিটেডৰ কেইবাজনো খিলঞ্জীয়া অফিচাৰে আমাৰ কেইবাজনো বিধায়কক লগ ধৰি এই সম্পৰ্কে কৈছে। কিছু ব্যৱস্থা আছে যিবোৰ ব্যৱস্থাৰ জৰিয়তে তেল খাদ বিলাকত তেল নাই বুলি ক'ব পৰাকৈ তেওঁলোকে কিছু টেকনিকেল কাম কৰে। তাৰ জৰিয়তে আমাৰ অসমৰ ভূগৰ্ভত তেলৰ উৎস কমি গৈছে ইত্যাদি বহুখিনি টেকনিকেল কথা আছে বুলি তেওঁলোকে আমাৰ আগত অৱগত কৰিছে আৰু সেই অনুসাৰে মই  ক'ব বিচাৰিছো যে আমাৰ চৰকাৰখনে এই বাহিৰৰ পৰা তেল অনাৰ লগতে আমাৰ অসমৰ ভূগৰ্ভত থকা তেল খিনিও যাতে সৎব্যৱহাৰ কৰি ৰাজহ আমি সংগ্ৰহ কৰিব পাৰো তাৰ কাৰণেও লগে লগে কিছু ব্যৱস্থা লোৱাটো ভাল আৰু এটা কথা মই বাজেটখনৰ ভাল পাইছো যে আমাৰ পৰম্পৰাগত খেল বিলাকৰ পুনৰ উদ্ধাৰ কৰি আকৌ সেইখিনি অসমৰ মাজলৈ লৈ অনাৰ যিটো ব্যৱস্থা কৰিছে এইটো মই ভাল পাইছো। আমাৰ অসমীয়া মানুহখিনিয়ে   কুকুৰা যুঁজ, মল্ল যুঁজ, ম'হ যুঁজ ইত্যাদি খেলবিলাক সাধাৰণতে  মাঘ বিহুৰ সময়খিনিত খেলে। আমাৰ সমাজত বৰ্তমান এই খেল বিলাকৰ প্ৰচলন নোহোৱা হৈ গৈছে। অধ্যক্ষ মহোদয়, আপুনিও জানে যোৰহাটৰ পৰ্বতীয়া গাঁৱত প্ৰথমবাৰৰ বাবে আজি ভাৰত স্বাধীন হোৱাৰ প্ৰায় ৭০ বছৰৰ পিছত শংকৰদেৱ পথাৰ গাঁৱৰ যিখন পথাৰ সেই পথাৰত এইবাৰ মাঘ বিহুৰ দিনা এই মল্ল যুঁজ খেল অনুষ্ঠিত কৰিছে আৰু এই মল্ল যুঁজৰ প্ৰশিক্ষণ দিবৰ কাৰণে কেইবাজনো প্ৰশিক্ষকক আনি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। এতিয়া কথা হ'ল অকল মল্ল যুঁজেই  নহয় আৰু বহুকেইটা পৰম্পৰাগত খেল আছে যেনে আগৰ ধোপ খেল আদি যিখিনি পৰম্পৰাগত খেল আছে এইখিনি সম্পৰ্কত বাজেটত উল্লেখ আছে কিন্তু ইয়াক বহলভাৱে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আমাৰ মানুহে এতিয়া এই খেল বিলাক পাহৰি গ'ল। এই পৰম্পৰাগত খেল বিলাকৰ প্ৰশিক্ষণ দি সজাই পৰাই যদি উলিয়াই আনিব পাৰো তেতিয়াহ'লে নিশ্চয় আমি এই খেল বিলাকক ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ লৈ যাবলৈ সক্ষম হ'ম। সেই কাৰণে মই এই

কেইটা পৰামৰ্শ মাননীয় মন্ত্ৰী মহোদয়ক দিছো। তেওঁ এই সম্পৰ্কে চিন্তা চৰ্চা কৰিব। লগতে আৰু এটা পইণ্ট মই ক'ব বিচাৰিছো অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক এলেকা উন্নয়ন পুঁজি আবণ্টন কৰে বছৰি এক কোটি আৰু সুহৃদ আঁচনি শিক্ষা আৰু মেডিকেলৰ ক্ষেত্ৰত ৫০ লাখ, আনটাইড ফাণ্ডৰ ১০ লাখ দিয়ে। আমি দেখিছো বিধায়কসকলে আন্তৰিকতাৰে এই ধন খিনি ৰাইজৰ স্বাৰ্থত ব্যৱহাৰ হ'ব পৰাকৈ খৰছ কৰিবলৈ চেষ্টা কৰে। কিন্তু তাৰ যিটো ইণ্টাৰেষ্টৰ ধন সেই ইণ্টাৰেষ্টৰ ধন খিনি আমি বিধায়ক সকলে সমষ্টি বা সমষ্টিৰ বাহিৰতো আমি ব্যৱহাৰ কৰিব পাৰো। কিছুমান একেবাৰে পয়ালগা অৱস্থাত থকা ঐতিহাসিক অনুষ্ঠান আছে। জনগোষ্ঠী সকলৰো এনে অনুষ্ঠান আছে, এই অনুষ্ঠান বিলাকত আমি ইণ্টাৰেষ্টৰ ধন খিনি দি তেওঁলোকৰ upliftment ৰ কাৰণে আমি কিছু ব্যৱস্থা ল'ব পাৰো বুলি মই ভাৱো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ইণ্টাৰেষ্টৰ ধনবিলাক ঘুৰাই নানি সমষ্টি বিলাকত থকা সৰু সৰু অনুষ্ঠান বিলাক বা ঐতিহাসিক স্থান সমূহ বা জনগোষ্ঠীয় যি সমূহ অনুষ্ঠান আছে সেইবিলাকৰ উন্নয়নত খৰচ কৰিবৰ বাবে দিবৰ বাবে ব্যৱস্থা ল'বলৈ মই অনুৰোধ জনাইছো। মোৰ সমষ্টিতে কেইবাখনো মিচিং, দেউৰী গাওঁ আছে। এই মিচিং গাঁৱত এটা মৰং ঘৰ আছে। যিটোৰ একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে। বিধায়ক উন্নয়ন পুঁজিৰ পৰাও মই ধন দিছো। কিন্তু সেয়াই পৰ্য্যাপ্ত হোৱা নাই আৰু কিছু ধনৰ প্ৰয়োজন হয়। তাত যদি আমাৰ এই ইণ্টাৰেষ্টৰ ধনেৰে আৰু অলপ আগবঢ়াই দিব পাৰো তেতিয়াহ'লে এই মিচিং মৰং ঘৰটোত তেওঁলোকৰ বিভিন্ন ধৰণৰ অনুষ্ঠান যেনে পৰাগ উৎসৱ আদিৰ কাৰণে তেওঁলোকৰ সুবিধা হয়। সেইকাৰণে মাননীয় বিত্তমন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো যাতে এই বিধায়ক উন্নয়ন পুঁজিৰ ধনৰ ক্ষেত্ৰত যাতে সুব্যৱস্থা এটা লয়। এইটো আমি আশা কৰিছো। মই আৰু বেছি দীঘলীয়া কৰিব বিচৰা নাই। কেৱল এটা কথা ক'ব বিচাৰিছো যে এই বাজেটখনৰ যি ৮.৪ পাৰচেণ্ট যি ৰিভাইচ এষ্টিমেটতকৈ ধন কম হৈছে। কিন্তু মন্ত্ৰী মহোদয়ে কৈ আছে যে এইবাৰ যথেষ্ট সুন্দৰ বাজেট দিছো বা ৰাইজৰ উন্নয়ন হোৱাকে বাজেট হৈছে। প্ৰকৃতাৰ্থত সেইটো নহয়। এই বাজেটখনৰ লক্ষ্যটো নিৰ্বাচন মূখী হ'ল আৰু প্ৰয়োভৰটো বেছিকৈ হ'ল। নিৰ্বাচন মুখী বাজেট হ'বই কিন্তু তাৰ লগত সামূহিক উন্নয়নৰ লগতে যদি সামগ্ৰিক উন্নয়ণৰ ক্ষেত্ৰত, প্ৰত্যেকটো জনগোষ্ঠীৰে উন্নয়ণৰ ক্ষেত্ৰত যদি আৰু অলপ দকৈ চিন্তা কৰিলে হেত্তেঁন নিশ্চয় আৰু সুন্দৰ হ'লহেতেন। মই শেষত কৈছো যে এই বাজেটখন ভাষাৰ লালিত্য থকা নিৰ্বাচনী বাজেট। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আমি আৰু দহ-বাৰ মিনিট চলাই সদন স্থগিত কৰিম কাৰণ পিছবেলাও আমাৰ সদন বহিব। আপোনালোকৰ এজনৰ কাৰণে সময় আছে ১২ মিনিট। দুজন আছে বক্তা। কোনজনে ক'ব মই নাজানো।

**শ্ৰী পদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেটখনত সন্তুষ্টি প্ৰকাশ কৰিও মই এটা অসন্তুষ্টি প্ৰকাশ কৰো আপোনাৰ জৰিয়তে। যে যোৱা মাৰ্চ মাহত ঐতিহ্যমণ্ডিত যি বাৰচহৰীয়া ভাওঁনা অনুষ্ঠিত হৈছিল জামুগুৰিহাটত তাত আমাৰ সাংস্কৃতিক মন্ত্ৰী, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও উপস্থিত আছিলে। তাত বাৰেচহৰীয়া ভাওঁনাৰ এটা প্ৰজেক্ট ঘোষণা কৰিছিল আৰু এতিয়া আমাৰ এই বাৰেচহৰীয়া ভাওঁনাত জড়িত ব্যক্তিসকলে এইবাৰৰ বাজেটত এই সম্পৰ্কত কোনো কথা উল্লেখ নথকাৰ কাৰণে দুখ প্ৰকাশ কৰিছে। গতিকে মই আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিব বিচাৰিছো যাতে আমাৰ মন্ত্ৰী ডাঙৰীয়াই যেতিয়া ৰি প্লাই দিব তাত বাৰেচহৰীয়া ভাওঁনা মহোৎসৱৰ

মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰা সেই প্ৰজেক্টটোৰ কথা যাতে উল্লেখ কৰে, আ পোনাৰ জৰিয়তে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী যোগেন মোহন।

**শ্ৰী যোগেন মোহন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বাজেটখনৰ সমৰ্থন জনাই, মই অসমত বসবাস কৰি থকা প্ৰায় ৩০ লাখ টাই আহোম জনগোষ্ঠীয় মানুহৰ হৈ ক'ব বিচাৰিছো। প্ৰথমবাৰৰ বাবে এইখন চৰকাৰে বাজেটত চৰাইদেউখনৰ সৌন্দৰ্য্যবৰ্দ্ধনৰ কাৰণে ২৫ কোটি টকা আবণ্টন দিছে। এই কথাটো কোনো চৰকাৰে আজিলৈকে চিন্তা কৰা নাছিল। ১২২৮ খ্ৰীষ্টাব্দত ১৬ আঘোণ তাৰিখে স্বৰ্গদেউ চুকাফাই আহি ইয়াত স্থায়ী ৰাজধানী পাতিছিল। এইটো প্ৰথম পৰ্য্যায়ত দিছে এখন ক্ষেত্ৰ নিৰ্মাণৰ কাৰণে। আমি ধন্যবাদ জনাইছো আৰু স্বৰ্গদেউ চুকাফাৰ প্ৰতিমুৰ্তি অসম বিধান সভাত দিবলৈ লৈছে, এইটো বহুত ভালৰ কথা। লগতে টেঙাই পণ্ডিতৰ নাম এইবাৰ বাজেটত আহিছে। তেখেতে বিলাতত গৈ অসমীয়া, ইংৰাজী আৰু টাই এই তিনিটা ভাষাৰ ওপৰত গৱেষণা কৰিছিলে। তেওঁ প্ৰথম অভিধান প্ৰণেতা। ১৮২৫ চনত তেওঁ ঢুকাইছে। গৌৰীনাথ সিংহৰ দিনতে তেখেতক বিলাতলৈ লৈ গৈছিল। যেতিয়া দিখৌ নৈত এবাকচ পুথি উটি গৈছিল। বৃটিছসকলে .সুধিছিল,.সেইটো কি? তেতিয়া সেই পুথিখিনি তেতিয়া স্বৰ্গদেও এজনে পঠিয়াই। তেওঁৰ নাম এতিয়া বাজেটত আহিছে। তেওঁৰ স্মৃতি সংৰক্ষণ কৰিবৰ কাৰণে চৰকাৰে পদক্ষেপ লৈছে। তেওঁ অসমৰ প্ৰথম অভিধান প্ৰণেতা। চাওলুং চুকাফা ক্ষেত্ৰখন চৰাইদেউ মৈদামত প্ৰতিষ্ঠা কৰিবলৈ লৈ এই জনগোষ্ঠীটোক সন্মান জনাইছে। বাজেটৰ এই কথাটোত সকলোকে মই ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰাজদীপ গোয়ালা ডাঙৰীয়াই কওঁক।

**Shri Rajdip Guwala, MLA (Lakhipur)** : First of all I would like to thank Hon'ble Speaker Sir for giving me the opportunity to speak on this budget. Budget is just a estimation of the Government receipt and expenditrure in the following financial year. The targeted expenditrue that the Government intends to make in the coming year i.e. 2019-20. is dependent on the receipt of the Government and if there is a short fall on the receipt of the govt. then either the Government has to borrow or expenditure target that the Government set it gets hit. There is a doubt in every one's mind because so many announcement have been made.There is a doubt in every ones mind that how this announcement is going to take set whether there is adequate fund to get implemented.In this budget we have seen that under the receipts , under the head of the state's own non- tax revenue, in the revised estimate of 2018-19, it was revised at Rs.13,060 cr .But in 2019-20 budget we have seen that budgeted 8532 cr which is 35% less then what has been revised in 2018-19. Sir in the head of State's share in Central taxes ,we are estimating we will get 34,374cr from the Union Government.Our share of taxes from the Central Government. But Union Budget has estimated 27,964 cr.In

the Union Budget they have estimated 27,964 cr. Our state share will be under the Central Taxes. But our state is estimating 34,000. So there is gap of almost 7 to 8 thousand cr here. The main gap under this head is under the Custom Duty and Union Excise. Under the Custom Duty we are expecting Rs 44,083 Cr. But the Union Government has budgeted Rs 17 hundred and 57 thousand cr and we are also budgeting Rs 3,446 cr under this head. But the Union Government has budgeted only Rs1 thousand and 79 cr. There is a big gap between what the Central government is estimating for our State and what we are estimating. Probably we are over estimating our share of money that we are getting from the Central Government. There is another head called Grant-in-aid from the Center. So, Grant-in-aid from the Center in the revised figure 2018-19, the figure was Rs 27,397 cr. that we are supposed to get. But in this year 2019-20 we can see that only Rs 18,180 cr.has been budgeted under this head. Although we have budgeted Rs 22380 cr. in the last budget. But till November 2018 as per AG's Report we have received only Rs 6,483 cr. out of the Rs 22,380 cr. that we have Budgeted last year. But we have revised that to Rs 32,000 cr. approx. But I don't know how we are going to fill this whole gap because we have only received 25% of what we have expecting from the revised budget. One more thing is that there are major schemes where we have seen that there is a decline in the revised and the budgeted estimate of 2019-20. Under the National Health Mission the revised figure for 2018-19 was Rs 3,477 cr. But in the budget of 2019-20 we can see that Rs 1840 cr. has been budgeted which is 47% decline. Under MGNREGA the revised figure for 2018-19 was Rs 1,356 cr. But we have budgeted Rs 440 cr. So, that is a 300% decline then the revised figure that we have in 2018-19. Under the ICDS project we have revised Rs 1984 cr. in 2018-19 . But our budget for 2019-20 is Rs 1022 cr. It is also almost 40-45% less than what we have revised in the last budget. In the NSAP scheme we had budgeted in 2018-19 Rs 233cr. But in the revised estimate, in 2018-19 it was Rs 693 cr. But it has come down drastically because we have budgeted only Rs 170cr. under this head. In PMGSY scheme we are again in declined. The revised estimate for 2018-19 was Rs 2800 cr. But the budgeted estimate for 2019-20 was Rs 1717 cr. This shows that we have gone down in many of the

major schemes and our receipt are also been over estimated in this particular budget. In last the year we have already seen what is economic growth of our state. Last year our estimate for economic growth was 19.5%. But this year we are estimating 12.5% growth in this budget. So, I will say this is a big decline which is very significant. One more thing is that I have asked a question regarding the debt that our State has.So,our debt till 2015-16 was Rs 35,690 cr. from various sources. But it has gone up to 2017-18 .The pre-actual figures are Rs 45861 cr. So So our debt in the last two years have gone up almost 30%. So these figure are the figures that we got from the Government only. Many annoucement have been made, many individual benefit schemes are declared specially for the tea-garden areas. But we can see that the Tea-Tribe Welfare Department was allotted Rs 54.5 cr. in 2016-17, till now we are not able to spend that much amount only. Although our allocation has gone up double from Rs 81cr to 173cr. But we have not been able to spent what was allocated in 2016-17 only. I would not like to blame the Finance Ministry for that because the concern departments are responsible for implementing this schemes. But I would like to hold the Government account for not implementing many schemes which was announced in last year. Our country is rural country. More than 70% of our country is rural area. So, I would like to give some figure on the schemes that have been implemented by P&RD Deptt. In my district I can see that in 2016-17 under PMAY 13,165 houses were sanctioned. But till date 3,607 houses were are completed which is not even 25% of what was sanctioned. In 2017-18, 866 houses have been sanctioned but only 10 houses have been completed till date. MGNREGA is one of the major schemes under the P&RD Deptt. 1383 schemes were taken up in 2016-17. But only 536 schemes have been completed. Not even 50% have been completed in the last 3 years. In 2017-18 4,788 schemes were sanctioned but till date 195 schemes have been completed. In the year 2018-19, 4,169 schemes have been sanctioned but till now only 17 schemes have been completed.So this is the pace of execution of schemes that we are getting.Under the 14th Finance Commission Grantwhich is a major Grant to the Gaon Panchayat. In 2016-17 in Cachar district the Gaon Panchayats received Rs. 24 Crores. Out of that, till date, only

Rs. 93 lakhs has been spent. So, this is the execution of the P&RD Department. In 2017-18, Rs. 66 crores has been sanctioned but, no execution has been done till date . In 2018-19, Rs. 64 crores has been sanctioned but, till now no execution has been done on this part. Sir, there were some major announcement in the first Budget. Especially, The Chief Minister Samagra Gramya Unnayan Yojana, where we were expecting Rs.30,000 crores will be spent in fiver year term. But, till date, only Rs. 1700 crores has been sanctioned as per the Government data and that is not even 5% of what we are estimating. Another major problem is that our State as well as the whole country is facing unemployment issue. Lot of young girls and boys are going out of the State for working in other parts of the country. As per the Centre for Monitoring of Indian Economy Report, we can see that, we have lost 12 million jobs in 2018. Sir, National Statistical Commission was not able to submit the Report on time and the acting Chairman Mr. Mohanan and JV Meenakshi, they had to resign in protest, because there was a delay in releasing the new set of job statistics. It was leaked in a magazine - "Business Standard" which stated that unemployment rate in the year ending June, 2018 rose to 6.1% which is the highest level in 45 years. This is the report of the whole country. Although, it was not an official report, it has been leaked through some magazine. But Sir, this is an alarming situation and obviously, our State has also been impacted by this scheme. One more thing I would like to state Sir, I have seen that Govt. has subsidized rice for the tea garden people and there were many announcement that has been made by the Hon'ble Finance Minister and I would like to thank him for that . But, the subsidized rice scheme was first executed by the UPA, by the National Food Security Act, a law came into force where almost 84% poor people in the rural area would get subsidized rice. 1 kilo of rice costs between Rs.20-30 and it was subsidized at Rs.3 for the people. Now, our government is intending to further subsidize it. So, it is carrying forward the earlier subsidy. But, whether this scheme will keep continue ? This is another doubt in the minds because it is brought under just a trial basis. But, I would like to request our Hon'ble Finance Minister to continue the scheme throughout this Government's tenure. Saying these few words and thanking you again for giving me this opportunity, I would like to

conclude my speech here. Thank You.

**মাননীয় অধ্যক্ষঃ** আমাৰ লগত সকলোৰে অলপ সময় থকাৰ বাবে ধন্যবাদ জনালো। আমি ৩ বজাত আকৌ বহিম তেতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়া, আপুনি আপোনাৰ উত্তৰ দিব। আমি বোধকৰো আজি সোনকালে কাৰ্যসূচী সামৰিব পাৰিম। এতিয়া সদন বিয়লি ৩ বজালৈ স্থগিত ৰাখিছো।

**সদন পুনৰ বিয়লি ০৩ বাজি ৫ মিনিটৰ পৰা আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষঃ** এতিয়া আমি বাজেটৰ যি সাধাৰণ আলোচনা হ'ল তাৰ ওপৰত মাননীয় বিত্ত মন্ত্ৰীয়ে উত্তৰ দিব।

**মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিয়াৰ আগতে এটা বাক্য ক'ব বিচাৰিছো। বাজেট ভাষণত বিত্ত মন্ত্ৰীয়ে মোৰ সমষ্টিৰ বাঘবৰ পাহাৰক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে যি ঘোষণা কৰিলে, তাৰ বাবে মই তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ লগতে, মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে বাঘবৰ থানাৰ পৰা বাঘবৰ সত্ৰলৈ যিটো ৰাস্তা আছে, এই ৰাস্তাটো খুব বেয়া অৱস্থাত আছে। এই বছৰ মন্ত্ৰী মহোদয়ে বৰপেটাৰ পৰা বাঘবৰলৈ ৰাস্তাটো দিছে আৰু তাৰ interlocking block বোৰ যথেষ্ট ভাল হৈ আছে। গতিকে সেই block বোৰ যদি তাত ব্যৱহাৰ কৰা যায়, তেন্তে খুব কম খৰচতে থানৰ পৰা সত্ৰলৈ ৰাস্তাটো বহলকৈ বনাব পৰা যাব। সেয়েহে মই মন্ত্ৰী মহোদয়ক সেই ৰাস্তাটোৰ বিষয়ে বিবেচনা কৰিবলৈ অনুৰোধ জনালো। দ্বিতীয়তে, মাননীয় মন্ত্ৰী মহোদয়ে যোৱা কিছুদিন ধৰি সত্ৰ সমূহৰ বিষয়ে যথেষ্ট কথা কৈছে। বিশেষকৈ মইনবড়ী সত্ৰৰ বিষয়ে, মই সেইবোৰলৈ নাযাও। মোৰ সমষ্টিৰ কনৰা সত্ৰখনৰ কথা তেখেতক অৱগত কৰিব বিচাৰিছো। এই সত্ৰখন নদীৰ পৰা মাত্ৰ ১০০ মিঃ দূৰত্বত আছে। গতিকে এই সত্ৰখনৰ protection ৰ ব্যৱস্থা যদি এতিয়াই কৰা নহয় তেন্তে, মইনবড়ী সত্ৰৰ নিচিনাকৈ ইয়ো নদীৰ কবলত পৰিব। মইনবড়ী সত্ৰখন যদিও ৰাইজে বনাব বিচাৰিছে, এই গোটেই মইনবড়ী অঞ্চলটোৰেই নদীৰ বুকুত জাহ যোৱাৰ পথত। সেয়েহে এই অঞ্চলটোৰ protection ৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইক্ষেত্ৰত ইতিমধ্যে জলসম্পদ বিভাগৰ পৰা ৩ কোটি টকাৰ technical approval পাই চৰকাৰৰ বিবেচনাধীন হৈ আছে গতিকে মই উল্লেখ কৰা বাঘবৰ সত্ৰৰ ৰাস্তা নিৰ্মাণ, মইনবড়ী অঞ্চল আৰু কনৰা সত্ৰখনৰ protection ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় সদস্য ডাঃ নোমল মমিন, (বোকাজান)ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে কাৰ্বি আংলঙকে ধৰি তিনিখন পাহাৰীয়া জিলাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। এই পাহাৰীয়া জিলা তথা মোৰ সমষ্টিৰ কাৰ্বি আংলঙত APSC Training Centre, ১০০ খন বিচনা যুক্ত চিকিৎসালয়ৰ বাবে sanction, চৰকাৰী চিকিৎসা মহাবিদ্যালয়, B.Ed College, Law College কে আদি কৰি Sports ৰ বাবে fund ৰ যি allocation দিলে তাৰ বাবে এই চৰকাৰখনক মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো আৰু এই চৰকাৰৰ দিনতে এই কামসমূহ সম্পূৰ্ণ হৈ উঠে সেই আশাৰে মন্ত্ৰী মহোদয়ক যাতে ঈশ্বৰে আশীৰ্বাদ দিয়ে তাৰ কামনা কৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই অসমৰ ৰাইজ আৰু আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছো যে বিত্ত মন্ত্ৰী হিচাপে চতুৰ্থখন বাজেট এই সদনত দাখিল কৰাৰ মোৰ সৌভাগ্য হ'ল। ব্যক্তিগত ভাৱে ৰাজনীতিত বহুদিন জড়িত হৈ থাকি এইয়া মই প্ৰাপ্তিৰ এক আনন্দ বুলি ভাৱিছো। অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া, শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী ডাঙৰীয়া, শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়া, শ্ৰী ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়া, শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া, শ্ৰী ভৰেন্দ্ৰনাথ ভড়ালী ডাঙৰীয়া, শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়া, শ্ৰী যোগেন মোহন ডাঙৰীয়া, শ্ৰী অশোক সিংহল ডাঙৰীয়া, শ্ৰী ৰাজদীপ গোৱালা ডাঙৰীয়া, শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া আৰু ডাঃ নোমল মমিন ডাঙৰীয়াই বাজেট বক্তৃতাত অংশ গ্ৰহণ কৰি বাজেটখনৰ ওপৰত ভাল আৰু বেয়া দুয়োটা দৃষ্টি ভংগীৰে যি কথা সদনত উত্থাপন কৰিলে তাৰ বাবে মই তেওঁলোকক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । সংসদীয় গণতন্ত্ৰত আমি চৰকাৰী পক্ষই যেতিয়া কিবা এটা সিদ্ধান্ত আনো, বাজেট আনো, ৰাজ্যপালৰ ভাষণ আনো তেতিয়া তাৰ বিতৰ্কত বিৰোধী পক্ষই অংশগ্ৰহণ কৰি চৰকাৰক ৰাস্তা দেখুৱাবলৈ চেষ্টা কৰে আৰু সমালোচনাৰ মাজতো চৰকাৰে শিকিব লগীয়াখিনি শিকাৰ বাবে নিশ্চয় চেষ্টা কৰে। তাৰ বাবে মই বিৰোধী পক্ষৰ প্ৰতিগৰাকী সদস্যকে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। অধ্যক্ষ মহোদয়, মই প্ৰথমতে কেইটামান statistics ৰ কথা refuse কৰি বাজেটখনৰ প্ৰত্যেকটো সমালোচনাৰ বা প্ৰশংসাৰ আঁৰত লুকাই থকা দৰ্শনৰ বিষয়ে কৈ মই সামৰণি মাৰিম। অধ্যক্ষ মহোদয়, আমাৰ P.A.C. ৰ Chairman তথা সন্মানীয় বিধায়ক শ্ৰী ৰাজদ্বীপ গোৱালাই তেখেতৰ ভাষণত উল্লেখ কৰিছিল যে আমাৰ Interim Budget ত central share of taxes, Rs. 27,000 Crores দেখুওৱা হৈছে আৰু আমি বাজেটত কিয় Rs.34,000 crores ধৰিছো। আমি যদি 14th Finance Commission ৰ devolution চাওঁ, এই বছৰ অসমৰ কাৰণে ear-mark হ'ল Rs. 34,000 Crores. This is a interim budget of the Central Govt. When full and final budget will be presented, they have to reflect the original allocation. When you spare a moment and you go back to the allocation of the 14th Finance Commission, এই বছৰ অসমৰ কাৰণে allocation হৈছে Rs. 34,000 crores. So, we will ignore the interim budget and will go by the 14th Finance Commission. অধ্যক্ষ

মহোদয়, তাৰ পিছত ইয়াত বুজোৰা হৈছে যে স্বাস্থ্য, শিক্ষা, গড়কাপ্তানীৰ শিতানত এইবাৰ টকা কমিছে in between R.E & B.E. Actually, comparision হয় R.E & R.E, and B.E & B.E and RE. when I presented the Budget of last year, it was a Budget of 90 thousand crore. কিন্তু এইবাৰ সদনে যি অনুমতি দিলে 3rd SD,এই গোটেইখিনি count কৰি বাজেটখন হ'লগৈ ১ লাখ ৮ হাজাৰ কোটি। that means, original budget আৰু RE ৰ মাজত gap থাকি গ'ল ১৮,০০০ কোটি। ঠিক তেনেকৈ এইবাৰ মই ৯৯,৪১৮ কোটিৰ বাজেট দিছো, with 3 SD. The revised estimate will be not less than 1,20,000 crores.কাৰণ মাজত নতুন scheme আহে, দৰমহা short fall আহে, arear আহে। Budget keep on going around 18% to 20 % from the Original Budget and revised estimate. So, normally we compare RE with RE, BE with BE. আমি যদি BE with BE compare কৰো, ২০১৮-১৯ ৰ BE আছিল ৫,০৮০ কোটি স্বাস্থ্যত। এই বছৰ ২০১৯-২০ ৰ BE ত আহিছে ৬,৬৮২। It is a hoping increase of 1,600 crore in Health sector. গতিকে আমি যদি RE ত যাওঁ, this 6,957 figure will cross easily কাৰণ মাত্ৰ ৩০০ কোটি কম। PNRD ত agianst the Budget estimate of 2018-2019, 5,808 crore, we have gone upto 6,031 crore in BE. ঠিক তেনেদৰে PWD ত যোৱাবছৰ original BE was 4,647 crore. এইবাৰ BE তে আমি গ'লো ৬,৪৩০, তেনেদৰে শিক্ষাতো আমাৰ Budget estimate আছিলে ১৩,৬১৯ কোটি যোৱাবছৰত আৰু আজি Budget estimate stands at 14,797 কোটি টকা। গতিকে যেতিয়া BE ৰ লগত BE তুলনা কৰে all the sectors, allocation has got multiple increase, manifold increase. অহাবাৰ যেতিয়া আমি ইয়াত থিয় হৈ RE and RE compare কৰিম, তেতিয়া আমি চাব পাৰিম যে এই comparison টোত আমি কম আছো নে বেছি? কিন্তু BE itself is so close to RE. এই বছৰৰ BE টোৱে RE ৰ ইমান close হৈছে। গতিকে RE will also project a manifold growth when RE will be presented. In every SD, there will be a different RE. চাৰিমাহৰ পিছত আৰু এটা SD হ'ব, ৬ মাহৰ পিছত এটা RE হ'ব। So, RE figure will be keep on increasing. গতিকে যিটো ধাৰণা কৰা হৈছে যে, আমি কৰবাত কমাইছো নেকি, I want to demolish that argument and this is not gone out of the facts.

অধ্যক্ষ মহোদয়, মোৰ সন্মানীয় বিধায়ক ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াই কৈছিল মৈত্ৰী ক'ত গ'ল, announce হৈছিল। কিন্তু অধ্যক্ষ মহোদয়, আমি মৈত্ৰীত ইমান আগুৱাই গ'লো যে এতিয়া যদি গোটেই অসমত আপুনি চায়, বহুত নতুন নতুন থানা দেখিব। মৈত্ৰীত already expenditure 200 crore cross কৰিলে। এই বাজেটত মই another 200 crore allocate কৰিছো। মৈত্ৰীৰ সফলতাই মোক তৃতীয়বাৰৰ বাবে মৈত্ৰীৰ বাজেট allocation দিবৰ কাৰণে বাধ্য কৰাইছে। বহু সময়ত আমি হয়তো নাজানো যে বাজেট announce বিলাকৰ কাম হৈছে নে নাই, সেইকাৰণে যোৱাবছৰ মই সদনত এটা practice কৰিছিলো যে we will present an outcome Budget. যোৱাবাৰ আমি যেতিয়া সদনত আহিছিলো তেতিয়া বিধানসভা April লৈ চলিছিল। ৩১ মাৰ্চ শেষ কৰিয়ে এপ্ৰিলৰ প্ৰথম সপ্তাহত মই এখন out

come Budget দিছিলো। মই দেখুৱাইছিলো যে, মোৰ বাজেট commitment বোৰ কৰবাত নহয় ক'ৰবাত আগবাঢ়িছে। কোনোটো বাজেট announcement য়েই পিছপৰি থকা নাই। তাৰ পিছতো কোনোৱাই ক'ব পাৰে যে ক'ৰবাত কোনো কোনো কাম হোৱা নাই। অধ্যক্ষ মহোদয়, Finance Minister does not control all the departments. কিন্তু যিকেইটা আমাৰ flagship programme আছে, যিকেইটা আমি monitor কৰো, সেইবোৰ গোটেইকেইটা আগবাঢ়িছে। মই সদনত অত্যন্ত আনন্দিত হৈ ক'ব বিচাৰিছো যে 18 flagship scheme, যোৱাবছৰ আমি যিকেইটা announce কৰিছিলো সেইকেইটা তীব্ৰ গতিত বহু আগবাঢ়ি গৈছে। আজি বিৰোধী দলপতিয়ে আমাক সুধিছে যে যোৱাবাৰ ৯০০ কোটি টকা গুণোৎসৱৰ কাৰণে elementary Education ক দিয়া হৈছিল। মই গৌৰৱেৰে ক'ব পাৰো যে, all these 900 crore has been sanctioned under NABARD. NABARD য়ে গোটেইখিনি কৰি দিয়াৰ দায়িত্ব ল'লে। ৩৬২ কোটি টকা already সৰ্ব্বশিক্ষাৰ ওপৰত কাগজ আহি গ'ল। আজি বা কালিৰ ভিতৰত মই এই ৩৬২ কোটি টকা মোকলাই দিম। scheme টো already implementation ত সোমাই গ'ল যে 1/3 of the money out of 900 committed last year, 362 crore is already sanctioned. এইটো মোৰ অষ্টাদশ মুকুতা মালাৰ প্ৰথম ঘোষণা আছিল। দ্বিতীয়া ঘোষণাটো আছিল, 'কনকলতা মহিলা সৱলীকৰণ' already ১ লাখ মহিলা আত্মসহায়ক গোট এই আচঁনিৰ অধীনত আহিল। আমাৰ next announcemnt আছিল স্বয়ম। স্বয়মৰ কাৰণেও আমি already ১১০ কোটি টকা SBI ত মোকলাই দিলো। ১,০৩,০০০ টকা আমাৰ application জমা হ'ল, ১৪,০০০ loan sanction হ'ল। ১৪ ফেব্ৰুৱাৰী তাৰিখে Industry department য়ে এই scheme আনুষ্ঠানিকভাৱে মুকলি কৰিব। তৃতীয়তে হ'ল MSME credit linkage. 2016-17 ত কৈ ২০১৭-১৮, ত ১২,৫৬,০০০ credit linkage বাঢ়ি গৈ ১৭,১৩,০০০ হ'লগৈ। মাত্ৰ এবছৰৰ ভিতৰতে আমি ৫ লাখ credit linkage, small and micro enterpreneurs ক দিব পাৰিছে।

অধ্যক্ষ মহোদয়, মোৰ আন এটা announcement আছিলে State Level Mega Mission on Skill Development Scheme.যোৱাবছৰ already ৫০ হাজাৰ যুবকক আমি এই সুবিধাটো দিলো। ইয়াৰ উপৰিও আমি কৈছিলো 'Zero interest in crop loan.' ২৮ জানুৱাৰী তাৰিখে আমি State Bank ৰ হাতত ৪০০ কোটি টকা তুলি দিলো আৰু ক'লো যে Zero interest কৰি দিয়ক আৰু যাৰ যাৰ interest আছিলে ঘূৰাই দিয়ক। সেইটো হৈ গ'ল। ইয়াৰ উপৰিও আমি কৈছিলো যে farm implement দিম প্ৰত্যেক কৃষকক ৫ হাজাৰ টকাকৈ। ১১ তাৰিখৰ পৰা ২০ তাৰিখৰ ভিতৰত অসমৰ প্ৰতিখন জিলাতে আমাৰ cabinet মন্ত্ৰী সকলে গৈ ৫ লাখ কৃষকৰ হাতত ৫ হাজাৰ টকাকৈ তুলি দিম। implementation ত আমি ক'তো ৰৈ থকা নাই।

অধ্যক্ষ মহোদয়, আমি উত্তৰণৰ কথা কৈছিলো। উত্তৰণ মানে Signature Scheme.আজি আমাৰ এইটো কোৱাৰ প্ৰয়োজন নাই যে প্ৰত্যেকজন সদস্যৰ সমষ্টিত ইতিমধ্যে ১২৬ টা উত্তৰণৰ scheme গ'ল। আমি nex,t announce কৰিলো "অসম আদৰ্শ গাওঁ যোজনা"। গাওঁবিলাক নিৰ্ব্বাচন কৰি বাজেটত গাঁঠি দিলো আৰু ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত প্ৰথম installment ৫০ লাখ টকা out of 500 crore will reach Deputy

Commisioner, গতিকে আমি ক'ত ৰখিলো ? CIDF ৰ কথা আমি কৈছিলো।Out of last years 18 scheme, City Infrastructure Development Fund was another announcement. CIDF ত already ২০১৮-১৯ ত 32 projects আমি approved কৰিলো। আজি মই সদনত অহাৰ আগতে আৰু ৬ টা project approved কৰি আহিছো। তাৰ পিছত ক'লো 'অসম মালা।' অসম মালাত চাৰিটা ৰাস্তা ইতিমধ্যে লোৱা হৈছে। অহাবছৰ আমি বাজেট allocation আনিছো, more than 5000 crores ৰ ৰাস্তাৰ কাম আৰম্ভ হ'ব। অধ্যক্ষ মহোদয়, আমি কৈছিলো ১ হাজাৰ Timber Bridge আমি আৰম্ভ কৰিম। ২০১৭-১৮ ত আমি ২০৮ খন Timber Bridge বনালো। ২০১৮-১৯ ত আমি ৩৯৬ খন Timber Bridge approved কৰিলো আৰু approval চলি আছে মাৰ্চলৈকে। অধ্যক্ষ মহোদয়, শেষ scheme আছিলে অটল অমৃত অভিযান যোজনা। already ২২ হাজাৰ লোক অটল অমৃত অভিযান যোজনাৰ অধিনত সোমালে। The scheme is still continuing.

এই বাৰ আমি expand কৰিছো। অধ্যক্ষ মহোদয়, তাৰ পাছত স্কীম হ'ল cancer care. ১৯ খন ঠাইত cancer care Hospital বনাবৰ কাৰণে টেণ্ডাৰ হৈ গ'ল। Larsen and toubro has been alloted with the work আৰু Government শ্বেয়াৰৰ 500 crores has already been released, Tata Trust has also release its equal share, ডঃ তপন শইকীয়া অসমৰ cancer ৰোগৰ এজন বিশিষ্ট বিশেষজ্ঞ। তেখেতেই Project টোত Managing Director হিচাপে যোগদান কৰিলে। কাম আগবাঢ়ি গ'ল। আনকি নাৰ্চ ডাক্তৰৰো Recruitment হৈ গ'ল। Training programme আৰম্ভ হ'ল। তাৰ পিছত অধ্যক্ষ মহোদয় আমি Next Announcement দিছিলো out of 18 Scheme যে universalisation of old age, মোৰ বাজেট বক্তব্য দিয়াৰ আগদিনাখন ৩ লাখ মানুহৰ একাউন্টত এইখিনি টকা সোমাইছে, তাৰ আগত ৪ লাখ সোমালে। ৭ লাখ beneficiary already আমি লৈ ল'লো আৰু ৫ লাখ আমি ২৮ ফ্ৰেব্ৰুৱাৰীৰ আগতে লোৱাৰ কাৰণে দিনে-ৰাতিয়ে কাম কৰি আছো। Next Announcement আছিল দীনদয়াল দিব্যাঙ্গ আঁচনি । already ২০০ কোটি টকা লৈ গ'ল। আৰু দীনদয়াল দিব্যাঙ্গ আঁচনিৰ অধীনত more than 1.15 lakh beneficiary ৰ একাউন্টত মাহে এতিয়া ১০০০ কৈ টকা যায়। Next Announcement আছিল অষ্টাদশ উন্নয়নৰ মুকুতাৰ মালাৰ ১৮ নং Announcement আছিল চাহ বাগিচাৰ ধন পুৰস্কাৰ মেলা। যোৱা বাৰৰ আঢ়ৈহাজাৰ টকা আমি সকলোৰে একাউন্টত দি দিলো। এইবাৰৰ পইচাখিনি আমি ১৫ ফেব্ৰুৱাৰীত সকলোৰে একাউন্টত দি দিম। So this is a elaborate explanation of 18 scheme য'ত এখনো বৈ যোৱা নাই। এটা স্কীম খালী বৈ গ'ল Minority Scholarship ত ভুলতে আমাৰ বাজেটতো গুছি গ'ল Social Welfare ত। বাজেট হ'ব লাগিছিল Education Department ত। SD ত আমি সেইটোকো ৰেগুলাৰাইজ কৰি দিলো। Hopefully by the end of the financial year the last scheme of 18 Flagship Scheme will also be implemented. গতিকে অধ্যক্ষ মহোদয় এই যে কোৱা হয় ঘোষণা হয় কাম নকৰে। এই হাউচত আগত মই ২০০১ চনৰ পৰা মই এই হাউচত আছো। কোনো বিত্তমন্ত্ৰীক কেতিয়াও প্ৰশ্ন সোধা নগৈছিল যে আপোনালোকৰ Announcement হোৱাৰ আগত কি হয়। কাকো সোধা হোৱা নাছিল যে গুৱাহাটাৰ মেট্ৰ' ৰেল প্ৰকল্পটোৰ কি হ'ল? আধাৰশিলা হৈছিল।

কাকো সোধা হোৱা নাছিল গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটীলৈ এটা সুৰংগ বনোৱাৰ কথা আছিল ক'ত গ'ল? কাকো সোধা হোৱা নাছিল, কোনেও সোধা নাছিল। তাৰ পিছত আৰম্ভ হ'ল যে গুৱাহাটীৰ পৰা কুৰুৱালৈকে দলং বনোৱাৰ কথা আছিল। কোনো বিত্ত মন্ত্ৰী কোনেও নুশুধিছিল কাৰণ সকলোৱে জানিছিল যে বিত্ত মন্ত্ৰীয়ে execute নকৰে প্ৰশ্ন সোধে বিভাগীয় মন্ত্ৰীক। বিত্ত মন্ত্ৰীৰ দোষটো আহে, আমি যদি টকা নিদিও। কিন্তু তথাপিটো আপোনালোকে মোক accountable কৰিছে , মই গৌৰৱ অনুভৱ কৰিছো আৰু আপোনালোকে কোৱাৰ কাৰণে অসমৰ ৰাইজক মই জনাব পাৰিছো যে অষ্টাদশ উন্নয়নৰ মুকুতাৰ মালাৰ ১৮ টা স্কীমৰ অন্তৰ্গত ১৭ টা স্কীম আজি ১০ ফেব্ৰুৱাৰী হোৱাৰ আগতেই আমি এইখিনি implement কৰিব পাৰিছো। মই ভাবো It is a huge achivement ইয়াত এইটো লুকাব লগা কথা নহয়। MLA সকলে Signature scheme পাইছে , আদৰ্শ গাওঁ পাইছে। Old age pension আহিছে, কনকলতা মহিলা সৰলীকৰণ হৈছে। গাৰে ভুঞে দলংৰ আপোনালোকে আধাৰশিলা কৰিছে। আজি ইয়াত কোৱা হৈছে যে আমি কাম দেখা নাই। অধ্যক্ষ মহোদয়, প্ৰত্যেকজন বিধায়কৰ সমষ্টিত ২০ কোটিৰো অধিক টকা ৰাস্তাৰ বাবদ গৈছে, তাৰ ওপৰত গৈছে। Minimum ২০ কোটি টকা ৰাস্তা approve কৰা হৈছে। মোৰ মনত আছে, অজন্তা নেওগ বাইদেউৰ ওচৰত মই ৫ কোটি টকা জালুকবাৰী সমষ্টিৰ ৰাস্তা Sanction ৰ কাৰণে, মই ঘূৰি ফুৰো যে বাইদেউ ৫ কোটি দিয়ক। কয় যে মই বেলেগক ১ কোটি দিছো তোমাক ৫ কোটি দিলে ধৰিব। শেষত দিয়েগৈ। 5 crore was the benchmark আৰু আমি সেই benchmark ৫ কোটিৰ পৰা আজি উঠাই লৈ আহিলো ২০ কোটি। যোৱা কালি শ্বেৰমান আলি ডাঙৰীয়াৰ সমষ্টিত মই ৭ কোটি টকাৰ ৰাস্তা approve কৰি দিছো। যোৱা কালিৰ কথা, যোৱা কালি ফাইলত চহী কৰিলো। আপোনালোকে চিন্তা কৰক benchmark টো আছিল এক-ডেৰ কোটি। খালেক ডাঙৰীয়া এই বিধান সভাত আছিল মই আছিলো, আমি সকলোৱে জানো। মই কাকো সমালোচনা কৰা নাই। But how your state has progress, মোৰ বা আপোনাৰ ৰাজ্যখন কিমান আগবাঢ়ি গৈছে যে ৫ কোটি benchmark গৈ এতিয়া ২০ কোটি benchmark হৈছে। অহাবাৰ হয়টো ৪০ কোটি বা ৩০ কোটি লৈ যাব। এতিয়া তাৰ পিছত যদি কোনোবাই কয় বাজেটত কোৱা কথাষাৰ ফুলজাৰি, বাজেটত কোৱা কথাবোৰ implement নহয় তেতিয়া হলে অধ্যক্ষ মহোদয়, তাৰ কোনো Statistical and empirical prove নাই, যে আমি কথাবোৰ অসত্য কৈছো। তথাপিতো মই আনন্দিত হম যদি বিধান সভাৰ সদস্য সকলে ২-১ টা স্কীম কিয় implement হোৱা নাই বুলি প্ৰশ্ন কৰে। তেতিয়া বিভাগ সমূহৰো গা লৰিব আৰু বিভাগ সমূহেও কামত যোৰ দিব। Which is a Role of Leader of the Opposition? সদনৰ বিৰোধী পক্ষৰ সেইটো ভূমিকা আৰু সেই ভূমিকাটো যদি বিৰোধী পক্ষই পালন কৰে, অকল বাজেটখনেই সমালোচনা কৰাৰ কাৰণেই নহয় Through Question, Through Zero hour, Through 301, Through 54 এই পৰম্পৰাটো যদি হাউচত চলে To make accountable the bureaucracy, To make accountable the system I think this will be a very good development in Parliamentary Democracy, গতিকে মই ভাবো যে সমালোচনা হওঁক কিন্তু সমালোচনাৰ লগে লগে প্ৰশ্নবোৰ কৰি যদি আমি উত্তৰবোৰ লৈ লওঁ তেতিয়া হলে আমাৰ সমালোচনাবোৰ শুদ্ধ ৰূপত যাব। ক'ৰবাত ক'ৰবাত বিৰোধী পক্ষইয়ো গম পাব এইখন চৰকাৰে ক'ৰবাত নহয় কঁৰবাত কাম কৰাৰ চেষ্টা কৰিছে। আমি out come Budget দিম অহা বিধান

সভাত। খালী Immediately for the perusal of Hon’ble Speaker মহোদয়, মই আপোনাক অনুৰোধ জনাইছো যে বিৰোধী পক্ষৰ সন্মানীয় দলপতি তেওঁ inform নহয়। তেওঁ কৈছে ৯২২ কোটি announce কৰি থৈ গ’ল, একো নকৰিলে। এতিয়া মই কোৱাৰ সুবিধা পালো ৯২২ কোটিয়ে নাবাৰ্ডে approve কৰিলে First installment ত 362 crore is released two months back আৰু Elementary Education Department য়ে এতিয়া কাম আৰম্ভ কৰি দিব। এই যে development বোৰ হৈছে, আমাৰ ৰাজ্যখনৰ বাবে এটা সুখৰ কথা আৰু It is a positive development অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে বজেটত হিতাধিকাৰী সৃষ্টিৰ এটা চেষ্টা চলোৱা হৈছে। অধ্যক্ষ মহোদয় মই এই হাউচত কৈছিলো মাছ খাব নালাগে মাছ ধৰিব শিকাব লাগে। মোক বিৰোধী পক্ষৰ দলপতি মহোদয়ে কথাটো মনত পেলাই দিছে। আৰু মই অত্যন্ত গৰ্বিত যে আমি মাছ খাব শিকোৱা নাই, মাছ ধৰিব শিকাই আছো। কেনেকৈ শিকাই আছো going through the philosophy of all these 18 scheme, Which we have announce this year সদনৰ সদস্য সকলে গৌৰৱ অনুভব কৰিব যে হিতাধিকাৰীৰ সৃষ্টিৰ কোনো চেষ্টাই চলোৱা হোৱা নাই। ৰাজদ্বীপ গোৱালা ডাঙৰীয়াই ঠিকেই কৈছে, যে যি ৩ টকাৰ চাউল দিছে, এই হিতাধিকাৰীখিনি মই সৃষ্টি কৰা নাই। আপোনালোকে সৃষ্টি কৰিছে, গতিকে মোক কিয় accuse কৰিছে যে মই হিতাধিকাৰী সৃষ্টি কৰিছো বুলি, মই কৰা নাই। খালী আপোনালোকে ৩ টকাত দিছিল, আপোনালোকে মানুহখিনিক মৰম কৰিছিলে, মই আৰু অলপ মৰম কৰি ১ টকা কৰি দিলো। তাত কংগ্ৰেছৰ আপত্তি কৰিবলগীয়া একো নাই। আপোনালোকৰেই হিতাধিকাৰী আপোনালোকৰেই মানুহ, আপোনালোকৰেই ল’ৰা আপোনালোকৰেই ছোৱালী। আপোনালোকৰ ল’ৰা-ছোৱালীক মই যদি অলপ মৰম কৰাৰ সৌভাগ্য মোক পৰম পিতা ভগবানে দিয়ে তাতটো বেয়া পাব লগীয়া একো কথা নাই। যদি এই বিলাক কাৰ্ড বিজেপি চৰকাৰে দিয়া আছিল আৰু মই ৩ টকাৰ ঠাইত ১ টকা কৰিলোহেঁতেন, তেতিয়া আপোনালোকে ক’লেহেতেন কিবা হিতাধিকাৰী সৃষ্টি কৰিছো। লক্ষীমপুৰ সমষ্টি যি কেইজন হিতাধিকাৰী আছে, তেওঁলোকেই থাকিব তাৰ লগত আমি কি কৰিছো ৩ টকাৰ পৰা ১ টকা কৰি দিছো। আপোনালোকে যদি ক’ব খোজে আপুনি হিতাধিকাৰীক ট্ৰেন্সফাৰ কৰাৰ চেষ্টা কৰিছে তেতিয়া হলে এইটো সঁচা। কংগ্ৰেছে বনোৱা হিতাধিকাৰীখিনি বিজেপিয়ে হাইজেক কৰিব খুজিছে। তেতিয়া হ’লে অভিযোগটো সঁচা। কিন্তু মইটো সেইটো কৰা নাই। মই এজন নতুন হিতাধিকাৰী সৃষ্টি কৰা নাই। হিতাধিকাৰী আপোনালোকৰ, আপোনালোকৰ পুত্ৰ কন্যা । ৰাস্তাত লগ পাইছো লজেঞ্চ এটা খুৱাইছো, ভাতটো আপোনালোকে খুৱাইছে। স্কুলত আহোতে লজেঞ্চ এটা তুলি দিছো যে বাবা স্কুলত আহিছা, মোৰ ল’ৰাটোকো থ’ব আহিছো আপোনাৰ ল’ৰাটোকো দেখিছো, মোৰ ল’ৰাটোক চকলেট এটা কিনি দিলো, আপোনালোকৰ ল’ৰাটোৰ হাততো চকলেট এটা তুলি দিলো। দেউতাক বুলি সকলোৰে সন্তান। গতিকে ইয়াত কোনো হিতাধিকাৰী সৃষ্টি কৰা হোৱা নাই। কোনোবাই যদি কয় ১ টকাত চাউল দিয়াটো ভুল হৈছে তেতিয়া মই প্ৰশ্ন কৰিম যে ৩ টকাত দিয়াটো শুদ্ধ হৈছে নেকি ? এতিয়া কোনোবা কোনোবা আমাৰ বিৰোধী পক্ষৰ মানুহে কৈছে, অসমৰ মানুহক অকামিলা বনাৰ। আপোনালোকে যদি ৩ টকাত দিওঁতে অকামিলা মানুহ হোৱা নাই ১ টকাত দিওতে মাত্ৰ ২ টকাৰ কাৰণে অকামিলা হৈ যাব তেনেকুৱা ধাৰণা আমি কিয় ল’ব লাগে। সেইটো টো ধাৰণা লোৱাৰ কোনো প্ৰয়োজন নাই, অধ্যক্ষ মহোদয়, অৰুন্ধতী স্কীমৰ কথা কোৱা হৈছে, এই হাউচত যেতিয়া মই বক্তব্য দি আছিলো লগে লগে T.V. ত ওলাই গ’ল যে বিয়া ২১

ৰ পৰা ১৮ বছৰ বয়সত পাতিব লাগিব। তেতিয়াহে সোণটো পাব। মাননীয় অধ্যক্ষ মহোদয়, মই নাজানো কিয় কিছুমান তেনেকে কৰি থাকে। মই এই সদনত লিখিছিলো যে, দুটা জীৱন্ত সন্তানৰ ক্ষেত্ৰত আৰু দৰা-কইনাৰ আইনসংগত বয়স যথাক্ৰমে ২১ আৰু ১৮ বছৰ। তাৰমানে দৰাৰ বয়স ২১ ৰ ওপৰত আৰু কইনাৰ ১৮ৰ ওপৰত। এই চলি থাকোতে এটা টি ভিত লিখি দিলে যে সোণ পাবৰ কাৰণে বিয়াৰ বয়স ১৮ৰ পৰা ২১ হ'ব লাগিব। তেতিয়া বহুত মানুহে ক'লে যে, ইমান কম সময়ৰ ছোৱালী মই কিয় বিয়া দিম? আমি কৰিছো ওলোটা যে আপুনি কম সময়ত বিয়া নিদিব, বেছিত বিয়া দিয়ক। গোটেই কথাটো ওলোটাই দিলে। কথাটো অধ্যক্ষ মহোদয়, সোণ দিয়াটোৰ লগত এটা বহুত ডাঙৰ Philosophy জড়িত হৈ আছে। ইয়াতে প্ৰথম কথা, আমি কৈছিলো যে এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ বিশেষ বিবাহ অসমৰ ১৯৫৪ ৰ অধীনত কন্যাগৰাকীক পঞ্জীয়ণ কৰাব লাগিব। তাৰমানে either আগত কন্যাগৰাকী পঞ্জীয়ণ হওঁক বা সামাজিক বিয়াৰ পিছতো দৰা-কইনা গৈ যদি পঞ্জীয়ণ কৰায়, এই এক তোলাসোণ পাব। Either before social marriage or after social marriage. কিন্তু এই Act খনৰ কথা মই কিয় ক'লো? Philosophy টো মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া আপুনি বুজিব, আপুনিও গৌৰৱ অনুভৱ কৰিব। কোনোবা এটা কন্যা সন্তান যদি ল'ৰা-ছোৱালী, এই সোণতোলা পাবৰ কাৰণে যদি Special Marriage Act ত যদি registration কৰাব লাগে তেতিয়া হ'লে তেওঁ পাঁচটা condition মানিব লাগিব। পাঁচটা condition হৈছে যে, Neither party has a spouce living. তাৰমানে, আজি আমাৰ কিছুমান ধৰ্মই চাৰিগৰাকীকৈ মহিলা বিয়া কৰোৱা অনুমতি দিয়ে। কিন্তু under certain condition এইটো নহয় যে এইটো blank, তাৰ কিছুমান দাৰ্শনিক তত্ব আছে, ধাৰ্মিক তত্ব আছে, spritual তত্ব আছে । চাৰিটা বিয়া কৰাব, অনুমতি পায়। কিন্তু এই যদি Marriage Act ত এবাৰ register কৰে, তেতিয়াহ'লে জীৱনত চাৰিটা বিয়া কৰোৱা অনুমতি নাপায়। Whoever religion you might be belongs to, you have to marry only one wife and you have to divorce her officially through separation. তাৰপিছতহে দ্বিতীয় গৰাকী বিয়া কৰাব পাৰিব। ইমান ডাঙৰ এটা Protection অসমৰ মহিলাই একতোলা সোণৰ কাৰণে পাব। দ্বিতীয় কথাটো কোৱা হৈছে, The male has completed age of 21 years and female age of 18 years. Legally, মই prove কৰিব লাগিব যে মোৰ ল'ৰাৰ বয়স ২১, ছোৱালীজনীৰ বয়স ১৮, তাতকৈ আৰু কম হ'ব নোৱাৰে। তাৰমানে বাল্যবিবাহৰ প্ৰশ্নটো, যাৰকাৰণে MMR বাঢ়িছে, IMR বাঢ়িছে। মোৰ ভন্তীসকলে নাৰকীয় যন্ত্ৰণা লাভ কৰিছে। এই সোণতোলা ল'বৰ কাৰণে যদি যায় তেওঁৰ medical examination হ'ব যে ১৮ আৰু ২১ ৰ তলত বিয়া হ'ব নোৱাৰে। ইয়াৰ পাছতে, মাননীয় অধ্যক্ষ মহোদয়, কোৱা হৈছে, The parties are not within degree of prohibited relationship আৰু হিন্দুৱে যেনেকৈ ছোৱালী বিয়া কৰোৱাৰ পিছত কয়, মই বিয়া কৰোৱা নাই কি প্ৰমাণ? কোনোটো প্ৰমাণ নাই। ইয়াৰ ছোৱালীক বিয়া কৰাই ৰাজস্থান, হাৰিয়ানাৰ পৰা কিমান ল'ৰা গুচি গৈছে, যে প্ৰমাণ নাই। তেনেকৈ মুছলমান সমাজতো তালাক আছে। এই যদি Special Marriage Act ত কোনোবাই registration কৰে, ছোৱালীক ঘৰত এৰি থৈ যাবও নোৱাৰে, আৰু ছোৱালীক তালাক দিবও নোৱাৰে। কিয় তালাক দিব নোৱাৰে, The 2nd chapter has said that যদি কোনাবা ইয়াৰ পৰা আতৰি যাব লাগে এই Act খনৰ মতে chapter 5, it

has to be a judicial separation. মাননীয় অধ্যক্ষ মহোদয়, আপুনি চিন্তা কৰক। আজি মাত্ৰ একতোলা সোণ ৩২ হাজাৰ টকা খৰছ কৰাৰ পাছত কোনোবা যদি দেউতাক-মাকে voluntiary যদি ল'ৰা-ছোৱালীক যদি এইখন আইনৰ অধীনত বিয়া কৰাই দিয়ে, ছোৱালীজনীৰ তালাক নহ'ব, ছোৱালীজনীক, ঘৰত যাক abandon বুলি কয়, abandon কৰি এৰি থৈ যাব নোৱাৰিব, বহু বিবাহ প্ৰথা হ'ব নোৱাৰিব আৰু judicial separation ৰ পিছতো শিশুৰ custody আৰু মহিলা গৰাকীৰ জীয়াই থকাৰ সন্ধান স্বামীয়ে দিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, ইমান ডাঙৰ Philosophy এই সোণতোলাত লুকাই আছে। কোনোবাই কৈছে, যৌতুক দিছে, স্ত্ৰীধন is not dowry. সোণতো দিয়া হ'ব ছোৱালীজনীক আৰু ছোৱালীজনীয়ে যেতিয়া এই গহণাটো পাব, It remain belongs to hers. স্ত্ৰীধন আৰু যৌতুকৰ মাজত difference টো আমি বুজি পাব লাগিব। স্ত্ৰীধন is a স্ত্ৰীধন। এইটো যৌতুক কেতিয়াওঁ হ'ব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, ইমান ডাঙৰ Philosophy যদি কোনোবাই এটা পেৰাগ্ৰাফ পঢ়ে, যে সোণ দিব খুজিছে, হিতাধিকাৰী সৃষ্টি কৰিব খুজিছে। এইটো নহয়, অধ্যক্ষ মহাদয়, ইয়াত বিয়াতো এনেও হ'ব, স্বামী-স্ত্ৰী মানুহ এনেও হ'ব। চৰকাৰে বৰঞ্চ এটা ডাঙৰ Social দাৰ্শনিক Philosophy ইয়াৰ জৰিয়তে আনিব খুজিছে ইয়াত হিতাধিকাৰীৰ সৃষ্টিৰ প্ৰচেষ্টা ক'ত? ইয়াতো কোনো হিতাধিকাৰী নাই আৰু অসমৰ সামাজিক জীৱনত এই একতোলা সোণৰ অৰুন্ধতী আঁচনিয়ে গোটেই মানুহৰ জীৱনৰ প্ৰতি লক্ষ্যটো বদলাই দিব পাৰে। যেতিয়া Special Marriage Act ত আহিব, মুছলমান মানুহজনে বুজি পাব যে, মই তালাক দিব নোৱাৰো, মই বহু বিবাহ কৰিব নোৱাৰো। হিন্দু মানুহজনে যেতিয়া বুজি পাব যে মই ছোৱালীজনীক ক'ত প্ৰমাণ, বিয়া হৈছে বুলি এৰি থৈ যাব নোৱাৰো because I have duly registered under this Act and it is a voluntiary. কাৰোবাক যদি সোণ নালাগে তেওঁ এইটো registration ত নাহে কিন্তু এই registration ত অহাৰ লগে লগে দুই লাখ, আঢ়ৈ লাখ পৰিয়ালকো যদি আমি সোণ দিব পাৰো মাননীয় অধ্যক্ষ মহোদয়, মোৰ আঢ়ৈ লাখ মোৰ মাতৃ, আঢ়ৈ লাখ মোৰ ভন্তীৰ জীৱনলৈ মই এটা জীৱনযোৰা নিৰাপত্তাৰ কবচ এটা তেখেতক পিন্ধাব পাৰিম। It is with that higherPhilosophy এই আঁচনিখন অনা হৈছে। ইয়াত কোনো হিতাধিকাৰী সৃষ্টিৰ লক্ষ্য আমাৰ নাই। হিতাধিকাৰী সৃষ্টি কৰাৰ প্ৰয়োজন ক'ত? গোটেই ৩ কোটি ৩০ লাখ মানুহে আমাৰ কাৰণে হিতাধিকাৰী। তেওঁলোক আমাৰ হিতৈষী। গতিকে আমাৰ হিতৈষী যেতিয়া, আমাৰ বিধান সভাৰ তেওঁলোক হিতৈষী। যিটো পাৰ্টিকে ভোট নিদিয়ক কিয়, তেওঁলোকে কাৰোবাক ভোট দিয়ে। They are stakeholders of this great democracy. গতিকে তেওঁলোক আমাৰ হিতৈষী। তেওঁলোক আমাৰ হিতাধিকাৰী। এই সোণ দিয়াৰ এখন আঁচনিখনে মোৰ অসমৰ নিস্পেশিত নিপাৰিত  লাখ লাখ মহিলাৰ জীৱনলৈ হাঁহি কঢ়িয়াই আনিব পাৰে । মাননীয়, অধ্যক্ষ মহোদয়, ইয়াত বেলেগ কোনো কথা নাই। This special Marriage Act is very dangerous. তালাক নহ'ব, বহুবিবাহ নহ'ব, এৰি থৈ যাব নোৱাৰিব। ২১ বছৰ, ১৮ বছৰ হ'ব লাগিব। হয় মাদ্ৰাজত, তামিলনাডুত সোণ দিয়ে। একো নাই। বিয়া পাতিলে সোণ দি দিয়ে। তামিলনাডুত এখন পেপাৰত লিখিছে যে, অসমে তামিলনাডুৰ স্কীম নকল কৰিলে। আমি তেওঁলোৰ স্কীম নকল কৰা নাই। তেওঁলোকে বিয়া হ'লেই সোণটো দি দিয়ে। ক'ব লাগে মই স্বামী-স্ত্ৰী, বিয়াৰ চিঠিখন দিলে। আমি সেইবোৰ কৰিব যোৱা নাই। আমি কৈছো, পঞ্জীয়ণ হ'ব লাগিব, এই condition মানিব লাগিব। It is a hell and heaven difference. মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়

আমি আঁচনি লৈছো জ্ঞান দীপিকা। ইয়াত হিতাধিকাৰী কোন। আজি হোষ্টেলত থকা ল'ৰা, কাক ভোট দিব? মই কটন কলেজৰ হোষ্টেলত আছিলো, অধ্যক্ষ মহোদয়। আমাৰ Life ৰ কিছুমান phase আমি পাৰ হৈ আহো। যেতিয়া আমি যদি ক'ৰবাত ডাঙৰ হ'ব পাৰো, জীৱনৰ অভিজ্ঞতাবিলাক যদি মনত পেলাব পাৰো, কাৰোবাক সহায় কৰিব পাৰো, বহুত ডাঙৰ কথা। মাননীয় মুখ্যমন্ত্ৰী মহোদয় হোষ্টেলত আছিল, আপানালোকৰ বহুতে হোষ্টেলত আছিলে। মাননীয় অধ্যক্ষ মহোদয়, কিছুমানৰ দেউতাক মাকে Mess dues টো পঠাব নোৱাৰে। যেতিয়া Mess dues নপঠায়, তেতিয়া তাত চাউলো কিনিব নোৱাৰিব। কাৰণ কলেজে তাত পইচা নিদিয়ে আৰু যিকেইদিনলৈকে দেউতাক মাকে Mess dues নপঠায়, ল'ৰাটো হোষ্টেলৰ পৰা পলাই থাকে। ওচৰত নাহে। Mess Secretary য়ে গৈ ক'ব Mess dues দে, নহ'লে কালি চাউল কিনিব নোৱাৰো। মাননীয় অধ্যক্ষ মহোদয়, কটনত মোৰ অভিজ্ঞতা আছে। ল'ৰা কেইজন দুৰে দুৰে লুকাই ঘূৰি থাকে যেতিয়ালৈকে দেউতাকৰ পইচাতো নাহে। সকলো দেউতাকে ১৮ শ টকা মাহত পঠাই দিব নোৱাৰে। আজি অন্তত বছৰৰ আৰম্ভণিতে ৭ হাজাৰ টকা সেই ল'ৰাজনৰ একাউণ্টত জমা হ'ব আৰু সেই ৭ হাজাৰ টকাই, টকাটো নহয়, সেই ল'ৰা জনক এটা ডাঙৰ অপমানৰ পৰা ৰক্ষা কৰিব। যি অপমান সহ্য কৰিব লাগে, সেই অপমান, মই নাজানো আমাৰ বিৰোধী পক্ষৰ কিমানজন সদস্য হোষ্টেলত আছিলে। কটন কলেজত হোষ্টেলত বহু বছৰ থকা মোৰ সৌভাগ্য হৈছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আছিলে, শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আছিল। যেতিয়ালৈকে Mess dues দেউতাকে পঠাব নোৱাৰে, কিবা কাৰণত, সেইমাহত হয়তো কিবা অসুবিধা হৈছে, কিবা হোৱা নাই, ল'ৰাটো দুৰে দূৰে থাকে। কাৰণ Mess ত আহিলে Mess Secretary য়ে জপিয়াই পৰিব, যে Mess dues দে। এই ধৰণৰ কথা যেতিয়া এইখন বিধান সভাই, এই ধৰণৰ কথা যেতিয়া চিন্তা কৰে, ই অধ্যক্ষ মহোদয়, সহনশীলতা, সহমৰ্মিতা এই গুণৰ ভিতৰত আহে, ই হিতাধিকাৰী গুণৰ ভিতৰত নাহে। ইয়াক কয়, এইখন অসম বিধান সভাৰ সহনশীলতা, এইখন অসম বিধান সভাৰ সহমৰ্মিতা। ইয়াৰ শব্দবিলাক অধ্যক্ষ মহোদয়, হিতাধিকাৰী নুবুজায়। কলেজত পঢ়া ল'ৰাই, আজি বাঘবৰৰ পৰা অহা কটন ল'ৰাজনে ভাৰতীয় জনতা পাৰ্টিক এই আঁচনিখন পোৱাৰ কাৰণে ভোট দিব বুলি মই ব্যক্তিগতভাৱে বিশ্বাস নকৰো, কোনোবাই বিশ্বাস কৰিলে বেলেগ কথা। মাননীয় অধ্যক্ষ মহোদয়, আজি ৭ লাখ ল'ৰা-ছোৱালীয়ে বিনামূলীয়া এডমিশ্যন পায়। তাৰে আটাইতকৈ বেছি যদি কোনোবা এডমিশ্যন পাইছে, আজি আমাৰ অসমৰ, মাননীয় সদস্য শ্ৰীআব্দুল খালেক ডাঙৰীয়াৰ সমষ্টিত, মাননীয় সদস্য শ্ৰীশ্বেৰমান আলি ডাঙৰীয়াৰ সমষ্টিত, তাৰ কি প্ৰত্যেকজনে বি জে পিক ভোট দিব, তেওঁলোক কি হিতাধিকাৰী হ'ব। অসমৰ যুৱক সমাজে কেতিয়াও চৰকাৰৰ পৰা এটা অনুদানৰ ভিত্তিত তেওঁলোকে নিজৰ Principles Sacrifices কৰাৰ ready নহয় আৰু মই ready হোৱাটো নিবিচাৰো যে চৰকাৰৰ পৰা ৭ শ টকা পালো কাৰণে তেওঁলোক বি জে পি হৈ যাওঁক, চৰকাৰৰ পৰা বিনামূলীয়া এডমিশ্যন পালো কাৰণে তেওঁলোক বি জে পি হৈ যাওঁক। মাননীয় অধ্যক্ষ মহোদয়, তাক যদি আমি ভাবো তেতিয়াহ'লে যুৱকশক্তিৰ সামূহিক সত্বাক আমি অপমান কৰা হ'ব। আমি মাত্ৰ বিচাৰো তেওঁলোকে পঢ়ক, তেওঁলোকে ডাঙৰ মানুহ হওঁক, মোৰ জাতিটোক সেৱা কৰক। বি জে পিক ভোট দিব নালাগে। মাননীয় অধ্যক্ষ মহোদয়, হিতাধিকাৰীৰ সৃষ্টিৰ প্ৰচেষ্টা এই আঁচনিটোৰ জৰিয়তেও কৰা হোৱা নাই। বৰঞ্চ যেতিয়া মই, অষ্টম, নৱম শ্ৰেণী, দশমৰ ল'ৰা এজনক যেতিয়া এটা ইউনিৰ্ফম পিন্ধাই দিম, অষ্টম শ্ৰেণীৰ ল'ৰাজনে কাক ভোট দিব, নৱম শ্ৰেণীৰ ল'ৰাজনে কাক ভোট দিব। নৱম, দশম

শ্ৰেণীলৈকে আমি ইউনিফৰ্ম দিম বুলি কৈছো, নৰম শ্ৰেণীৰ মানুহ কি হিতাধিকাৰী হ'ব ? তেওঁলোকে ভোটদিয়াৰ বয়সটো হৈছে নে নাই ? তেওঁলোকেতো হিতাধিকাৰীৰ সৃষ্টিৰ প্ৰচেষ্টা হোৱা নাই।

অধ্যক্ষ মহোদয় আমি সংসদত সামাজিক সুৰক্ষাৰ কথা কৈছো। আজি মামুন ইমাদাদুল হক চৌধুৰী ডাঙৰীয়া সদনত উপস্থিত নাই। তেখেতে বক্তব্যত কৈছে - কেৰেলাত - ২০০০ টকা দিয়ে। আমি -২৫০ টকা দিছো। হয় অধ্যক্ষ মহোদয়- কেৰেলাৰ দৰি দিব পৰাটো আমাৰ ইপ্সিত লক্ষ্য। আমি সেইটো ৰাস্তাত যাব লাগিব কিন্তু এই সদনে এইখিনিও স্বীকৃতি দিয়ক যে আগতে যি দলৰে চৰকাৰ নাছিল কিয় বৃদ্ধ পেনশ্যনত তেওলোকৰ বৰঙনি আছিল - ৫০ টকা মাত্ৰ। এই ৫০ টকা ৫ গুণ বৃদ্ধি কৰি আমি ২৫০ টকা কৰিছো। অধ্যক্ষ মহোদয় ২ টা বছৰৰ ভিতৰত যদি আমাৰ অসমখন ৫ গুণ বাঢ়ে তাক সমালোচনা কৰাৰ প্ৰয়োজন নাই। সেই সময়ত সমালোচনাৰ প্ৰয়োজন আছিল এ আই ইউ ডি এফ দলৰ পৰা যে বৃদ্ধ পেনশ্যন মাত্ৰ ৫০ টকা কিয় ? সেই সময়ত আমি কোনেও সমালোচনা নকৰিলো আৰু আজি যেতিয়া কোনো চৰকাৰে বৃদ্ধ পেনশ্যন ২৫০ টকা কৰিলে তেতিয়া আমি সমালোচনা আৰম্ভ কৰি দিলো। কথাটো এনেকুৱা হ'ল যেতিয়া ভাত দিয়া নাছিলে তেতিয়া প্ৰশ্ন কৰা নাই ভাত কিয় দিয়া নাই, কিন্তু যেতিয়া ভাত দিলো তেতিয়া প্ৰশ্ন কৰিছে মাছ- মাংস দিয়া নাই কিয় ? এইটোতো নহয় অধ্যক্ষ মহোদয়, আমি ভাত দিয়া আৰম্ভ কৰিছো- অহা বছৰ হয়তো মাছ হ'ব -মাংস হ'ব। ২০২১ চনলৈ বাঢ়ি গৈ গৈ ১০০০ টকা যে নহ'ব তাৰ কি গেৰ্যান্টি আছে। আজি যদি আমি সুতা-কম্বলৰ ঠাইত ১ তোলা সোণ দিব পাৰিছে তেতিয়া হ'লে কেতিয়াবা বৃদ্ধ পেনশ্যন ২০০০ টকাও দিব পৰাটোও সম্ভৱ। যদি গতিটো আগলৈ গৈছে তেন্তে সমালোচনা কৰি লাভ নাই। কিন্তু যদি মই আগৰ বৃদ্ধ পেনশ্যনটো যদি ৫০ টকাৰ পৰা ২৫ টকা কৰিলোহেঁতেন তেতিয়া মই সমালোচনা ল'বলৈ প্ৰস্তুত আছো অধ্যক্ষ মহোদয়। ৫০ টকাৰ পৰা ২৫০ টকা বৃদ্ধি কৰাৰ ফলত যদি সমালোচনা ল'ব লগা হয় তেন্তে সেই লমালোচনাৰ উত্তৰ কেনেকৈ দিব লাগে মই নাজানো অধ্যক্ষ মহোদয়। আজি এগৰাকী বিধৱা মহিলা যাৰ স্বামীৰ অলপতে মৃত্যু হৈছে। তেওলোকে কাক ভোট দিব অধ্যক্ষ মহোদয়। মোৰ স্বামী মৰিছে, জ্বলাম কেনেকৈ- গেলামাল দোকানত বাকী আছে- ১০ দিন পিচতে শ্ৰাদ্ধ- মই বগা কাপোৰ পিন্ধিছো মাত্ৰ- গেলামালৰ দোকানী জনে ঘৰত আহি ক'ব বাইদেউ আপোনাৰ ঘৰত ডাঙৰ বিপদ হ'ল মই জানো কিন্তু আপুনিওতো জানে মোৰ অৱস্থা কেনেকুৱা। এটা কথা আপোনাক ক'ম বুলি ভাবিছো- যে তেখেতে মোৰ দোকানত ৫০০০ টকা বাকী কৰি থৈ গৈছে।-- এতিয়া এনে পৰিবেশত সেই মহিলাগৰাকীৰ মনত কেনেকুৱা এটা প্ৰতিক্ৰিয়া হ'ব ? ক'ৰ পৰা দিব তেওঁ ৫ হাজাৰ টকা - চাৰিওফালে ধাৰ- স্বামীজনেতো কেতিয়াও ভবা নাই হঠাতে ঢুকাই যাম বুলি। ১০ দিন শ্ৰাদ্ধৰ পিছত সন্তান স্কুলত গৈছে- লৰা বা ছোৱালীজনীয়ে ঘৰত আহি কৈছে- হেড ছাৰে স্কুলৰ ফিছ দিবলৈ কৈছে। এতিয়া মহিলা গৰাকী ক'ত যাব ? অন্তত কোনোবাই যদি সেই সময়ত টকা ২৫ হাজাৰ হাতত তুলি দিয়ে, সেই সময়ত বিধৱা মহিলা গৰাকী ভাবিব মোৰ ভাগী যোৱা আকাশখন যেন মোৰ ওচৰত আহি পালে। এতিয়া অধ্যক্ষ মহোদয় সেই মহিলা গৰাকী কি হিতাধিকাৰী হ'ব নেকি ? সেই মহিলা গৰাকীৰ মনৰ ঘাঁত মলম দিয়াটো আমি কি হিতাধিকাৰীৰ লগত তুলনা কৰিম অধ্যক্ষ মহোদয় ? এগৰাকী মহিলা স্বামীক হেৰুৱাইছে- তেখেতে Election ত কাক Vote দিব সেইটো চিন্তা হ'ব নে টকা ২৫ হাজাৰ সেই সময়ত দুখিনি মহিলা গৰাকীৰ হাতত তুলি দি বিধায়ক গৰাকী গৌৰাম্বিত হ'ব ? আজি বাঘবৰ বা জনিয়াত মই ২৫ হাজাৰ টকা তুলি দিবলৈ নাযাও। আজি লক্ষিপুৰত মই তুলি দিব নাযাও। ৰাজদ্বীপ গোৱালা ডাঙৰীয়াই তুলি দিবলৈ যাব।

সেই সদ্য বিধৱা মহিলাগৰাকীয়ে যিমান আৰ্শীবাদ দিব - ৰাজদ্বীপ গোৱালাক দিব। মোক দিবলৈ নাযায় । সেই বিধৱা গৰাকীয়ে একো গমেই নাপাব যে হিমন্ত বিশ্ব শৰ্মাই বাজেট আনিছিল, সোণোৱাল ডাঙৰীয়া মুখ্য মন্ত্ৰী আছিলে। তেওলোকে বাজেটত এই টকা দিছে। আজি ৰাজদ্বীপ গোৱালা ডাঙৰীয়াই বাজেটখনক সমালোচনা কৰিলেও অধ্যক্ষ ডাঙৰীয়া কিন্তু তাৰ পিছতো সেই মহিলা গৰাকীয়ে কিন্তু মুৰৰ চুলি চিঙি ৰাজদ্বীপ গোৱালাকে আৰ্শীবাদ কৰিব অধ্যক্ষ মহোদয়। আমি যদি হিতাধিকাৰী সৃষ্টি কৰিছো সেয়া আপোনাৰ বাবে সৃষ্টি কৰিছো। প্ৰয়াত দীনেশ গোৱালা দেৱ থাকোতে মই দেখিছো লক্ষিপুৰৰ ভিতৰুৱা ঠাইত কমিউনিকেশ্যন নাই- তেনে ঠাই এগৰাকীৰ বিধবা মহিলাই যেতিয়া ২৫ হাজাৰ টকা পাব তাতকৈ সুখৰ কথা কি হ'ব পাৰে অধ্যক্ষ মহোদয়। তেওতো হিমন্ত বিশ্ব শৰ্মা- সৰ্ব্বানন্দ সোণোৱালৰ নামেই হয়তো সুনা নাই, তেওলোকে দীনেশ গোৱালাকে প্ৰধান মন্ত্ৰী, মুখ্যমন্ত্ৰী ৰাষ্ট্ৰপতি বুলি জানে অধ্যক্ষ মহোদয়। এতিয়া ৰাজদ্বীপ গোৱালাকে সৰ্বোচ্ছ বুলি এতিয়া জানে , সেই ২৫ হাজাৰ টকাৰ হিয়া উজাৰি দিয়া আৰ্শীবাদ আপুনিহে পাব আমালৈ নাহে অধ্যক্ষ মহোদয়। আপুনি যদি এটা ডাঙৰ মনোভাৱ লৈ কয় যে নহয় যে মোক আৰ্শীবাদ নিদিবা, সৰ্ব্বনন্দ সোণোৱালক আৰ্শীবাদ দিয়া এইটো তেওৰ দান। ইমানখিনি যদি মহানুভৱতা আপোনালোকে প্ৰদৰ্শন কৰে, মই নাজানো কৰিলে বেলেগ কথা। অধ্যক্ষ মহোদয়, বৃদ্ধ মানুহ এগৰাকীক মাহিলি ২৫০ টকা দিব বিচাৰিছে সেইয়া কি হিতাধিকাৰী নেকি? মোৰ মাই স্বামী হেৰুৱাইছে তেও কি হিচাধিকাৰী নেকি? আজি সদনে ক'ব লাগে প্ৰচেষ্টাটো ভাল পাৰিলে অহাবাৰ বঢ়াই ৫০০ টকা কৰিব পাৰিনে চাৰ। মই মোৰ মাৰ পেটৰ পৰা জন্মিছো- আমি প্ৰত্যেকেই এগৰাকী মাতৃ ঔৰষৰ পৰা জন্মিছো। এই মাতৃক সন্মান দেখুৱাটো আমাৰ জীৱনৰ আটাইতকৈ মহত্ত্বতম কৰ্ত্তব্য। তেওক যদি কোনোৱাই হিতাধিকাৰীৰ লগত তুলনা কৰিবলৈ লয় তাতকৈ আৰু দূৰ্ভাগ্যৰ কথা অধ্যক্ষ মহোদয় একো হ'ব নোৱাৰে। অধ্যক্ষ মহোদয়, আমি ইয়াত আঁচনি আনিছো দিব্যাংগ যোজনা। আজি ১ লাখ ২০ হাজাৰ দিব্যাংগই বহি বহি ঘৰত ১ হাজাৰ টকাৰ এটা পেনশ্যন পায় তাতকৈ সেই বিশেষ পৰিয়ালটো কিমান সকাহ লাভ কৰিব। এতিয়া সেই দিব্যাংগই আমাক ভোট দিবলৈ আহিব বুলি আমি ভাবিম নেকি অধ্যক্ষ মহোদয়? কেইজন দিব্যাংগই ভোট দিবলৈ আহে। এতিয়া কোনোৱাই যদি কয় মই হিতাধিকাৰী সৃষ্টি কৰিছো অধ্যক্ষ মহোদয়, মোৰ ভিউটো কিন্তু তাত বেলেগ। বিস্তাৰিত অটল অমৃত অভিযান আমি আৰম্ভ কৰিলো । আমাক হঁহাও হৈছিল- যে ক'ৰ পৰা ডেৰ লাখ দুই লাখ টকা দিয়া হ'ব। কিন্তু দুই লাখ টকা যে দিব পাৰি আমি কৰি দেখুৱালো অধ্যক্ষ মহোদয়। অধ্যক্ষ মহোদয় ICU Bed মৃত্যুৰ ক্ষণ গণি থকা মানুহৰ ভালৰ বাবে যদি আমি আঁচনি লৈছো তেন্তে কেইজন আই চি ইউৰ পৰা ওলাই অহা মানুহে আমাক ভোট দিব অধ্যক্ষ মহোদয়? মৃতুৰ লগত যুঁজি থকা মানুহজন কেনেকৈ হিতাধিকাৰী হ'ব পাৰে অধ্যক্ষ মহোদয় মই বুজি নাপাওঁ। এইটো এটা অসম বিধান সভাৰ কৰুণাময়ী চৰিত্ৰৰ প্ৰতিফলন। এই বাজেটখনে আমাক মানুহৰ শাৰীলৈ নিবলৈ সহায় কৰিব অধ্যক্ষ মহোদয়। ৰাজনীতি কৰা মানুহক সমালোচনা কৰে যে এওলোক বিবেকহীন, এওলোক অন্তৰহীন, এওলোকে Vote ৰ বাদে একো নুবুজে। কিন্তু আজি ICU ৰ পৰা ওলাই অহা মানুহ জনে বুজিব। সদ্য বিধৱাগৰাকীয়ে বুজিব, দিব্যাংগজনে বুজি পাব অধ্যক্ষ মহোদয়। য'ত Vote দিবলৈ অহা মানুহৰ হাৰ ৫০ শতাংশতকৈও ক'ম তেনেকুৱা ব্যাক্তিৰ কথাও এইখন বিধান সভাই চিন্তা কৰিছে অধ্যক্ষ মহোদয়। আজি যিটো হিতাধিকাৰী সৃষ্টিৰ প্ৰচেষ্টা বুলি সমালোচনা কৰিছে এনে উদ্দেশ্য হোৱা হ'লে- ঘৰে ঘৰে সুতা- কম্বল, আঠুৰা, কাপোৰৰ পেকেট বিলালোহেঁতেন অধ্যক্ষ মহোদয়। গতিকে অধ্যক্ষ

মহোদয় আমাৰ প্ৰচেষ্টা হিতাধিকাৰী সৃষ্টিৰ প্ৰচেষ্টা নহয়। অধ্যক্ষ মহোদয় ৰূপজ্যোতি কুৰ্মী ডাহৰীয়াক প্ৰসংশা কৰো যে আজি দীৰ্ঘ দিনৰ পৰা বাগানৰ মজুৰি বৃদ্ধিৰ চেষ্টা কৰিছে। আমাৰ সদনত উপস্থিত থকা ৰোজলিনা তিৰ্কী ডাঙৰীয়ানী, টেৰচ গোৱালা ডাঙৰীয়া, সঞ্চয় কিষণ ডাঙৰীয়া তেওলোকে সুদীৰ্ঘ দিন ধৰি বাগানৰ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ বাবে চেষ্টা কৰিছে। তেওলোকে বিচাৰে মজুৰি বাঢ়ক। মই প্ৰশাংসা কৰো, দীৰ্ঘদিন ধৰি চেষ্টা কৰিছো যে বাগানৰ দৰমহা বঢ়াৰ লাগে। আমাৰ সদনত বহি থকা মাননীয়া সদস্যা ৰোজলিনা তুৰ্কী, সদস্য তেৰছ গোৱলা, সঞ্জয় কিষান এওঁলোকে সুদীৰ্ঘ দিন প্ৰচেষ্টা কৰিছে যে বাগানৰ শ্ৰমিকৰ দৰমহা বাঢ়ক। মাননীয় অধ্যক্ষ মহোদয়, Private Industry ৰ দৰমহা চৰকাৰে বঢ়াব নোৱাৰে। তেওঁলোকে আজি এটা transition phase ৰ মাজেৰে গৈছে। তেওঁলোকৰ প্ৰত্যেকখন বাগানৰ মালিকে profit কৰিব পৰা নাই। আমাৰ মাননীয় মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াই ইয়াত থাকোতে তেওঁ বহুদিন কৈ আছিলে যে বাগানে বাগানে কেনেকুৱা crisis face কৰিছে বা কি কৰিব লাগিব। আমি সকলোৱে জানো ১৩০ টকা দৰমহা আজি বঢ়াইছো। প্ৰথম বাৰৰ বাবে একেলগে বৃহৎ অংকৰ দৰমহা এইবাৰ বাঢ়িছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, ৩০০ টকা হোৱা গৈ নাই। আমি কি কৰিব পাৰো মেকলিন মেগৰৰ কৰ্মীকতো আমি দৰমহা দিব নোৱাৰো। টাটাৰ কৰ্মচাৰীকতো আমি দৰমহা দিব নোৱাৰো। আমি কি কৰিব পাৰো we can make life little be easy for them. আমি যদি তেওঁলোকক বিনা পইচাত চাউল তুলি দিব পাৰো, তেওঁলোকক যদি ভাল ঔষধ আমি খুৱাব পাৰো, তেওঁলোকৰ হাতত যদি লৰা-ছোৱালীৰ পঢ়াৰ খৰছৰ দায়িত্বতো আমাৰ মুৰত লব পাৰো indirectly তেওঁলোকৰ দৰমহা বৃদ্ধিতে আমি সহায় কৰা নাই জানো। আমিতো তেওঁলোকৰ দেউতাক মাকৰ দায়িত্বখিনি আমাৰ কান্ধত লৈছো, তোমালোকে এইখিনি কৰিব নালাগে আমি কৰিম। ৰাষ্টা বনাইছো, আজি সন্মানীয় সদস্য ৰাজদীপ গোৱালা তেওঁ জানে বাগানৰ পৰিবেশ। বাগানত গৈ চৰকাৰে ৰাষ্টা বনাব। যোৱা বছৰতোত এক ডাঙৰ সামাজিক বিপ্লৱ চাহ বাগিছাত সংঘটিত হোৱা নাই জানো। আজি বাগানৰ কলণিত, কোনোৱাই ডাক্তৰৰ ঘৰৰ সন্মুখত ৰাষ্টা বনোৱা আছে, ইঞ্জিনিয়াৰ ঘৰৰ সন্মুখত ৰাষ্টা বনোৱা আছে, 500 -1000 গাঁৱত ৰাষ্টা বনাইছো। কিন্তু বাগানৰ লাইনত গৈ কোনোবাই চৰকাৰে ৰাষ্টা বনাব, জোন চৰকাৰে নহওঁক কিয়, এইখন বিধানসভাই মঞ্জুৰী কৰিছে বাগানৰ কলণিত আজি মেনেজাৰ বাংলোত নহয়, বাগানৰ শ্ৰমিকৰ লাইনত ৰাষ্টা বনিছে। এক ডাঙৰ সামাজিক বিপ্লৱৰ সাক্ষী মাননীয় অধ্যক্ষ মহোদয় এইখন বিধান সভা হৈ ৰৈ আছে। আজি আমি দেখা পাওঁ যে বাগানৰ শ্ৰমিক সকলক বৃটিছে কেনেকৈ নিৰ্মামভাৱে শোষন আৰু নিষ্পেশনৰ বলি কৰিছিল। চাহৰ লগত চেনীৰ সলনি নিমখ খোৱাইছিল, কিয় খুৱাছিলে যাতে তেওঁলোকৰ complete Blood Pressure বাঢ়ি বাঢ়ি গৈ থাকক আৰু ৬০ বছৰত তেওঁলোকৰ মৃত্যু হয়। মই বাগানৰ কলণিত সোমাই দেখো যে কোনো এজন বুঢ়া মানুহক বাগানৰ দেখা নাপাই। ৬০ বছৰ তেওঁলোকৰ average life chance হয়। বৃটিছে জানে যে যদি বুঢ়া বসয়ৰ লৈকে তেওঁলোকে বাগানত থাকে আৰু productive বয়সতো যদি তেওঁলোকে হেৰুৱাই পেলাই they will become our liability ইহতক খুৱাই পিন্ধাই ৰাখিব লাগিব। গতিকে খুৱাই পিন্ধাই ৰখাতকৈ slow poison কৰি এওঁলোকক মাৰি দিব লাগে। That was the Philosophy আজি সেই নিমখখিনিৰ ঠাইত আজি আমি চেনি খাৱলৈ যন্ত কৰো এয়া হিতাধিকাৰী নহয় মাননীয় অধ্যক্ষ মহোদয়, এইখন বিধান সভাৰ এক সামাজিক ঐতিহাসিক দায়িত্ব পালনৰ প্ৰচেষ্টা। এই বাজেটখনক হিতাধিকাৰীৰ সৃষ্টিৰ পৰা চোৱাতো আটাইতকৈ যদি কোনোবা দূৰ্বল ব্যক্তি আছে, কোনোবা যদি আটাইতকৈ

তেওঁ intellectually চিন্তা কৰিব পৰা নাই, তেতিয়া আপত দৃষ্টিত সুতা - কম্বলৰ লগত মিলাব পাৰিব। কিন্তু otherwise কোনোবাই যদি দৰ্শনৰ ভিত্তিত চাই every single scheme has a importance, ইয়াত এটা বাণী আছে, you have to leave the veil আপুনি যদি veil টো খুলি দিয়ে যে হিমন্ত বিশ্ব শৰ্মাই কিয় সোণ দিছে, আজি বিধৱা গৰাকীক কিয় ২৫ হাজাৰ টকা দিছে, চাহ বাগিছাত নিমখৰ ঠাইত চেনী কিয় দিছে। এবাৰ যদি আমি we leave the veil তেতিয়া হলে আমি গোটেই কথাটো বুজি পাম।

মাননীয় অধ্যক্ষ মহোদয়, পথৰুঘাটৰ ১২৫ বছৰীয়া আমি জয়ন্তী পালন কৰিছিলো। কৃষকসকলক আজি আমি সুত ৰেহাই দিছো কৈছো যে আজি ৫০ হাজাৰ টকাৰ কে চি চি লোণ লওঁক তাৰে ২৫ শতাংশ আমি মাৰি দিম। মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ দায়িত্ব নহয় নেকি যে কৃষকৰ কল্যাণৰ বাবে কাম কৰা। এইটো কেনেকৈ হিতাধীকাৰী হব পাৰে। আজি মই আৰু এটা সত্য কথা কওঁ যে অসমৰ কৃষকৰ যদি লোণ আছে নামনি অসমৰ সমষ্টিৰ পৰা আছে, নগাওঁৰ সমষ্টিৰ পৰা আছে আৰু আজিৰ দিনত কৃষি কৰ্ম কৰা এখনো সমষ্টিৰ বিধায়ক আমি হৈ থকা নাই, বিৰোধী দলৰ সদস্য সকলে হৈ আছে। আমি সেই বিশ্লেষনত যোৱা নাই, আজি আটাইতকৈ কে চি চি কত বিতাৰন হয়, আমাৰ সমষ্টি বিলাকত নহয়, বৰপেটা জিলাত, ধুবুৰী জিলাত, দৰং জিলাত। আজি মাননীয় সদস্য ইলিয়াছ আমি সদনত বহি থকা নাই, দলগাওঁ সমষ্টিত যিমান কে চি চি বিতাৰণ হয়, বেলেগ কতো বিতাৰণ নহয়। আজি তেওঁলোকে ২৫ শতাংশ subsidy পাব। তেওঁলোক zero interest ত লোন পাব। আজি আমাৰ চৰকাৰ খনৰ চবকা সাথ, চবকা বিকাশ নীতিৰ ইয়াতকৈ ডাঙৰ প্ৰতিফলন মাননীয় অধ্যক্ষ মহোদয় কতো নাই।

মাননীয় অধ্যক্ষ মহোদয়, আজি যদি কওঁ যে দেৱালয়, দৰগাহ, মছজিদ যাৰে ১শ বছৰ হৈছো আমি তাত কিবা এটা সহায় কৰিম। তালকৈ যোৱা ৰাষ্টা কেইটা বনাম, পৰ্য্যাটন উন্নয়নৰ প্ৰচেষ্টা কৰিম, তাত হিতাধীকাৰীৰ সৃষ্টিৰ প্ৰচেষ্টা ক'ত।

মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ housing sector বাঢ়িব লাগে, মোৰ GDP বাঢ়িব লাগে। GDP বাঢ়িলে আৰু লোন লব পাৰিম। GDP বাঢ়িলে allocation মোৰ বাঢ়িব। আজি housing sector ত growth আনিব লাগে তাৰ কাৰণে bank কে already লোন দিবই। আমি এই আঢ়ৈ লাখ টকা দিওঁ বা নেদিওঁ। কিন্তু এই আঢ়ৈ লাখ টকাৰ জৰিয়তে দুইজন মানুহে লোন লোৱাৰ সাহস পাব। MLA য়ে গৈ Form নিবিলাই যে আপোনাক লোন দিম, আপোনাক আঢ়ৈ লাখ টকা দিম। হিতাধীকাৰীৰ সৃষ্টিৰ প্ৰচেষ্টা ক'ত bank ৰ Branch Manager ৰে হিতাধীকাৰীৰ সৃষ্টি কৰিব, আমি নকৰো বা কোনো বিধায়কে কাৰো ঘৰত নাযায়। তেওঁলোক হিতাধীকাৰী হব বেংকৰ। আমাৰ লগত কথা নাই, আমি মাত্ৰ back end ত তেওঁলোকৰ কাৰণে আঢ়ৈ লাখ টকা এৰি দিম। মাননীয় অধ্যক্ষ মহোদয় মই ব্যক্তিভাৱে অনুভাৱ কৰো এই বিধান সভাত থাকি এখন কৰুণাময়, মমতাময় মনৰতাৰ গাণ গোৱা বাজেট আজি আমি ইয়াত স্বীকৃত কৰিম। আমাৰ ইয়াত বেলেগ কথা একো নাই, প্ৰত্যেকটো আঁচনিৰ অধীনত আজি একোটা একোটা ডাঙৰ দাৰ্শনিক সত্য লুকাই আছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনৰ মানসিকতাৰ ইয়াত প্ৰতিফলন ঘটিছে। This is my mind, my mind is positive ।হয় মই ১০০ কি.মি দৌৰিব খুজিছো , ৮০ কি.মি দৌৰিছো, বাকী ২০ কি.মি. দৌৰিব পৰা নাই। But what is my mind ? মোৰ mind টো হ'ল কি যে মোৰ ছোৱালীজনী যাতে ১৮ বছৰৰ তলত বিয়া নহয়। মোৰ mind টো কি যে মোৰ চাহ বাগিছাৰ শ্ৰমিকজনে যাতে নিমখ খাই

অকালতে মৃত্যু বৰণ কৰিব নোৱাৰে। মোৰ mind কি সেই নিস্পেষিত দুখত ভাগি পৰা বিধবা মহিলাজনীৰ ওচৰত থিয় হোৱা মোৰ ইচ্ছা। হয় মাননীয় অধ্যক্ষ মহোদয়, কোনোবাই যদি কয় যে ১ লাখ বিধবা হ'ল, তুমি ৯৫ হাজাৰক দিলা বাকী ৫ হাজাৰক দিব নোৱাৰিলা। That is the problem of implementation. কিন্তু কোনেও মোৰ phychology টোক আক্ৰমণ কৰিব নোৱাৰে। কোনেও মোৰ মানসিকতাটোক আক্ৰমণ কৰিব নোৱাৰে আৰু যেতিয়া implementaion ৰ কথা আহে, চৰকাৰী কৰ্মচাৰীয়ে তাৰ implementaion দায়িত্ব লব লাগিব। এই বিধান সভাই বাজেট পাছ কৰাব পাৰিব, মন্ত্ৰী সকলে নিয়ম বনাব পাৰিব, কিন্তু কাৰোৱাই যদি দুইকেজি চেনী দিওঁতে এক কেজি ঘৰত ৰাখি থৈ দিয়ে তেতিয়া মই ভাৱো সেয়া জাতিটোৰ দূৰ্ভাগ্য হ'ব। আমাৰ জাতিটোত কৰ্মসংস্কৃতি লাগিব এই আঁচনি বিলাক মানুহৰ ওচৰত যোৱাৰ কাৰণে আৰু বিৰোধী পক্ষই যেতিয়া সহায় কৰিব তেতিয়া আৰু আগতকৈ ডাঙৰকৈ কাম হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, সেই বাবে মই আশা কৰিম যে এই বাজেটৰ যি দুটা criticisim যে হিতাধীকাৰীৰ সৃষ্টিৰ প্ৰচেষ্টা সেইটো কেতিয়া নহয় আৰু এই বাজেটখনে implementa-tion আৰু আগৰ assurance কোনোবাই যদি বিত্ত মন্ত্ৰী বিলাকৰ ভাষণ আৰু next year ত কিমান implementation হৈছে তেনেকুৱা এটা যদি পৰীক্ষা পাতে, আমি জনাৰ পৰাই যদি ১৯৮৫ চনে সীমা বুলি ধৰি লওঁ, ১৯৮৫ চনৰ আঁচনি ১৯৮৬ চনত কিমান সফল হ'ল, ১৯৮৬ চনৰ আঁচনি ১৯৮৭ চনত কিমান সফল হ'ল, ২০০০ চনৰ আঁচনি ২০০১ চনত কিমান সফল হ'ল। মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া হ'লে প্ৰথম বিভাগত নহলেও, লেটাৰ পামে। সেইখিনি আমি gurantee দি কব পাৰো। গতিকে সেইটো প্ৰতিযোগিতাত আমি যাব খোজা নাই, আমি কাকো সমলোচনা নকৰো। collectively 126 জন বিধান সভাৰ সদস্যৰ শীৰত বহুত আৰ্শীবাদ আহিব। এই বাজেটখন যদি আমি গৃহিত কৰো। এই বাজেটখন যদি implementation কৰিব পাৰো। এই দুযাৰ কৈ মাননীয় অধ্যক্ষ মহোদয়, আপোনাক পুনৰ এবাৰ ধন্যবাদ জনাই আৰু আজিৰ বিতৰ্কত অংশগ্ৰহণ কৰা প্ৰত্যোক গৰাকী সদস্যকে মোৰ আন্তৰিক কৃতজ্ঞতা জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আজিৰ অধিবেশন অন্ত পৰাৰ লগে লগে মঞ্জুৰী দাবী সমূহৰ ওপৰত অগ্ৰাধিকাৰ ভিত্তিত আলোচনা সন্দৰ্ভত কোন কেইটা Grant লম তাৰ ওপৰত আলোচনা কৰিবলৈ কাৰ্য্যউপদেষ্টা এখন বৈঠক মোৰ সভা কক্ষত ইয়াৰ পিছতে অনুষ্ঠিত হ'ব। সেয়েহে মই কাৰ্য্য উপদেষ্টা সমিতিৰ সকলো মাননীয় সদস্য-সদস্যাক উক্ত বৈঠক উপস্থিত থাকিবলৈ অনুৰোধ জনালো যাতে আমি Grant কেইটা বাছি লব পাৰো Cut Motion ৰ কাৰণে।

এতিয়া যিহেতু আমাৰ অহা ১৮ ফেব্ৰুৱাৰী, ২০১৯ Departmentally Related Standing Committee বৈঠকৰ কাৰণে সদন স্থাগিত থাকিব। গতিকে মই এতিয়া সদন স্থগিত ঘোষণা কৰিছো, মই বিত্ত মন্ত্ৰীক ধন্যবাদ জনাইছো for giving a valuable speech.

**লগতে সদন অহা ইংৰাজী ১৮ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত সদন পুনৰ অনুষ্ঠিত হব।**